www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি নঞাৰ্থক মানুহৰ লগত যিমানেই কম মিলামিছা কৰিবা সিমানেই তোমাৰ জীৱনটো শান্তিপূৰ্ণ হ'ব। — স্পিৰিট চায়েন্স

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ ▢ সংখ্যা - ২০০ ▢ বৃহস্পতিবাৰ ▢ ২৫ ছেপ্তেম্বৰ, ২০২৫ চন ▢ ৮ আহিন, ১৯৪৭ শক ▢ VOL - 6 ▢ NO.- 200 ▢ Thursday ▢ 25th September, 2025 ▢ মূল্য ঃ ১০.০০ টকা ▢ মুঠ পৃষ্ঠা ঃ ৮





### আকাশ-বতাহে গুঞ্জৰিত হ'ল 'জয় জুবিন দা', 'জুবিন দা অমৰ হওক' ধ্বনি

# পঞ্চভূতত বিলীন যুগনায়কৰ নশ্বৰ দেহ

### ■ ২১ জাঁই টোপধ্বনিৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অসম আৰক্ষীৰ ■

**অসম বাৰ্তা, নিউজ ডেস্ক, ২৪ ছেপ্টেম্বৰ ঃ** অসমীয়া সংগীত জগতৰ এক অনন্য নক্ষত্ৰ, প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুৱে সমগ্ৰ ৰাজ্যক শোকস্তব্ধ কৰি তুলিছে। বুধবাৰে হাঁহিমুখে কাহিলিপাৰাৰ ঘৰখনৰ পৰা নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে »৬ পৃষ্ঠাত

## জ্বলি জ্বলি ছাই হ'ল অসমীয়াৰ হিয়াৰ আমঠু; ৰাষ্ট্ৰীয় মৰ্যাদাৰে প্ৰাণৰ শিল্পীক শেষ বিদায়

## জুবিন গাৰ্গৰ শেষকৃত্য সহিব নোৱাৰি নিজৰ জীৱন শেষ কৰাৰ চেষ্টা

জুবিন গাৰ্গৰ শেষকৃত্য সহিব নোৱাৰি নিজৰ জীৱন শেষ কৰাৰ চেষ্টা এজন অনুৰাগীৰ। নগাঁৱৰ কছুৱাতলীৰ এই অনুৰাগীজনে জুবিনৰ শেষকৃত্যৰ পাছতে বিষাক্ত দ্ৰব্য পান কৰি »৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্ত আৰম্ভ

### যোৰহাটত CIDৰ দল




**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীতৰ আকাশৰ উজ্জ্বল নক্ষত্ৰ, প্ৰাণশিল্পী জুবিন গাৰ্গৰ (১৮ নৱেম্বৰ ১৯৭২ - ১৯ ছেপ্তেম্বৰ ২০২৫) হঠাৎ মৃত্যুৱে গোটেই ৰাজ্যখনক শোকাভিভূত কৰি তুলিছে। এই ঘটনাৰ পিছত উত্থাপিত বিভিন্ন ৰহস্য আৰু জনতাৰ চাপত অসম চৰকাৰে কেন্দ্ৰীয় অপৰাধ তদন্ত বিভাগৰ (CID) হাতত তদন্তৰ দায়িত্ব »৬ পৃষ্ঠাত

## জুবিনৰ শেষকৃত্য স্থলীত অসুস্থ পিতৃ কপিল ঠাকুৰ

### গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি




**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** প্ৰখ্যাত সংগীতশিল্পী জুবিন গাৰ্গৰ শেষকৃত্যৰ সময়ত তেওঁৰ পিতৃ কপিল ঠাকুৰ হঠাৎ অসুস্থ হৈ পৰে। ৮৫ বছৰীয়া কপিল ঠাকুৰক তাৎক্ষণিকভাৱে এম্বুলেন্সযোগে »৬ পৃষ্ঠাত

### সাংস্কৃতিক পৰিক্ৰমা বিভাগে সুৰক্ষিত কৰি ৰাখিব সংগ্ৰহিত চিতাভস্ম

## অসমৰ অনুষ্ঠান-প্ৰতিষ্ঠানে জুবিন গাৰ্গৰ পৱিত্ৰ চিতাভস্ম বিচাৰি কৰিব পাৰিব আবেদন

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, প্ৰাণশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পিছত তেওঁৰ শেষকৃত্য গুৱাহাটীৰ সোণাপুৰত ২৩ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে সম্পন্ন হৈছে। লাখ লাখ ভক্তৰ শ্ৰদ্ধাঞ্জলিৰ মাজত তেওঁৰ »৬ পৃষ্ঠাত

- পৰিয়ালক অৰ্পণ কৰা হৈছে অস্থি
- মুকলি কৰা হ'ব অনলাইন প'ৰ্টেল



## গঙ্গাত বিসৰ্জন দিয়া হ'ব জুবিন গাৰ্গৰ চিতা ভস্ম

### দিল্লীলৈ চিতা ভস্ম নিয়াৰ পৰিকল্পনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ ছেপ্টেম্বৰ ঃ** প্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সমগ্ৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চল শোকাহত হৈ আছে। ২৩ ছেপ্টেম্বৰ তাৰিখে জুবিনৰ শেষকৃত্য হোৱাৰ পিছত কাইলৈ, অৰ্থাৎ ২৪ ছেপ্তেম্বৰত দিল্লী পোৱাৰ সম্ভাৱনা আছে জুবিন গাৰ্গৰ চিতা ভস্মৰ। এই কথা জনাইছে »৬ পৃষ্ঠাত

### বাৰে-বাৰে ফোন কৰিও ফোনত পোৱা নাই শ্যামকানু মহন্তক

## অন্তৰ্ধান শ্যামকানু ! ছিংগাপুৰৰ পৰা অসমলৈ ঘূৰি আহিবলৈ বিমানৰ টিকট নাই ১৮ গৰাকী আয়োজক-কৰ্মীৰ

## অন্ত্যোষ্টিক্ৰিয়াত উপস্থিত আছিল মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা !

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ পিছতেই ছিংগাপুৰৰ পৰা অন্তৰ্ধান হৈছে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত। যোৱা ১৭ ছেপ্তেম্বৰ তাৰিখে নৰ্থ-ইষ্ট »৬ পৃষ্ঠাত

### বিশিষ্ট অধিবক্তাই নাকচ কৰিলে প্ৰস্তাৱ

## শ্যামকানু মহন্তৰ আগতীয়া জামিন আবেদনৰ প্ৰস্তুতি

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুক কেন্দ্ৰ কৰি উত্থাপিত বিতৰ্কত নাম জড়িত হোৱা নৰ্থ-ইষ্ট ইণ্ডিয়া ফেষ্টিভেলৰ প্ৰধান আয়োজক শ্যামকানু মহন্ত সম্প্ৰতি ছিংগাপুৰৰ পৰা অসমলৈ উভতি আহিছে। »৬ পৃষ্ঠাত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাই সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত শিল্পীগৰাকীৰ মৃত্যুৰ কাৰণৰ তদন্তৰ »৬ পৃষ্ঠাত

### মোহন লালক চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা প্ৰদান

## নতুন দিল্লীত ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত আজি ২০২৩ বৰ্ষৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰখ্যাত অভিনেতা, পৰিচালক তথা প্ৰযোজক মোহন লালক চলচ্চিত্ৰ »৬ পৃষ্ঠাত



## জুবিনৰ চিতাত মুখাগ্নি ভগ্নীসহ চাৰিজনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ল সোণাপুৰত। চাৰিগৰাকীয়ে কৰিলে মুখাগ্নি। জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ, অৰুণ গাৰ্গ, ৰাহুল গৌতম শৰ্মা »৬ পৃষ্ঠাত

### "শ্যামকানু মহন্তই উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী সকলক প্লেটফৰ্ম প্ৰদানৰ নামত কৰে শোষণ"

## জুবিন গাৰ্গৰ মেনেজাৰৰ বিৰুদ্ধে সহযোগী কণ্ঠশিল্পীৰ গুৰুতৰ অভিযোগ

### সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী ছুইটী দাসৰ এক চাঞ্চল্যকৰ ভিডিঅ'

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পিছত সৃষ্টি হৈছে তীব্ৰ ৰহস্য আৰু বিতৰ্ক। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত জুবিনৰ মেনেজাৰৰ বিৰুদ্ধে উত্থাপিত হৈছে এটাৰ পাছত আনটো গুৰুতৰ অভিযোগ। জনতাৰ ক্ষোভ আৰু সন্দেহৰ ভিত্তিত চৰকাৰেও এই বিষয়ে তদন্ত আৰম্ভ কৰিছে। সামাজিক মাধ্যমত এতিয়া ভাইৰেল হৈ পৰিছে জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী »৬ পৃষ্ঠাত





# হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুৰ পাছত যোৰহাটত উচ্ছৃংখল যুৱকৰ উদ্ভণ্ডালি

## যোৰহাট প্ৰেছক্লাব জ্বলাই দিয়াৰ ভাবুকি

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৩ ছেপ্টেম্বৰ ঃ** ছিংগাপুৰ প্ৰণালীৰ সাগৰ ছেইণ্ট জ'নছ দ্বীপত ১৯ ছেপ্টেম্বৰত আকস্মিকভাৱে মৃত্যু বৰণ কৰা জুবিন গাৰ্গৰ নশ্বৰ দেহ যোৰহাটত সমাধিস্থ কৰিবৰ বাবে দাবী জনাই থকা এদল উচ্ছৃংখল যুৱকে উদ্ভণ্ডালি কৰি থকাৰ লগতে যোৰহাটৰ পশ্চিম দিশৰ ৰাষ্ট্ৰীয় পথ-উপ-পথৰ সংযোগ স্থলৰ উৰণ সেতুত কালি পুৱাৰে পৰা প্ৰতিবাদ কৰি থকাত উজনি-নামনিমুৱা সকলো যান-বাহন ৰাষ্ট্ৰীয় পথত আৱদ্ধ হৈ আছে। এই সন্দৰ্ভত আজি যোৰহাটৰ একাংশ সচেতন ব্যক্তিয়ে যোৰহাট জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকক এইসকল উচ্ছৃংখল উদ্ভণ্ডালি কৰি থকা প্ৰতিবাদকাৰীক পথৰ পৰা আঁতৰাই উজনি-নামনিমুৱা যান-বাহনসমূহ চলাচলৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছে। যান-বাহনসমূহ আৱদ্ধ হৈ পৰাত দূৰ-দূৰণিৰ পৰা অহা লোকসকলৰ খোৱা-বোৱাৰ লগতে গা-পা ধোৱা, শৌচ-প্ৰস্ৰাৱ কৰাত ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। এই যাত্ৰীসকলৰ লগত বৃদ্ধ-বৃদ্ধাৰ লগতে মহিলা আৰু ভালেকেইজন শিশুও আছে। প্ৰতিবাদকাৰীসকলে আনকি ৰাষ্ট্ৰীয় পথৰ কাষৰ সেই স্থানত বসবাস কৰি থকা লোকসকলকো পথটোৰে চলাচল কৰাত বাধা প্ৰদান কৰাত স্থানীয় লোকসকলো উত্তেজিত হৈ পৰিছে। আনকি, পোহনীয়া জন্তুৰ বাবে ঘাঁহ কাটি অনা লোককো পথটোৰে পাৰ হৈ যাবলৈ নিদিয়াত অধিক ক্ষোভিত হৈ পৰিছে স্থানীয় লোকসকল। বাতৰিকাকত, গাখীৰ যোগান, বিদ্যুৎ যোগানত জড়িত থকা লোকসকলৰ উপৰি ৰোগী অনা-নিয়া কৰা এম্বুলেন্স চলাচলতো বাধা প্ৰদান কৰাত যোৰহাটৰ সচেতন লোকসকলে এইসকল উচ্ছৃংখল যুৱক যোৰহাট জিলাখনৰ বাবেই 'কলংক' বুলি জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকক অৱগত কৰিছে। এই সম্পৰ্কত বাতৰি সম্প্ৰচাৰ কৰাত যোৰহাটৰ সাংবাদিকসকলৰ প্ৰতিও ক্ষোভিত হৈ পৰা উচ্ছৃংখল উদ্ভণ্ডালি কৰা যুৱকসকলে তেওঁলোকৰ প্ৰতিবাদ 'লাইভ' নকৰি বিৰুদ্ধাচৰণ কৰি বৈদ্যুতিন মাধ্যমযোগে সম্প্ৰচাৰ কৰাত যোৰহাটৰ কৰ্মৰত সাংবাদিকসকলৰ প্ৰতিও ক্ষোভিত হৈ যোৰহাট প্ৰেছ ক্লাব ভাঙি দিয়াৰ লগতে আৰু জ্বলাই দিব বুলিও উল্লেখ কৰাত যোৰহাটৰ সমাজ-সচেতন লোকসকল স্তম্ভিত হৈ পৰিছে। এই সন্দৰ্ভত যোৰহাটৰ আৰক্ষীয়ে যোৰহাট প্ৰেছ ক্লাব বৰ্তমান ৰক্ষণাবেক্ষণ দি থকাৰ উপৰি যোৰহাটৰ আশে-পাশে থকা সকলোবোৰ প্ৰেছ ক্লাব ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। যোৰহাটৰ সমাজ-সচেতন লোকসকলৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই যোৰহাট জিলাৰ আয়ুক্ত আৰু যোৰহাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক উচ্ছৃংখল, উদ্ভণ্ডালি কৰি থকা প্ৰতিবাদকাৰীসকলৰ প্ৰতি কঠোৰ হৈছে। ইফালে, যোৰহাটৰ বৰুৱা চাৰিআলিত একাংশ লোকে কালি দিনটো প্ৰতিবাদ কৰাত নিশা প্ৰায় ৩ বজাত যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষক প্ৰতিবাদ স্থলীত উপস্থিত হৈ নেতা বিহীন প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰি মুখ্যমন্ত্ৰীক প্ৰতিবাদৰ বিষয়টোৰ সম্পৰ্কত অৱগত কৰাত শাম কাটিছিল যদিও আজি আন একাংশ প্ৰতিবাদকাৰী উক্ত স্থানতো উপস্থিত হৈ পুনৰ প্ৰতিবাদ কৰি থকাৰ চেষ্টা চলায়। অৱশ্যে, এই স্থানত প্ৰতিবাদকাৰীৰ সংখ্যা সীমিত হৈ আছে। উল্লেখ্য, জুবিন গাৰ্গৰ মৃত্যুৰ পাছত এনে যুৱকসকলক উত্তেজিত কৰাৰ বাবে যোৰহাট প্ৰেছক্লাবৰ সৈতে সম্পৰ্ক নথকা যোৰহাটৰে বৈদ্যুতিন মাধ্যমৰ কেইজনমান সাংবাদিকে কালি আৰু আজিও উত্তেজিত ভাষণ প্ৰদানেৰে প্ৰতিবাদকাৰীসকলক প্ৰৰোচিত কৰি থকাত আজি এটা বৈদ্যুতিন সংবাদ প্ৰতিষ্ঠানটোৰ পৰা এজন সাংবাদিকক অব্যাহতি দিয়াৰ খবৰে যোৰহাটৰ সমাজ-সচেতন লোকসকলক সন্তোষিত কৰিছে। সাংবাদিকজনক অব্যাহতি দিয়া বাৰ্তাটোত প্ৰতিবাদকাৰীক উত্তেজিত কৰা ভাষণৰ সৈতে সংবাদ প্ৰতিষ্ঠানটোৰ কোনো সম্পৰ্ক নাই বুলিও অব্যাহতি দিয়া বাৰ্তাটোত সংবাদ প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা উল্লেখ কৰিছে। তদুপৰি, অন্য একাংশই সমগ্ৰ যোৰহাট জিলাখনতে বহু লোকক মানুহৰ দাবী-ধমকি দি ফুৰাৰ লগতে দোকান-পোহাৰ, ক্ষুদ্ৰ ব্যৱসায় আদিও বন্ধ কৰি ৰাখিবলৈ বাধ্য কৰাইছে। ইয়াৰ ফলত যোৰহাট জিলাখনতে দৈনিক হাজিৰা কৰা, সৰু-সুৱা যান-বাহন চালনা কৰা আৰু ব্যৱসায়-বাণিজ্য কৰি পৰিয়াল পোহপাল দিয়াসকল খাদ্য আৰু অৰ্থনৈতিক সংকটত ভুগিছে। দৰিদ্ৰসকলৰ বাবেই জীৱনটোত আৰ্জিত ধন ব্যয় কৰা হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পাছত এনে একাংশ লোকে কৰা কৰ্ম-কাণ্ডই যোৰহাট জিলাখনৰ লগতে উজনি আৰু নামনি অসমৰ লোকসকলক হতভম্ব কৰিছে। এইসকল উচ্ছৃংখল উদ্ভণ্ডালি কৰা লোকক বিভিন্ন ফুটেজৰ জৰিয়তে যোৰহাট জিলাৰ সমাজ-সচেতন লোকসকলে চিনাক্ত কৰি যোৰহাট জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকক ফুটেজ প্ৰদান কৰি অচিৰেই গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তিমূলক ব্যৱস্থা ল'বলৈ যোৰহাট জিলাৰ সমাজ-সচেতন লোকসকলে অনুৰোধ জনাইছে। অৱশ্যে, যোৰহাট জিলাৰ আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকে ৰাজ্যৰ মুখ্যমন্ত্ৰীক বিষয়টো অৱগত কৰিছে বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰীৰ সন্মতি পালেই উচ্ছৃংখল আৰু উদ্ভণ্ডালি কৰা লোকসকলক গ্ৰেপ্তাৰ কৰা হ'ব বুলি উল্লেখ কৰিছে।

## উত্তৰ যোৰহাট জাতীয় বিদ্যালয়, সেৱাৰ উদ্যোগত জুবিন জুবিনলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, নিমাতীঘাট, ২৩ ছেপ্টেম্বৰ ঃ** সামাজিক, পাৰিপাৰ্শ্বিক আৰু স্বাস্থ্য কল্যাণকামী সংস্থা(সেৱা) আৰু উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ উদ্যোগত সৰ্বজনৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° চেনিৰাম দত্তই বন্তি প্ৰজ্বলন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰকৃতিপ্ৰেমী আৰু আৰ্তজনৰ সেৱক জুবিনৰ স্মৃতিত এটি গছপুলি ৰোপণ কৰে সমাজসেৱক বুধিন নেওগে। সেৱাৰ কাৰ্যকৰী সমিতিৰ সভাপতি জগন্নাথ অগ্নি বৰা আৰু ৰাজীৱ কুমাৰ নাজিৰে পৰিচালনা কৰা অনুষ্ঠানত মহান শিল্পীজনৰ গীত পৰিৱেশন কৰে সন্ত শইকীয়া, উজ্জ্বল শইকীয়াই। ছাত্ৰ-ছাত্ৰীয়ে প্ৰাৰ্থনা কৰা অনুষ্ঠানত জুবিনৰ কবিতা পাঠ কৰে জাতীয় বিদ্যালয়ৰ জেষ্ঠ শিক্ষয়িত্ৰী লেখিকা গগৈ, পল্লবী শইকীয়া, চেনিমাই হাজৰিকাই। অনুষ্ঠানত সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়া, বিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ বৰা, পৰিচালনা সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱা, বিমান নেওগ, অনিল দত্ত, যাদৱ বৰুৱা, তপন শৰ্মা, অঞ্জন বৰা, স্বপ্না বৰা বৰুৱা, মানস জ্যোতি হাজৰিকা, নিৰ্মল শইকীয়া প্ৰমুখ্যে বিভিন্নজনে বন্তি প্ৰজ্বলনৰ লগতে অনুভৱ ব্যক্ত কৰে।

## জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নগাঁৱৰ উদীয়মান যুৱক সংঘৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ ছেপ্টেম্বৰ ঃ** পঞ্চভূতত বিলীন হৈ গ'ল সকলোৰে মৰমৰ, হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গ। লাখ-লাখ গুণমুগ্ধই শেষ শ্ৰদ্ধা জনালে প্ৰিয় শিল্পীগৰাকীক। আজি অন্তিম সংস্কাৰৰ দৃশ্য চাই সকলো শোকত ম্ৰিয়মাণ হৈ পৰিল। অসমৰ চুকে-কোনে টেলিভিছনৰ যোগেদি চালে প্ৰিয় শিল্পীগৰাকীৰ অন্তিম যাত্ৰাৰ দৃশ্য। যোৱা ১৯ ছেপ্টেম্বৰৰ মৃত্যুৰ দিনাৰ পৰা আজি পৰ্যন্ত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে প্ৰিয় শিল্পীজনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰিলে। আজিও নগাঁও চহৰৰ উত্তৰ হয়বৰগাঁও জন্মিজয় বৰা পথত উদীয়মান যুৱক সংঘৰ নগাঁৱৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। উদীয়মান যুৱক সংঘৰ সভাপতি পাৰ্থপ্ৰতিম মহন্ত আৰু সম্পাদক প্ৰকাশ জ্যোতি শৰ্মাৰ উদ্যোগত সদস্যসকলে অসমবাসীৰ হিয়াৰ আমঠু প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়।

## ৰংদৈ দ-গাঁৱৰ সৰবৰহী ধৰ্মপৰায়ণ মহিলা মুক্তাবালা নেওগৰ বিয়োগ

**অসম বাৰ্তা, নিমাতীঘাট, ২৩ ছেপ্টেম্বৰ ঃ** উত্তৰ যোৰহাট ৰংদৈ দ-গাঁও নিবাসী মুক্তাবালা নেওগ (৯৯)ৰ আজি সন্ধ্যা বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত মৃত্যু হয়। অঞ্চলটোৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে আত্মোসৎগিত সৰবৰহী মহিলা গৰাকীৰ মৃত্যুত সমগ্ৰ ৰংদৈ দ-গাঁও অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত মহিলা গৰাকীয়ে পুত্ৰ-জী, নাতি সহ এক বৃহৎ পৰিয়াল এৰি থৈ গৈছে। উল্লেখ্য এই পৰিয়ালটোৱে স্বাধীনতা-উত্তৰ কালৰে পৰা স্বজাতিৰ বাবে কাম কৰি আহিছে।

## গেলেকীত শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অভিযোগ দাখিল

**অসম বাৰ্তা, গেলেকী, ২৩ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোকস্তব্ধ অসম। শোকত ভাগি পৰিছে নৱপ্ৰজন্মৰ হাৰ্থ্ৰৱব জুবিন গাৰ্গৰ অনুৰাগী সকল। সুদূৰ চিংগাপুৰত অনুষ্ঠিত হোৱা নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে অসমৰ পৰা যোৱা জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যু কোনেও সহজভাৱে মানি লব পৰা নাই। সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা বিভিন্ন ধৰণৰ খবৰে শিল্পী গৰাকীৰ মৃত্যুৰ বিষয়টো কিছু সন্দেহৰ আৱৰ্তলৈ ঠেলি দিছে। ইতিমধ্যে এই বিষয়টোক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত সৃষ্টি হৈছে ক্ৰিয়া - প্ৰতিক্ৰিয়াৰ। তাৰ মাজতেই ৰাজ্যৰ বিভিন্ন থানাত ইখনৰ পিছত সিখন এজাহাৰ দাখিল কৰা হৈছে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে। সকলোৱে একেমুখে এই ঘটনাৰ এক উচ্চস্তৰীয় তদন্তৰ দাবী জনাইছে। ইতিমধ্যে ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়েও ইয়াৰ এক তদন্ত কৰা হ'ব বুলি ঘোষণা কৰিছে। ইতিমধ্যে এই বিষয়ে দাখিল কৰা এজাহাৰ অসম আৰক্ষীয়ে গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। ইয়াৰ সমান্তৰালকৈ শিৱসাগৰ জিলাৰ গেলেকী থানাতো গেলেকীৰ নিবাসী প্ৰাক্তন ছাত্ৰ নেতা টিংকু হাজাম নামৰ এগৰাকী ব্যক্তিয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক সমিতিৰ বিষয়ববীয়া শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে উচ্চস্তৰীয় তদন্ত কৰি বিহিত ব্যৱস্থা লবৰ বাবে গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ যোগেদি শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষকলৈ এখন লিখিত আবেদন দাখিল কৰিছে। অভিযোগ পত্ৰ খনত প্ৰাক্তন ছাত্ৰ নেতা জনে উল্লেখ কৰিছে যে "যোৱা শুক্ৰবাৰে আমাৰ মাজৰ পৰা জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আকস্মিকভাৱে হেৰাই যোৱা খবৰটোৱে সমগ্ৰ অসমবাসীক শোকত মৰ্মাহত কৰিছে আৰু জনপ্ৰিয় শিল্পী গৰাকীৰ এগৰাকী অনুৰাগী হিচাপে আমাকো ভাৰাক্ৰান্ত কৰি তুলিছে। অতি দুখৰ কথা এই যে শাৰীৰিক ভাৱে সম্পূৰ্ণ অসুস্থ শিল্পীগৰাকীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলত অংশ গ্ৰহণ কৰিবলৈ গৈ সাগৰত সাতুৰি থকা অৱস্থাত মৃত্যু হোৱা ঘটনা আমি কোনোপধ্যে সহজ ভাৱে লব পৰা নাই আৰু ই এক গভীৰ ষড়যন্ত্ৰ কৰি কৰা পৰিকল্পিত হত্যাকাণ্ড বুলি অনুভৱ কৰিছোঁ।" গতিকে ইয়াৰ যোগেদি এক উচিত আৰু নিৰপেক্ষ তদন্ত হ'ব বুলি প্ৰাক্তন ছাত্ৰ নেতা জনে আশা প্ৰকাশ কৰিছে। ইতিমধ্যে CID ৰ এটা দলে আজি পুৱাই আহি গেলেকী থানাত উপস্থিত হৈ টিংকু হাজামৰ পৰা সাক্ষ্য গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে।

## জৰেগাঁও-বাসুগাঁৱত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি; গীত পৰিৱেশন

**অসম বাৰ্তা, বাসুগাঁও, ২৩ ছেপ্টেম্বৰ ঃ** প্ৰথিতযশা শিল্পী তথা যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰপ হিচাপে খ্যাতি অৰ্জন কৰা জুবিন গাৰ্গৰ মৃত্যুৰ পিছত চাৰিওফালে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। আজি ৰাতিপুৱা কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ আৰক্ষী চকীৰ অন্তৰ্গত জৰেগাঁও কিৰণ সংঘৰ উদ্যোগতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। আৰম্ভণিতে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে গাঁৱৰ বিশিষ্ট বয়োজেষ্ঠ ব্যক্তি, সমাজকৰ্মী সিদ্ধেশ্বৰ ৰায় আৰু গাঁৱৰ গাঁওবুঢ়া ৰূপনাথ ৰায়ে। মাল্যৰ্পণ কৰে শিক্ষক-সমাজকৰ্মী সুকুমাৰ ৰায় আৰু জৰেগাঁও কিৰণ সংঘৰ সম্পাদক ৰঞ্জন ৰায়। প্ৰয়াত জুবিন গাৰ্গৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ বাবে এক মিনিট যৌনতা অৱলম্বন কৰা হয়। ইয়াৰ অন্তত জুবিন গাৰ্গৰ অনুৰাগী শিল্পী অৰ্জুন ৰায়ে 'মায়াবিনী' শীৰ্ষক গীতটি আওৰাই দিয়ে। গাঁৱৰ বয়োজেষ্ঠ, যুৱক-যুৱতী স্বত: স্ফুৰ্ট ভাৱে উপস্থিত হৈ অনুষ্ঠানটি সাফল্য মণ্ডিত কৰি তোলাত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে জৰেগাঁও কিৰণ সংঘৰ সভাপতি ভৃগু মুনি ৰায়ে। তেওঁ কয় যে মৃত্যুৰ আগমূহূৰ্ত লৈকে জুবিন গাৰ্গক বেয়া পাইছিলোঁ যদিও মৃত্যুৰ বাতৰিয়ে মনত আঘাত দিছে, বৰকৈ দুখ পাইছোঁ। যোৱা কালি সন্ধিয়া বাসুগাঁও শাখা সাহিত্য সভাইও শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। শাখা সাহিত্য সভাৰ সম্পাদক পবিত্ৰ কুমাৰ ৰায়ে আঁতধৰা অনুষ্ঠানটিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে শাখা সভাৰ সভাপতি হিতৰাম ভৰালী, চিৰাং জিলা সমিতিৰ সভাপতি উপেন ৰায়, শাখাৰ প্ৰাক্তন সভাপতি দিলীপ কুমাৰ ৰায়, কৰেন্দ্ৰ চন্দ্ৰ দাস ইত্যাদি। অনুষ্ঠানটিত হিতৰাম ভৰালীয়ে জুবিন গাৰ্গৰ জীৱন আৰু কৃতিৰ ওপৰত প্ৰণালী বদ্ধভাৱে সাৱলীল বক্তব্য দাঙি ধৰে।

## নমাটিত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, নমাটি, ২৩ ছেপ্টেম্বৰ ঃ** অসমৰ অমূল্য সম্পদ, সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্ট'থ্ৰৱ জুবিন গাৰ্গৰ অকাল বিয়োগত স্থানীয় নমাটি হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সমন্বিতে নমাটিৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতী, পুৰুষ-মহিলাকে ধৰি বিভিন্ন স্তৰৰ লোকে এক বিশাল শোভাযাত্ৰা কৰি নমাটি হাইস্কুল খেলপথাৰত সমবেত হৈ মহান শিল্পী গৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## মায়ঙত অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৩ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যান্য প্ৰান্তৰ লগতে মৰিগাঁও জিলাৰ মায়ঙতো বিগত তিনি দিন ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত ধাৰাবাহিকভাৱে অসমীয়াৰ হিয়াৰ আমঠু, জনতাৰ শিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠান ৰূপায়ণ কৰি থকা হৈছে। যোৱা ২১ চেপ্তেম্বৰ তাৰিখে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ অন্তৰ্গত মায়ং শাখাৰ উদ্যোগত, মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ, মায়ং শাখা কবি সন্মিলন আৰু মায়ং-পবিতৰা ট্যুৰিষ্ট গাইড এচোছিয়েশ্যনৰ সহযোগত মায়ং তিনিআলিতে এটি ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত ড° ফণীভূষণ নাথ, লোকেন্দ্ৰ হাজৰিকা, ড° উৎপল নাথ, মনোজ কুমাৰ নাথ, নজৰুল ইছলাম, দিলীপ কুমাৰ নাথ, ৰেণুপ্ৰভা লস্কৰ মেধি, কবিতা ডেকা, দুৰ্গেশ্বৰ নাথ, চন্দ্ৰ কান্ত বড়া, চিনুপ্ৰভা দেৱী, বিকাশ ঠাকুৰীয়াকে ধৰি আয়োজক আটাইকেইটা অনুষ্ঠানৰ বিষয়-ববীয়া আৰু সদস্য সকলৰ বাহিৰেও ভালে সংখ্যক সংস্কৃতি প্ৰেমী তথা জুবিন অনুৰাগী নতুন প্ৰজন্মৰ যুৱক-যুৱতী উপস্থিত থাকি প্ৰয়াত শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। আনহাতে একেটা দিনতে মায়ঙৰ হাতীমুৰীয়া, সতিভেটি আৰু ৰজামায়ং গাঁৱৰ লগতে আটাইকেইখন গাঁৱতে গাঁওবাসীৰ উদ্যোগত পৃথকে পৃথকে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। আজি ২২ চেপ্তেম্বৰ তাৰিখেও মায়ঙৰ যুৱ প্ৰজন্মৰ উদ্যোগত শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে সমগ্ৰ মায়ং সামৰি এটি বৃহৎ শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত মায়ঙৰ সহস্ৰাধিক যুৱক-যুৱতীয়ে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ২০ চেপ্তেম্বৰ তাৰিখেও মায়ং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে এটি শোভাযাত্ৰা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ বাহিৰেও পবিতৰা অভয়াৰণ্য, মায়ং আঞ্চলিক মহাবিদ্যালয়, মায়ং আঞ্চলিক ক্ৰীড়া সংস্থা, মায়ং শাখা সাহিত্য সভা, মায়ং বজাৰ পৰিচালনা সমিতি, মায়ং বিহু সুৰক্ষা সমিতি, মায়ং আঞ্চলিক লক্ষ্মী পূজা উদ্‌যাপন সমিতিকে ধৰি অঞ্চলটোৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানে পৃথকে পৃথকে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি জনতাৰ শিল্পী প্ৰয়াত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে শিল্পী গৰাকীৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

**সংগীতৰ ভগৱানৰ মৃত্যুত চতুৰ্থ দিনাও শোক স্তব্ধ ঐতিহাসিক শিৱসাগৰ**

# জুবিনৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পনৰ দাবীত শিৱসাগৰত ৰাষ্ট্ৰীয় পথ অৱৰোধ



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৩ ছেপ্টেম্বৰ ঃ** অসমীয়া সংগীতৰ ভগৱানস্বৰূপ তথা নৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ মৃত্যুত আকস্মিক মৃত্যুত আজি চতুৰ্থ দিনাও শোক স্তব্ধ হৈ পৰিছে ঐতিহাসিক শিৱসাগৰ। ১৯ ছেপ্টেম্বৰৰ পৰা আজি পৰ্যন্ত শিৱসাগৰৰ সকলো বজাৰ- সমাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ থকা পৰিলক্ষিত হয়। সকলোৱে সকলো কাম কাজ এৰি নগৰৰ দলমুখ চাৰিআলিৰ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ সন্মুখত থকা জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নিশা পৰ্যন্ত কটোৱাৰ লগতে প্ৰিয় শিল্পী গৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জনোৱা দেখা গৈছে। আজি নগৰৰ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি স্থানত জুবিন প্ৰেমী ৰাইজ আৰু জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বত উপস্থিতিত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। প্ৰতিবাদী সভাত প্ৰতিবাদকাৰী সকলে -জুবিন হত্যাৰ বিচাৰ লাগে, সিদ্ধাৰ্থ -শ্যামকানুক গ্ৰেপ্তাৰ কৰক, জুবিন গাৰ্গ অমৰ হওক শীৰ্ষক বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তুলে। আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈৰ উপস্থিতিত অনুষ্ঠিত এই প্ৰতিবাদী সভাত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই কয় যে, সংগীত সূৰ্য ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ পিছত যেনেদৰে আমি দ্বিতীয় এগৰাকী ভূপেন হাজৰিকাৰ দৰে মনিষীক নাপালোঁ। ঠিক তেনেদৰে অসমীয়া বুকুৰ আপোন জুবিন গাৰ্গৰ মৃত্যুৰ পিছত এশ বছৰৰ পাছতো অসমীয়া জাতিয়ে দ্বিতীয় জুবিন গাৰ্গক ঘূৰাই নাপাওঁ। আমাৰ এই প্ৰতিবাদ কোনো চৰকাৰ অথবা প্ৰশাসনৰ বিৰুদ্ধে নহয়, আমাৰ প্ৰতিবাদ জুবিন গাৰ্গৰ ন্যায়ৰ অৰ্থে কৰা গণতান্ত্ৰিক প্ৰতিবাদ। জুবিন গাৰ্গৰ দৰে মানৱতাবাদী মহান শিল্পীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সৈতে শ্যমকানু মহন্তৰ দৰে শিৱসাগৰীয়াৰ নাম জড়িত হৈ পৰাত আমি শিৱসাগৰবাসী হিচাপে লজ্জিত হৈছোঁ। শ্যামকানু, সিদ্ধাৰ্থৰ দৰে অভিযুক্ত ব্যক্তি সকলে তৎকালীন ভাৱে অসম আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰি জুবিনৰ মৃত্যু ৰহস্য ভেদ কৰাৰ ক্ষেত্ৰত অসম আৰক্ষীক সহযোগ কৰা উচিত। জুবিন গাৰ্গ অসমীয়াৰ হৃদয়ত সদায় আছে আৰু থাকিব। জুবিন বৰঠাকুৰক যোৰহাটৰ ৰাইজে জুবিন গাৰ্গ হিচাপে চিনাকি কৰি দিছিল। সেয়ে যোৰহাটৰ ৰাইজৰ আবেগ অনুভূতিক সন্মান জনাই জুবিনৰ নশ্বৰ দেহ বিশেষ বিমানেৰে যোৰহাটলৈ অনাৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতি মনিৰুল ইছলাম বড়াই আহ্বান জনায়। অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশজ্যোতি দাসে কয় যে, জুবিনৰ সমাধি ক্ষেত্ৰ গুৱাহাটীৰ পৰিৱৰ্তে যোৰহাটত হোৱাটো শিৱসাগৰবাসীয়ে মনে প্ৰাণে কামনা কৰে। জুবিন গাৰ্গৰ মৃত্যু কেতিয়াও স্বাভাৱিক নহয়। ই এক পৰিকল্পিত হত্যাকাণ্ড বুলি সমগ্ৰ অসমৰ সামাজিক মাধ্যমত ব্যাপক চৰ্চা হৈছে। ইয়াৰ সৈতে জড়িত সকলৰ বিৰুদ্ধে ৫৪খন এজাহাৰ পৰিছে। অসম চৰকাৰে এই ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ দায়িত্ব চি আই ডি দিছে। এই তদন্তৰ দায়িত্ব চি আই ডিৰ পৰিৱৰ্তে চি বি আইৰ হাতত অৰ্পন কৰিবলৈ পৰশজ্যোতি দাসে দাবী জনায়। সভাত সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ সভাপতি দেৱজিৎ দত্তই কয় যে, এটা সাধাৰণ ঘটনাত জড়িত অভিযুক্তকো চৰকাৰৰ নিৰ্দেশত আৰক্ষীয়ে বহি: ৰাজ্যৰ পৰা গ্ৰেপ্তাৰ কৰে যদিও জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ সৈতে জড়িত বুলি অভিযোগ উঠা সকলক আৰক্ষীয়ে আজি পৰ্যন্ত গ্ৰেপ্তাৰ নকৰাতো অতি দুৰ্ভাগ্যজনক। জুবিনৰ দৰে মহান শিল্পীৰ মৃত্যু ৰহস্য ভেদ কৰাৰ বাবে এই তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰিব্‌হি লাগিব বুলি দেৱজিৎ দত্তই মন্তব্য কৰে। ইয়াৰ পাছতেই বিয়লি ১ বজাত পাচ শতাধিক জুবিন প্ৰেমী প্ৰতিবাদী জনতাই জুবিন গাৰ্গৰ পৰিকল্পিত হত্যাকাণ্ডৰ সৈতে জড়িত অভিযুক্ত সকলক তৎকালীন ভাৱে গ্ৰেপ্তাৰৰ দাবীত শিৱসাগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

## কচুৱাৰ লংজাপ পদুমণিত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, কচুৱা, ২৩ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱাৰ লংজাপ পদুমণি বজাৰ কমিটি আৰু ৰাইজৰ উপস্থিতিত অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি শিল্পী গৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই। লগতে শিল্পী গৰাকীৰ আত্মাৰ সদগতিৰ বাবে ১ মিনিট মৌন প্ৰাৰ্থনা কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে সমাজসেৱক ছাহ জাহান আলী, কামাল উদ্দিন, শোকলাল মজুমদাৰ, আহমেদ আলী, আব্দুল ৰহিম, জবেদ আলী, এবাদদ আলীসহ বহু বিশিষ্ট ব্যক্তিসকল। প্ৰিয় কণ্ঠশিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাই আবেগিক হৈ পৰে অঞ্চলবাসী।

## মৰিগাঁও জিলা কবি সন্মিলনৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, মৰিগাঁও, ২৩ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা কবি সন্মিলনে সদৰ শাখা কবি সন্মিলন আৰু মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহযোগত আজি বিয়লি শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। মৰিগাঁও জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকা, জিলা কবি সন্মিলনৰ উপদেষ্টা বিৰিঞ্চি শৰ্মা, সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক ভৱেন চন্দ্ৰ নাথ, সদৰ শাখা কবি সন্মিলনৰ সভাপতি জগদীশ নাথ, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ড° অচ্যুৎ কুমাৰ দাস, মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰে বন্তিপ্ৰজ্বলন কৰি শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে। মৰিগাঁৱৰ নভেটিত অনুষ্ঠিত অনুষ্ঠানত সদৰ শাখা কবি সন্মিলনৰ সম্পাদক দেৱজিৎ ডেকা, প্ৰচাৰ সম্পাদক অনুপ কুমাৰ দাস, পত্ৰিকা সম্পাদিকা কল্পনা দেৱী, কবি ঝৰ্ণা শৰ্মা, কাশ্মীৰি ডেকা, অৰুণিমা নাথ প্ৰমুখ্যে অৰ্ধশতাধিক জুবিন অনুৰাগীয়ে ' মায়িবিনি ' গীতটি সমস্বৰে পৰিৱেশন কৰি প্ৰাণৰ শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে।

## নগাঁৱৰ কচুৱাৰ প্ৰমিলা শংকৰদেৱ হাইস্কুলৰ সহকাৰী শিক্ষক আব্দুল বাতেনক নিলম্বন

**অসম বাৰ্তা, কামপুৰ, ২৩ ছেপ্টেম্বৰ ঃ** নিজা বিদ্যালয়ৰ এগৰাকী কাৰ্যালয় সহায়িকাক যৌন নিৰ্যাতন কৰাৰ অভিযোগত ৰঙাঘৰৰ ভাত খাব লগীয়া হোৱা নগাঁও জিলাৰ প্ৰমিলা শংকৰদেৱ হাইস্কুলৰ সহকাৰী শিক্ষক আব্দুল বাতেনক নিলম্বন কলিছে জিলা বিদ্যালয় পৰিদৰ্শকে। উল্লেখ্য যে বিদ্যালয় খনৰ এগৰাকী কাৰ্যালয় সহায়িকাই কচুৱা থানাত দিয়া এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতা (বিএনএছ), ২০২৩ৰ ৭৪, ৭৫(১), ৭৫(২), আৰু ৭৯ধাৰাৰ অধীনত এক গোচৰ ৰুজু হৈছে আৰু ইতিমধ্যেই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে শিক্ষকজনক। উল্লেখ্য যে যোৱা ১৪ ছেপ্তেমবৰত শিক্ষক জনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল যদিও ১৯ ছেপ্তেম্বৰত হে জিলা শিক্ষা বিষয়া গৰাকীয়ে নিলম্বনৰ নিৰ্দেশ দিয়ে। শিক্ষক আব্দুল বাতেনৰ বিৰুদ্ধে স্থানীয় ৰাইজে নগাঁও জিলাৰ আয়ুক্তকো অভিযোগ দাখিল কৰিছিল। এইজন প্ৰধান শিক্ষক আব্দুল বাতেনে সহায়িকা গৰাকীক বহু দিনৰে পৰা বহু ধৰণৰ অভদ্ৰামি কৰ অহাৰোপৰি প্ৰায়েই কেতিয়াবা কেতিয়াবা ৰাতি ৰাতি সহায়িকা গৰাকীক ফোনত নানাধৰণৰ কথাৰে অনেক ধৰণৰ আমনি কৰে বুলি অভিভাৱক ৰাইজক জানিবলৈ দিয়ে। ৰাইজে এনে এজন অসৎ চৰিত্ৰৰ শিক্ষকক চাকৰিৰ পৰা বহিষ্কাৰলৈ দাবী কৰিছে।

## আউনীআটী সত্ৰত আতা বসন্ত হাজৰিকাৰ স্মৃতিচাৰণ সভা

### স্মৃতিগ্ৰন্থ 'বসন্ত সুবাস' উন্মোচন

**অসম বাৰ্তা, আমগুৰি, ২৩ ছেপ্টেম্বৰ ঃ** জীয়াই থকালৈকেহে জীৱন। উশাহ গুচি যোৱা মানেই জীৱন শূন্য। সেইবাবেই জীৱনক মানুহে সৃষ্টিশীল কামেৰে সজাব লাগে। মানুহ মিলাপ্ৰীতিৰে মানুহৰ স'তে থাকি সমাজখন গঢ়িব লাগে। জীৱন আৰু সমাজক সঠিককৈ গঢ়িবলৈ হ'লে মানুহৰ মনত আধ্যাত্মিকতাও থাকিব লাগিব। শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ অন্তৰ্গত শিৱসাগৰ জিলাৰ আমগুৰিস্থিত ভূঞাহাট শাখা সত্ৰৰ পাঁচনি তথা বৰণ্য বৈষ্ণৱ বসন্ত কুমাৰ হাজৰিকাৰ স্মৃতিত প্ৰকাশিত 'বসন্ত সুবাস' নামৰ গ্ৰন্থখন উন্মোচন কৰি এইদৰে কয় বিশিষ্ট শিক্ষাবিদ তথা আধ্যাত্মিক বক্তা তুৰাৰাম খনিকৰে। এই উপলক্ষে যোৱা ২২ চেপ্তেম্বৰত শ্ৰীশ্ৰী আউনীআটী ভূঞাহাট শাখা সত্ৰত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখন বন্তি প্ৰজ্বলনেৰে মুকলি কৰে বিশিষ্ট সাহিত্যিক তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকনে। অধ্যাপক-লেখক প্ৰাঞ্জল প্ৰতিম বড়াই আঁত ধৰা এই অনুষ্ঠানৰ আৰম্ভণিতে যোৱা ২৮ চেপ্তেম্বৰত ছিংগাপুৰত আকস্মিকভাৱে মহাপ্ৰয়াণ ঘটা হিয়াৰ আমঠু কিম্বদন্তি শিল্পী জুবিন গাৰ্গৰ স্মৃতিত অনুষ্ঠানত উপস্থিত থকা অৰুণাচল প্ৰদেশ, ডিব্ৰুগড়, জাগুন, নাহৰকটীয়া, মাজুলী, টীয়ক কলীয়াপানী, চাৰিং ইত্যাদি অঞ্চলৰ পৰা অহা ভকত বৈষ্ণৱৰ লগতে সত্ৰৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজ সমবেত হৈ প্ৰাৰ্থনা পৰিবেশন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি প্ৰফুল্ল নেওগ, সম্পাদক প্ৰাঞ্জল প্ৰতিম বড়া আৰু শিক্ষক বীৰেন ভূঞা, দিগন্ত খাৰঘৰীয়া, মৃগেন নেওগ আৰু পৰাগ তামোলীৰ তত্ত্বাৱধানত অনুষ্ঠিত এইসভাত যোৰহাট চি কে বি বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিমল শইকীয়া, সমাজকৰ্মী দুলাল বৰুৱা, কাশীনাথ পাত্ৰ, ৰমেন চেতিয়া, ৰুবুল দুৱৰা, হেমন্ত কুমাৰ বৰা, দিলীপ কুমাৰ দুৱৰা, ৱাৰ্ড সদস্য সমীৰণ দত্ত, স্থানীয় শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰী প্ৰমুখ্যে বহু গণ্যমান্য বক্তি উপস্থিত থাকে আৰু উপস্থিত ৰাইজৰ পৰা জাঁজী হেমনাথ শৰ্মা কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল কুমাৰ গগৈ আৰু অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী দিপালী শইকীয়া বৰুৱাই বক্তব্য প্ৰদান কৰে।

## হাৰ্টথ্ৰৱ জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাই গৰৈমাৰীত বন্ধ পালন

**অসম বাৰ্তা, গৰৈমাৰী, ২৩ ছেপ্টেম্বৰ ঃ** হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত শোকস্তব্ধ হৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে ছময়ীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি বন্ধ পালন কৰে। জানিব পৰামতে আজি মফচলীয়া চহৰ গৰৈমাৰী বজাৰ ব্যৱসায়ী সন্থাৰ আহ্বানমৰ্মে সকলো দোকান -পোহাৰ পুৱাৰে পৰা দিনৰ দুই বজালৈ বন্ধ ৰাখি হাটথ্ৰৱ জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনায়। উল্লেখ্য যে, আদৰৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত গৰৈমাৰীৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিদেশী আত্মাৰ সদগতি কামনা কৰিছে।

## বাসুগাঁও মিলন সংঘৰ উদ্যোগত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বাসুগাঁও, ২৩ ছেপ্টেম্বৰ ঃ** প্ৰথিতযশা জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পিছত অসমৰ উপৰিও বিভিন্ন ঠাইত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। চিৰাং জিলাৰ সীমামূৰীয়া বাসুগাঁও চহৰৰ মিলন সংঘৰ উদ্যোগতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি সন্ধিয়া অনুষ্ঠিত হয়। প্ৰয়াত যশস্বী শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, মাল্যৰ্পন আৰু জুবিন গাৰ্গ সম্পৰ্কে বক্তব্য দাঙি ধৰা হয়। বন্তি প্ৰজ্বলন কৰে বাসুগাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক, জেষ্ঠ শিল্পী অজিত কুমাৰ নন্দী, মাল্যৰ্পণ কৰে সমাজ সেৱক প্ৰণৱ কুমাৰ ৰায়ে। তেওঁলোক দুয়োগৰাকীয়ে প্ৰথিতযশা শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগত শোঁকত ভাগি পৰা লক্ষ লক্ষ অনুৰাগী সকলে সৃষ্টি কৰা পৰিৱেশনৰ ওপৰত উল্লেখ কৰে। জুবিন গাৰ্গ কেৱল অসমৰে নহয় সকলোৰে মাজত জনপ্ৰিয়। অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মনত ঠাই পোৱা মানুহ জনেই হৈছে জুবিন গাৰ্গ। তেওঁৰ স্মৃতি আমি যুগমীয়া কৰি ৰাখিব লাগিব। এইবুলি কয় তেওঁলোকে। জুবিন গাৰ্গৰ দুৰ্ঘটনা নহয় তেওঁক পৰিকল্পিত ভাবে নিখুঁত ভাৱে হত্যা কৰা হৈছিল বুলি উপস্থিত একাংশই সন্দেহ প্ৰকাশ কৰি কোৱা-কুই কৰে। অনুষ্ঠানটিৰ আঁতধৰে অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী উপেন ৰায় আৰু দিলীপ কুমাৰ ৰায়ে। উল্লেখযোগ্য যে ইতিমধ্যে বাসুগাঁও প্ৰেছ ক্লাব, বাসুগাঁও আঞ্চলিক ছাত্ৰ সন্থা, মেধিপাৰা বাসী ৰাইজ, বাসুগাঁও শাখা সাহিত্য সভা, হেল্পিং হেণ্ড স্বেচ্ছাসেৱী সংস্থা, গোগলাপাৰা বাসী ৰাইজ, ৰাজাছাৰাং বাসী ৰাইজ, উলুবাৰী-খটালপাৰা বাসী ৰাইজ, জৰেগাঁও কিৰণ সংঘ ইত্যাদি অনুষ্ঠান-প্ৰতিষ্ঠান, সংঘ-সংস্থাই প্ৰয়াত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়। একাংশ অনুষ্ঠানে প্ৰয়াত জুবিন গাৰ্গৰ জনপ্ৰিয় আৰু কালজয়ী গীত সমূহো পৰিৱেশন কৰাৰ উপৰিও একাংশ অনুষ্ঠানে সমদল উলিয়াই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# বৰমপুৰ প্ৰেছক্লাবৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

## "ভাৰতৰত্ন" সন্মান প্ৰদানৰ দাবী

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু, বৰেণ্য কণ্ঠশিল্পী জুবিন গাৰ্গৰ বিয়োগৰ পবিত্ৰ স্মৃতিত আজি বৰমপুৰ প্ৰেছ ক্লাবে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। বৰমপুৰস্থিত শ্ৰীমন্ত শংকৰ মিছন অন্ধ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষয়িত্ৰী গুণ বৰাই। ইয়াৰ পিছতে বৰমপুৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰমুখ্যে আন বিষয়ববীয়া, সদস্যৰ লগতে আমন্ত্ৰিত অতিথি আৰু বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে সকলোৱে জুবিন গাৰ্গৰ এটি জনপ্ৰিয় গীত পৰিবেশন কৰে। বৰমপুৰ প্ৰেছ ক্লাবৰ সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানটোত প্ৰধান শিক্ষয়িত্ৰী গুণ বৰা, সাংস্কৃতিক কৰ্মী দিলীপ দাস, প্ৰেছ ক্লাবৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়া, ক্লাবৰ প্ৰাক্তন সম্পাদক জয়ন্ত বৰাই শিল্পী জুবিন গাৰ্গৰ আদৰ্শ আৰু কৰ্মৰাজিক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে তেওঁৰ সৃষ্টিৰাজি আমাৰ মাজত সদায় জীয়াই ৰাখিব লাগিব বুলি মন্তব্য কৰে। লগতে শিল্পী জুবিন গাৰ্গৰ মৃত্যু অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি ভাষণত উল্লেখ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ জৰিয়তে মানৱ দৰদী ব্যক্তি, ৰাষ্ট্ৰীয় পৰ্যায়ৰ নমস্য কণ্ঠশিল্পী, চলচ্চিত্ৰ পৰিচালক, অভিনেতা জুবিন গাৰ্গলৈ মৰণোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান "ভাৰতৰত্ন"ৰে সন্মানিত কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ "বৰমপুৰ প্ৰেছ ক্লাব"ৰ তৰফৰ পৰা দাবী জনায়।

# জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত মৃত্যু নাজিৰাৰ মহিলাৰ

**অসম বাৰ্তা, নামতি, ২৩ ছেপ্টেম্বৰ ঃ** জনতাৰ শিল্পী, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ খবৰে ৰাজ্যবাসীক শোকস্তব্ধ কৰি তোলাৰ সময়তে আজি মহান শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া কাৰ্য চলি থকাৰ দৃশ্য দূৰদৰ্শত চাই থকা অৱস্থাত নাজিৰাত এগৰাকী প্ৰায় ৫৪ বছৰীয়া মহিলা হৃদৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি ঘটে বুলি জানিব দিয়ে। নাজিৰা চাৰিআলিৰ সমীপৰ হনুমান ক্লথ ষ্ট'ৰৰ স্বত্বাধিকাৰী নাৰায়ণ আগৰৱালাৰ সহধৰ্মিনী সুনিতা আগৰৱালাই নাজিৰাৰ বাপুজী পথৰ নিজা বাসগৃহত অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া কাৰ্য দূৰদৰ্শনত চাই থকাৰ সময়তে প্ৰায় ১১-২৫ বজাত হৃদৰোগত আক্ৰান্ত হৈ লগে লগে পৰলোক ঘটে। মৃত্যুৰ সময়ত সুনিতা আগৰৱালাই স্বামীৰ লগতে এজন পুত্ৰ আৰু দুগৰাকী কন্যাসহ ইহসংসাৰত এৰিথৈ গৈছে। মহিলাগৰাকীৰ অকাল মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# জুবিন গাৰ্গৰ চিৰশান্তি কামনাৰে জাঁজী হেমনাথ শৰ্মা কলেজৰ ছাত্ৰ একতা সভাৰ বন্তি প্ৰজ্বলন

**অসম বাৰ্তা, জাঁজী, ২৩ ছেপ্টেম্বৰ ঃ** হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গক আকস্মিকভাৱে হেৰুৱাই শোকত ম্ৰিয়মাণ ছাত্ৰ-ছাত্ৰী সমাজ। ব্যতিক্ৰম নহয় বৃহত্তৰ জাঁজী অঞ্চলৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। জনপ্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলে যোৱা ২০ ছেপ্তেম্বৰৰ সন্ধিয়া মহাবিদ্যালয়ৰ প্ৰাংগনত শিল্পীগৰাকীৰ স্থিৰ চিত্ৰ আঁকি বন্তি প্ৰজ্বলন কৰে। ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চিত্ৰৰঞ্জন সন্দিকৈয়ে আঁত ধৰা এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মিনতি গগৈ বৰুৱা আৰু প্ৰাঞ্জল প্ৰতিম বড়াই শিল্পীগৰাকীৰ জীৱন দৰ্শনৰ আলোকপাত কৰি শোকবিহ্বল বক্তব্য প্ৰদান কৰে। অংকুৰ শইকীয়া, শিল্পা গগৈ, বৰ্ষাৰাণী দত্ত, অম্লানজ্যোতি বৰুৱা, ৰিমঝিম দত্ত, প্ৰণামী শইকীয়া প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰী প্ৰতিনিধিৰ প্ৰচেষ্টাত আয়োজিত এই শ্ৰদ্ধাৰ্ঘ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলে সমবেতভাৱে বৰেণ্য শিল্পীগৰাকীৰ গীত আওৰাওতে উপস্থিত সকলোৰে চকু সেমেকি উঠিছিল। মৰমৰ শিল্পীগৰাকীৰ সৃষ্টিশীল শিল্পক জীয়াই ৰখাৰ অংগীকাৰ কৰি ছাত্ৰ-ছাত্ৰীসকল উচুপি উঠিছিল। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সহকাৰী অধ্যাপিকা প্ৰস্তুতিতা দুৱৰা আৰু জাঁজী ছাত্ৰ সন্থাৰ উপদেষ্টা উজ্জ্বল দত্তৰ লগতে বহুকেইজন ছাত্ৰ সংগঠনৰ সদস্য উপস্থিত থাকে।

# সৰপাৰা ফ্ৰেণ্ডচ্ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া দশেৰা উৎসৱ বাতিল

**অসম বাৰ্তা, মিৰ্জা, ২৩ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপত সৰ্বপ্ৰথম দশেৰা উৎসৱ উদ্‌যাপন কৰা এটি জনপ্ৰিয় ক্লাব হৈছে সৰপাৰা ফ্ৰেণ্ডচ্ ক্লাব। দক্ষিণ কামৰূপৰ পলাশবাৰীৰ সমষ্টিৰ অন্তৰ্গত সৰপাৰাৰ সৰপাৰা ফ্ৰেণ্ডচ্ ক্লাবে বিগত ৯টা বছৰে আৰ বি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত ব্যয় বহুল কাৰ্যসূচীৰে উলহ-মালহেৰে অনুষ্ঠিত কৰি আহিছিল দশেৰা উৎসৱ। ৰাষ্ট্ৰীয় মঞ্চত সুনাম কঢ়িয়াই অনা কণ্ঠশিল্পী প্ৰতিবছৰে নিমন্ত্ৰণ কৰা হৈছিল এই অনুষ্ঠানলৈ। ১০০ৰ পৰা ১৫০ ফুট উচ্চতাৰ ৰাৱণৰ প্ৰতিমূৰ্তি দাহ কৰা হৈছিল এই অনুষ্ঠানত। একেদৰে এই বেলিও ১৫০ ফুট উচ্চতাৰ ৰাৱণ নিৰ্মাণৰ কাম চলি আছিল দ্ৰুত গতিত। প্ৰায় ৫০ শতাংশ কাম হৈ উঠিছিল ৰাৱণৰ প্ৰতিমূৰ্তি। উক্ত অনুষ্ঠানত সংগীত পৰিবেশনৰ বাবে নিমন্ত্ৰণ কৰা হৈছিল জি টিভিৰ জনপ্ৰিয় সংগীতানুষ্ঠান চা ৰে গা মা পাৰ ২০২৩ বৰ্ষৰ ফাইনেলিষ্ট বুলেট বি ওৱান নামৰ কণ্ঠশিল্পী গৰাকীক। কিন্তু অহা ২ অক্টোবৰত আয়োজন কৰা এই দশেৰা উৎসৱটো অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই বাতিল কৰা হৈছে। সৰপাৰা ফ্ৰেণ্ডছ ক্লাবৰ বিষয় ববীয়াই জানিব দিয়া অনুসৰি শেহতীয়াকৈ বিষয় ববীয়াৰ মাজত অনুষ্ঠিত এক জৰুৰী সভাত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হ'য়। সেয়ে সমূহ ভক্ত দৰ্শনাৰ্থী-শুভাকাংক্ষীৰ ওচৰত এই অনুষ্ঠানটি বাতিল কৰিব' লগিয়া হোৱা বাবে ক্লাবটোৱে দুখ প্ৰকাশ কৰে।

# জুবিন গাৰ্গলৈ দক্ষিণ কামৰূপ ক্ৰিকেট ক্লাবৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, মিৰ্জা, ২৩ ছেপ্টেম্বৰ ঃ** অসম তথা অসমীয়াৰ অমূল্য সম্পদ জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে মৰ্মাহত কৰিছে প্ৰতিগৰাকী অসমীয়াক। বুজাব নোৱাৰা দুখ বুকুত বান্ধি ৰাজ্যৰ প্ৰতিটো প্ৰান্তত জুবিন গাৰ্গক সন্মান জনাই স্মৰণ কৰি অনুষ্ঠিত কৰা হৈছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু উলিওৱা হৈছে বৃহৎ বৃহৎ সমদল। একেদৰে দক্ষিণ কামৰূপ ক্ৰিকেট ক্লাৱেও মিৰ্জাৰ জামৰতলত সোমবাৰে প্ৰিয় মানুহ জুবিন গাৰ্গেলৈ শ্ৰদ্ধাঞ্জলি প্ৰদান কৰাৰ উদ্দেশ্যে এক অনুষ্ঠান ৰূপায়ণ কৰে। অনুষ্ঠানত অংশ গ্ৰহণ কৰা পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কণ্ঠশিল্পী কুমাৰ ভাৰেশ, মিৰ্জা সুঁৱৰি উৎসৱ সমিতি, মিৰ্জা আঞ্চলিক দুৰ্গাপূজা সমিতি, সদৌ অসম একত্ৰিত যুৱ পৰিষদ তথা আন আন বহু অনুষ্ঠান প্ৰতিষ্ঠান ও জুবিন অনুৰাগীয়ে জুবিন গাৰ্গৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে। ইয়াৰ পিছতে ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰে আৰু শেষত অনুষ্ঠানত অংশ লোৱা সকলোৱে 'মায়াবিনী ৰাতিৰ বুকুত' গীত স্বৰণ কৰে। উল্লেখ্য যে অনুষ্ঠানটোত কণ্ঠশিল্পী কুমাৰ ভাৰেশ, ক্ৰিকেট ক্লাবৰ সভাপতিৰ লগতে আন আন কেইবাগৰাকীও লোকে দুখ প্ৰকাশ কৰি নিজৰ নিজৰ বক্তব্য ৰাখে। দুখ প্ৰকাশ কৰি বিধায়ক হেমাংগ ঠাকুৰীয়াই ২০২৫ চনৰ ভিতৰতে ৰাইজৰ সহযোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি ৰক্ষাৰ্থে পলাশবাৰী সমষ্টিৰ নিৰ্দিষ্ট স্থানত জুবিন গাৰ্গৰ স্মৃতি উদ্যানৰ লগতে প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব বুলি ঘোষণা কৰে।

# অধ্যক্ষ ড° জহুৰুল ইছলামৰ নেতৃত্বত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২৩ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ লেংটিছিঙা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত স্তব্ধহৈ শিল্পী গৰাকীৰ প্ৰতি ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজত আজি অধ্যক্ষ ড০ জহুৰুল ইছলামৰ নেতৃত্বত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অধ্যক্ষ ড° জহুৰুল ইছলাম অনুষ্ঠানটোত অংশগ্ৰহণ কৰি শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন, পুষ্প অৰ্পণৰ লগতে জুবিন গাৰ্গৰ জনপ্ৰিয় গীতসমূহেৰে শোকাকুল পৰিবেশত প্ৰাণৰ শিল্পী গৰাকীক স্মৰণ কৰে। ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে শিল্পী জীৱনৰ অৱদানৰ কথা স্মৰণ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰিয় শিল্পী গৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোৰ আত ধৰে ড° জহুৰুল ইছলামৰ লগতে ড° আব্দুছ ছবুৰ। ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগত সংগতি ৰাখি বৃহত্তৰ লেংটিছিঙা অঞ্চলৰ ব্যৱসায়ী তথা বজাৰৰ দোকান পোহাৰ সন্ধিয়া ৬ বজালৈ বন্ধ ৰাখি প্ৰাণৰ শিল্পী গৰাকীলৈ গভীৰ শোক প্ৰকাশ কৰে।

# ৰূপহীহাটৰ লটানী চাপৰি জনসেৱা বহুমুখী জাতীয় বিদ্যালয়ত জুবিনক স্মৰণ

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ ছেপ্টেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পিছত ৰাজ্যজুৰি বিয়পি পৰিছে শোকৰ ছাঁ। প্ৰাণৰ শিল্পী জুবিনৰ অকাল মৃত্যুৰ খবৰে মৰ্মাহ কৰিছে অসমবাসীক। জুবিনৰ আত্মাৰ সদগতি কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছে ৰাজ্যবাসীয়ে। তাৰ সমান্তৰালকৈ চামগুৰিৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় লটানী চাপৰি জনসেৱা বহুমুখী জাতীয় বিদ্যালয় ও ছিনিয়ৰ চেকণ্ডৰী স্কুলত দেখা গৈছে এক আবেগিক পৰিৱেশ। বিদ্যালয়খনত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতে দেখা গৈছে কৰুণ দৃশ্য। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰীয়ে জুবিন গাৰ্গৰ আত্মাৰ সদগতি কামনা কৰি ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। তাৰ সমান্তৰালকৈ জুবিন গাৰ্গৰ আত্মাৰ সদগতি কামনা কৰি আল্লাহৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শেষত সকলোৱে একত্ৰিত হৈ জুবিন গাৰ্গৰ জনপ্ৰিয় গীত "মায়াবিনী" গীত পৰিবেশন কৰি প্ৰাণৰ শিল্পী গৰাকীলৈ শ্ৰদ্ধা নিৱেদন কৰে। জনসেৱা বহুমুখী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মোস্তাফিজুৰ ৰহমানে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আবেগিক হৈ পৰা দেখা যায়। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কলিয়াবৰ সমজিলাৰ সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ সাধাৰণ সম্পাদক মুছাদ্দাৰ আলী উপস্থিত থাকে।

# বিশিষ্ট সমাজসেৱক, ৰাজনীতিবিদ নজৰুল ইছলামৰ দেহাৱসান

**অসম বাৰ্তা, জুৰীয়া, ২৩ ছেপ্টেম্বৰ ঃ** বিশিষ্ট সমাজ সেৱক, ৰাজনীতিবিদ নজৰুল ইছলামৰ দেহাৱসান। তেখেত কেৱলমাত্ৰ সমাজ সেৱকেই নহয় তেখেত বৃহত্তৰ মেলেকাধিঙৰ গৌৰৱ, ব্ৰহ্মপুত্ৰ ভেলীৰ প্ৰথম সাধাৰণ সম্পাদক APCC, সাধাৰণ ৰাইজৰ লগৰী, সু-পৰামৰ্শদাতা, বিশিষ্ট সমাজ সেৱক, ৰাজনীতিবিদ, বুদ্ধিজীৱী তথা অজস্ৰ অজান তথ্যৰ অধিকাৰী। তেখেতৰ মৃত্যুত শোকস্তব্ধ বৃহত্তৰ জুৰীয়া অঞ্চল। সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ, দুৰ্নীতি দূৰীকৰণ কৰি সফল সমাজ গঢ়াই যেন তাৰ জীৱনৰ লক্ষ্য। সু-পৰামৰ্শৰ অধিকাৰী এইগৰাকী ব্যক্তি সকলোৰে লগত মিলি যোৱা স্বভাৱৰ আছিল। প্ৰতিগৰাকী শিশু, যুৱ সমাজকে আদি কৰি বৃদ্ধৰো মন জয়কাৰী এই গৰাকীৰ মৃত্যুত শোকাকুল হয় পৰিছে মেলেকাধিং স্থিত বাস গৃহ। লোকে লোকাৰণ্য হৈ যোৱা পৰিৱেশত উপস্থিত হৈ বহু কেইজনে বহু মন্তব্য কৰি আছে। একাংশৰ মতে তেওঁ দুখীয়াৰ বন্ধু, একাংশৰ মতে তেওঁ সু পৰামৰ্শদাতা। সমাজত তেখেতৰ অৱদানৰ বিষয়ে কৈ অন্ত কৰিব নোৱাৰি। হাফিজ মৌলানা ক্কাৰী মতিউৰ ৰহমান ঈশ্বাআতি চাহাব, আহচানাল মাৰিফ আৰু যুৱ নেতা ৰিজাউল হক ওৰফে ৰিজাৰ নেতৃত্বত শিক্ষিত যুৱক সমাজ একত্ৰিত হৈ তেখেতৰ মাগফিৰাৎ অথবা তেখেতৰ আত্মাৰ চিৰশান্তিৰ কামনাৰে দোৱা মেহফিলৰ আয়োজন কৰে।

# বৰক্ষেত্ৰীত চতুৰ্থ দিনা নিশাও শোকাকুল পৰিৱেশ

## লাৰকুছিআঞ্চলিক সমিতিৰ উদ্যোগত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৩ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসম আজি জুবিনবিহীন হৈ যেন বাকৰুদ্ধ হৈ পৰিছে। অসমবাসীৰ নয়ণৰ মণি জুবিনৰ অবৰ্তমানত সকলোতে আজি কেৱল জুবিনৰ ফটোৰ সন্মুখত চাকি ধূপ জ্বলাই জুবিনৰ গীতেৰে চৌপাশ মুখৰিত কৰি তুলিছে। প্ৰাণৰ স্পন্দনস্বৰূপ শিল্পীগৰাকীক হেৰুৱাই আবেগিক হৈ যেন সকলো ভাঙি পৰিছে। বৰক্ষেত্ৰীত আজি চতুৰ্থ দিনা নিশাও শোকাকুল পৰিৱেশ বিৰাজ কৰা দেখা যায়। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত লাৰকুছি আঞ্চলিক সমিতিৰ উদ্যোগত আজি সন্ধিয়া যুৱ-প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ একাজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। লাৰকুছি আঞ্চলিক সমিতিৰ সভাপতি ফাৰুক হুছেইন, সম্পাদক মহিদুল ইছলাম প্ৰমুখ্যে ভালেমান বিষয়ববীয়াৰ লগতে নলবাৰী জিলাৰ জিলা সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত অঞ্চলটোৰ স্থানীয় ৰাইজৰ সহযোগত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। সকলোৱে একমুখে শিল্পীগৰাকীৰ মানৱতা আৰু ধৰ্ম নিৰপেক্ষতাৰ শলাগ লৈ আবেগিক হৈ পৰে। জুবিনৰ আত্মাৰ সদগতিৰ বাবে উপস্থিত সকলোৱে এক মিনিট সময় মৌনতা অৱলম্বন কৰি প্ৰয়াত শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মায়াবিনী ৰাতিৰ বুকুত গীতৰ সুৰেৰে মুখৰিত হৈ পৰে সমগ্ৰ অঞ্চলটো।

# ডিব্ৰুগড়ত জুবিন গাৰ্গলৈ 'সম্প্ৰীতি অসম'ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন সাহিত্যাচাৰ্য ড° ভীমকান্ত বৰুৱাৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ "সম্প্ৰীতি অসম"ৰ মুখ্য কাৰ্যালয়ত এক শোক সভা অনুষ্ঠিত কৰি অসমীয়াৰ হিয়াৰ আমঠু, এক ব্যতিক্ৰমী চৰিত্ৰৰ শিল্পী, নিৰ্ভীক, স্পষ্টবাদী, অসমৰ ভোটা তৰাৰ দৰে এগৰাকী বিশাল প্ৰতিভাশালী শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। নিয়তিৰ পৰিহাসক স্বীকাৰ কৰি শিল্পী গৰাকীৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। জুবিন গাৰ্গে ইহ সংসাৰত এৰি যোৱা তেওঁৰ পৰিয়াল পৰিজনৰ সৈতে দুখৰ সমভাগী হৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়। সভাত যশস্বী শিল্পী গৰাকীৰ বিশাল প্ৰতিভাশালী ব্যক্তিত্ব আৰু ব্যতিক্ৰমী জীৱনশৈলীৰ ওপৰত আলোকপাত কৰি কেইবাজনেও বক্তব্য ৰাখে। সম্প্ৰীতি অসমৰ মুখ্য উপদেষ্টা, সাহিত্যাচাৰ্য, এমেৰিটাচ, অৱসৰী অধ্যাপক ড° ভীমকান্ত বৰুৱাৰ বক্তব্যত জুবিন গাৰ্গৰ মৃত্যুত অসমক শক্তিশালী কৰি ৰখা এটা খুটা ভাগি পৰিল বুলি মন্তব্য কৰে। সভাপতি ইন্দ্ৰ গগৈয়ে কয় যে জুবিন গাৰ্গ আচলতে এজন দেওলগা মানুহৰ দৰে আছিল। তেওঁৰ জীৱনশৈলী, চাল-চলন আৰু অগতানুগতিক শিল্পী সত্বাই তেনে ইংগিতেই বহন কৰে। তেওঁ গানতেই দি গৈছে নিজৰ আত্মজীৱনী। সম্পাদক ড° কৰবী বৰুৱা গগৈয়ে জুবিনৰ ব্যক্তিত্ব আৰু গানৰ সুৰৰ মাধুৰ্য বৰ্ণনা কৰি কবিতাৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। সভাত প্ৰাক্তন সম্পাদক সুৰজিতা সন্দিকৈ আৰু ধনভড়ালী দিগন্ত গগৈয়ে জুবিনৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰি থুলমূলীয়া বক্তব্যৰে প্ৰয়াত শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উপদেষ্টা নীলিমা বৰুৱা বাইদেৱে আলোচনাত ভাগ লৈ জুবিন গাৰ্গৰ মৃত্যুত অসমৰ এটা বহুমূলীয়া মানৱ সম্পদ হেৰাই যোৱা বুলি দুখ ব্যক্ত কৰে।

# মোৰাঝাৰত নিষিদ্ধ গো-মাংস সহ চাৰিজনজন লোক আটক

**অসম বাৰ্তা, ডবকা, ২৩ ছেপ্টেম্বৰ ঃ** যি সময়ত সমগ্ৰ ৰাজ্যৰ লগতে দেশ বাসী জুবিন গাৰ্গ'ৰ শেষ বিদায়ৰ শোকত ভাগি পৰিছে সেই সময়ত হোজাইৰ মোৰাঝাৰত নিষিদ্ধ গো-মাংস সহ চাৰিজন লোকক মোৰাঝাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোককেইজন ক্ৰমে আলতাব উদ্দিন, পাৰুল আহমেদ, কমৰুল ইছলাম চাইদুল ইছলাম বুলি জানিব পৰা গৈছে। উল্লেখ্য যে মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিখিল চন্দ্ৰ ৰয়ৰ নেতৃত্বত চলা অভিযানত দক্ষিণ নোৱাবিল আৰু কৰৈয়নিত অভিযান চলাই আটক কৰে চাৰিজনকৈ লোক লগতে মুঠ ৩০ কেজি গো মাংস জব্দ কৰিবলৈ সক্ষম হয়। আজি আৰক্ষীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ নগৰ আদালৰ যোগেদি আটাইকে জেললৈ প্ৰেৰণ কৰে।

# মাতৃৰ মৃত্যু দেখি উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ জ্যেষ্ঠ পুত্ৰৰো মৃত্যু

## মাজুলীৰ ঢেকিয়াজুলিত মৰ্মান্তিক ঘটনা; মাতৃ-পুত্ৰৰ একেলগেই মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ২৩ ছেপ্টেম্বৰ ঃ** মাজুলী জিলাৰ ঢেকিয়াজুলি গাঁৱত আজি এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। গাঁওখনত এগৰাকী মাতৃ আৰু এজন পুত্ৰৰ একেলগে মৃত্যু হয়। ঢেকিয়াজুলি গাঁৱৰ বয়োজ্যেষ্ঠা মহিলা তথা গাঁও খনৰ আগশাৰীৰ মহিলা নেত্ৰী মলাদৈ দাস হাজৰিকা আৰু তেওঁৰ জ্যেষ্ঠ পুত্ৰ ধৰ্মেশ্বৰ দাসৰ আজি পুৱা পোন্ধৰ মিনিট ব্যৱধানত মৃত্যু হয়। ঢেকিয়াজুলি গাঁৱৰ বয়োজ্যেষ্ঠা মহিলা মলাদৈ দাস হাজৰিকা যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত কাৰণত শৰ্যাশায়ী হৈ আছিল। মলাদৈ দাস হাজৰিকাৰ পাঁচজন পুত্ৰ আৰু এগৰাকী কন্যা আছিল। জ্যেষ্ঠ পুত্ৰ ধৰ্মেশ্বৰ দাসৰ পৰিয়ালটো মাতৃৰ ঘৰৰ সন্মুখতে ঘৰ বনাই বসবাস কৰিছিল। মাতৃ মলাদৈ হাজৰিকা মধ্যম পুত্ৰ মুকুল হাজৰিকাৰ লগত থাকে। কালিৰ পৰা মলাদৈ দাস হাজৰিকাৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটে। তেতিয়া জ্যেষ্ঠ পুত্ৰ ধৰ্মেশ্বৰ দাসে মাতৃৰ কাষত মৰমৰ হাত বুলাই মাতৃৰ লগত কথা পাতি আছিল আৰু মাতৃৰ শেষ কিবা ইচ্ছা আছেনে কি সুধিছিল। তেতিয়া মাতৃ মলাদৈ দাস হাজৰিকাই কৈছিল -"মই মৰিলে তোকো লৈ যাম" এইদৰে কৈ জ্যেষ্ঠ পুত্ৰৰ লগত ধেমালি কৰিছিল। ইয়াৰ আগতেও মাতৃ মলাদৈ দাস হাজৰিকাই প্ৰায়েই জ্যেষ্ঠ পুত্ৰ ধৰ্মেশ্বৰক কয় - "মই মৰিলে তোকো লৈ যাব লাগিব": পাঁচজন পুত্ৰৰ মাতৃ মলাদৈ দাস হাজৰিকাৰ কালিৰ পৰা স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰে। আৰু আজি পুৱা ৬.১৫ বজাত বাৰ্ধক্যজনিত কাৰণত তেওঁৰ মৃত্যু হয়। মাতৃ মলাদৈ দাস হাজৰিকাৰ মৃত্যু হোৱা বুলি জ্যেষ্ঠ পুত্ৰ ধৰ্মেশ্বৰ দাসে শুনিয়েই অচেতন হৈ পৰে। মাতৃৰ ঘৰৰ সন্মুখৰ ঘৰত শুই থাকোঁতেই জ্যেষ্ঠ পুত্ৰ ধৰ্মেশ্বৰ দাস হৃদৰোগত আক্ৰান্ত হৈ পৰে। তেতিয়া গাঁৱৰ ৰাইজে ধৰ্মেশ্বৰক ততাতৈয়াকৈ মাজুলীৰ জিলা চিকিৎসালয়লৈ লৈ যায়। কিন্তু, জিলা চিকিৎসালয়ত তেওঁৰ মৃত্যু হোৱা বুলিহে চিকিৎসকে ঘোষণা কৰে। মাতৃ মলাদৈ দাস হাজৰিকাৰ মৃত্যুৰ খবৰটো ধৰ্মেশ্বৰ দাসে সন্মুখৰ ঘৰত শুই থকা অৱস্থাতেই পাই হৃদৰোগত আক্ৰান্ত হৈ অচেতন হৈ মৃত্যুমুখত পৰে। ঢেকিয়াজুলিৰ আগশাৰীৰ মহিলা মলাদৈ দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৯২ বছৰ। মৃত্যুৰ সময়ত তেওঁ পাঁচজন পুত্ৰ আৰু এগৰাকী কন্যা ইহসংসাৰত এৰি থৈ গৈছে। আনহাতে, পুত্ৰ ধৰ্মেশ্বৰ দাসৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, আৰু তিনিগৰাকী কণ্যা, বোৱাৰী, তিনিজন জোঁৱাইসহ বহু কেইটা নাতি নাতিনী ইহসংসাৰত এৰি থৈ গৈছে। মাতৃ আৰু পুত্ৰৰ মৃতদেহ গাঁৱৰ ৰাইজে একেলগে কঢ়িয়াই লৈ খেৰকটীয়া নৈৰ পাৰত সংকাৰ কৰে। মাতৃ আৰু পুত্ৰৰ দুখন চিতা ওচৰা-ওচৰিকৈ সাঁজি গাঁৱৰ ৰাইজ আৰু পৰিয়ালৰ লোকে চকুলো টুকি টুকি একেলগে সংকাৰ কৰে। ঢেকিয়াজুলি গাঁৱত আজি পুৱাই মাতৃ আৰু পুত্ৰৰ একলগে মৃত্যু হোৱাত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মলাদৈ দাস হাজৰিকা ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সক্ৰিয় নেতা তথা মাজুলী জিলা ফিছাৰি কোষৰ সভাপতি মুকুল হাজৰিকাৰ মাতৃ।

# অশ্ৰুসিক্ত নয়নেৰে জুবিনক বিদায়

## জুবিনৰ শেষকৃত্যৰ দিনা সৰুপথাৰত তিনিহাজাৰ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, ধনশিৰি, ২৩ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গে যেন সকলোকে এক হবলৈ শিকাই থৈ গ'ল। কি হিন্দু, কি মুছলমান সকলো এক হৈ পৰিল। আজি সন্ধিয়া সৰুপথাৰ নগৰত অসমীয়া, বঙালী, মাৰোৱাৰী, বিহাৰী, মুছলমান, খ্ৰীষ্টান বুলি কোনো কথা নাই। সকলো এক হৈ সৰুপথাৰ নগৰৰ মাজমজিয়াত তিনিহাজাৰতকৈও অধিক বন্তি প্ৰজ্বলন কৰি প্ৰিয় শিল্পী গৰাকীক জনালে বিদায়। জুবিন গাৰ্গৰ শেষকৃত্য সম্পন্ন হোৱাৰ পিছতেই সৰুপথাৰ নগৰলৈ ওলাই আহিল হাজাৰ হাজাৰ ৰাইজ। লোকে লোকাৰণ্য হৈ পৰিল সৰুপথাৰ নগৰৰ ৰাজপথ। ডেকা-গাভৰু, আবালবৃদ্ধকে ধৰি কণ কণ লৰা-ছোৱালীলৈকে সকলোৱে অন্তৰৰ পৰা জুবিন গাৰ্গৰ সদ্‌গতি কামনা কৰি একোগচকৈ বন্তি প্ৰজ্বলন কৰি জুবিন গাৰ্গক জনালে শেষ শ্ৰদ্ধাঞ্জলি। সৰুপথাৰ নগৰৰ ৰাজপথৰ মাজত থকা ডিভাইডাৰৰ দুয়োপাৰে জ্বলোৱা বন্তিৰ পোহৰে জোনাক নমাই আনিলে সৰুপথাৰত। কাৰো উদ্যোগত নোহোৱাকৈ স্বতঃস্ফূৰ্তভাৱে সকলোৱেই জনালে সঁহাৰি। জুবিন দাই হয়তো অসমবাসীৰ পৰা এইয়াই বিছাৰিল যাতে সকলো মানুহ হৈ থাকক, এক হৈ থাকক। জুবিন গাৰ্গৰ শিশু সুলভ মন, জুবিন গাৰ্গৰ গীত, সকলোৰে প্ৰতি থকা সমান সহানুভূতিৰ বাবেই প্ৰিয় শিল্পী গৰাকীক অসমৰ প্ৰতিটো প্ৰান্তৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে অক্লান্ত প্ৰেম কৰিছিল। সেয়ে হয়তো তেওঁৰ মৃত্যু কোনোৱেই সহজভাৱে লব পৰা নাই। হিয়াৰ আমঠু গৰাকী নাই বুলি গম পোৱাৰ পিছৰে পৰা গোটেই অসম স্তব্ধ হৈ পৰিল। কানেও শান্তিৰে শুব পৰা নাই, খাব পৰা নাই। অসমে এটি বৃহৎ সম্পদ হেৰুৱালে। যিটো স্থান হয়তো কাহানিও পূৰণ নহয়। সৰুপথাৰ নগৰত বন্তি প্ৰজ্বলন কৰাৰ পিছত সকলো ৰাইজ একেলগে তেখেতৰ সেই মহান "মায়াবীনি" গীতটি পৰিৱেশন কৰি সকলো দুখ মনেৰে ঘৰাঘৰি হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি সৰুপথাৰ নগৰৰ বিভিন্ন ব্যৱসায়ী আৰু স্থানীয় যুৱক-যুৱতী সকলে এক বাইক ৰেলীতো ভাগ লয়। আনহাতে অনুষ্ঠানৰ মাজত বিভিন্নজনে কবিতা আবৃত্তি কৰাৰ লগতে জুবিন দাৰ গীত পৰিৱেশন কৰে।

# জুবিনলৈ পূবেৰুণ শিল্পী সমাজৰ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, আমগুৰি, ২৩ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ অন্যতম মহীৰুহ জুবিন গাৰ্গৰ মৰ্মান্তিক মৃত্যুত আজি পূবেৰুণ শিল্পী সমাজে আমগুৰিত শিল্পীজনৰ আত্মাৰ চিৰ শান্তি কামনাৰে ভাগৱত পাঠ কৰা হয়। ইয়াৰ পূৰ্বে তেখেতৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পূবেৰুণ শিল্পী সমাজৰ জেষ্ঠ সদস্য কানু বৰকাকতিয়ে। লগতে সমূহ সদস্যই পুষ্পাঞ্জলিৰে শিল্পী জনলৈ সেৱা নিবেদন কৰে। জয়ন্ত শইকীয়াই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৰেণ্য শিল্পী গৰাকীৰ জীৱনাদৰ্শৰ বিষয়ে অৱলোকন কৰে প্ৰসন্নজ্যোতি বৰঠাকুৰ, ইন্দ্ৰ কমল ফুকন, জ্ঞান বৰুৱা, উদয় দত্ত, যাদৱ বৰুৱা, অভিজ্ঞিত শইকীয়া, দুলুমণি শইকীয়া আৰু পূবেৰুণ শিল্পী সমাজৰ সভাপতি অনুপম দত্তই। বক্তব্যত সকলোৱে শিল্পী জনাৰ গীত, বিভিন্ন দিশৰ অৱদান তথা ব্যক্তিত্বশৈলীক চৰ্চাৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত বিস্তাৰ কৰাৰ পোষকতা কৰে আৰু এই সম্পৰ্কে পৰৱৰ্তী সময়ত কাৰ্যব্যৱস্থা লোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে আত্মাৰ সদগতিৰ অৰ্থে কৰা ভাগৱত পাঠত অংশগ্ৰহণ কৰে ৰিপুঞ্জয় ফুকন, কানু বৰ কাকতি আৰু পুতুলপ্ৰাণ শৰ্মা আৰু প্ৰকাশ বৰুৱাই। শিল্পী সমাজে জুবিন গাৰ্গৰ জন্ম দিৱসটি বিশেষ কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে।

# মাকুম বজালনী চাহ বাগিছাত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ২৩ ছেপ্টেম্বৰ ঃ** আজি সন্ধ্যা ৬ মান বজাত লাংকাঁচি আৰক্ষী চকীৰ অন্তৰ্গত মাকুম বজালনী চাহ বাগিছাৰ ঘাই পথত এক পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত এগৰাকী মহিলা থিতাতে নিহত হয়। ঘটনাৰ বিৱৰণ অনুসৰি মহিলা গৰাকীয়ে পথৰ কাষতে লাগি থকা বাগিছা খনৰ পৰা শুকান খৰি কঢ়িয়াই আনি থকা অৱস্থাত নম্বৰ প্লেটবিহীন KTM এখন বাহনে তীব্ৰ বেগেৰে খুন্দা মৰাৰ ফলত মহিলা গৰাকী থিতাতে নিহত হয়। বাইক খনত দুজন যুৱ আৰোহী আছিল তাৰে ভিতৰত এজন মুমূৰ্ষু অৱস্থাত চিটিকি পৰাৰ লগতে এজন ঘটনা স্থলীৰ পৰা পলায়ন কৰে। মৃত মহিলা গৰাকী বজালনী চাহ বাগিছাৰ ১২ নং লাইনৰ আৰু আনুমানিক বয়স ৬০ বছৰ বুলি জানিবলৈ পৰা যায়। দুৰ্ঘটনা সংঘটিত কৰা যুৱ বাইক আৰোহী দুজনৰ ভিতৰত এজনৰ ঘৰ ৰাজগড় আলি চাহ বাগিছা খেৰলাইনৰ বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। উক্ত স্থানত লাংকাঁচি আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ মহিলা গৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে মুমূৰ্ষু অৱস্থাত থকা যুৱক জনক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

# অভিযুক্তক শাস্তি প্ৰদানৰ দাবী ৰাইজৰ

## লাহোৱালত কুকুৰ এটাৰ বাবে যুৱকক বৰ্বৰ অত্যাচাৰ আৰক্ষীৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলা লাহোৱাল আৰক্ষী থানাৰ অধীনস্থ ঘোঁৰামৰা উপ-আৰক্ষী চকীৰ অন্তৰ্গত মেলেঙিয়াল গাঁৱৰ এজন যুৱকক ঘোঁৰামৰা আৰক্ষীয়ে বেয়াকৈ মাৰপিত কৰা ঘটনাই আৰক্ষী বৰ্বৰতাক স্থানীয় ৰাইজে স্পষ্টকৈ গৰিহণা দিয়া লগতে এই ঘটনাৰ সৈতে জড়িত আৰক্ষীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ঘটনাৰ বিৱৰণী মতে চুবুৰীয়াৰ এটা পোহনীয়া কুকুৰে ৰঞ্জিত (চতভাই) ভূমিজ নামৰ ব্যক্তি জনৰ ঘৰলৈ গৈছিল আৰু কুকুৰটোৱে গৃহস্থৰ ঘৰৰ লোকক আক্ৰমণ কৰিবলৈ লোৱাত লাঠি এডালেৰে মাৰি দিওঁতে কুকুৰটো আঘাত পায় আৰু মৰি থাকে। পৰিয়ালৰ লোকে এই সন্দৰ্ভত ঘোঁৰামৰা আৰক্ষীক এজাহৰ দিয়ে আৰু দিনৰ ভাগত ঘৰৰ পৰা আৰক্ষীয়ে ৰঞ্জিত(চটভাই) ভূমিজক থানলৈ লৈ যায় আৰু নিশা বৰ্বৰ ভাৱে মাৰপিট কৰি ঘৰত থৈ যায়। আৰক্ষীৰ এই বৰ্বৰতাৰ বিষয়ে স্থ ৰাইজে স্থানীয় বিধায়কক তথা বিভিন্ন জনক ফটো সমূহ প্ৰেৰণ কৰে আৰু ঘোঁৰামৰা আৰক্ষীয়েও এই খবৰ লাভ কৰে। এনে বৰ্বৰতাৰ কাৰ্য্যক স্থানীয় ৰাইজে ধিক্কাৰ দিয়াত ৰাতিয়ে ঘোঁৰামৰা আৰক্ষী আহি চিকিৎসাৰ বাবে ৰঞ্জিতক চিকিৎসালয়লৈ লৈ যায় আৰু ৰাতি ঘৰত চমজায় থৈ আহে। স্থানীয় ৰাইজে ঘোঁৰামৰা উপ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াকে ধৰি এই ঘটনাৰ সৈতে জড়িত দোষী আৰক্ষীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনাইছে। ইতিমধ্যে এই ঘটনাৰ সন্দৰ্ভত ডিব্ৰুগড় জিলা আৰক্ষী অধীক্ষকক সামাজিক মাধ্যম যোগে অৱগত কৰিছে আৰু শীঘ্ৰে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# সূৰুযমুখী সাংস্কৃতিক চ'ৰাৰ উদ্যোগত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

অসম বাৰ্তা, নকছাৰি, ২৩ ছেপ্টেম্বৰ: মৰিয়নিৰ সূৰুযমুখী সাংস্কৃতিক চ'ৰাৰ উদ্যোগত অসমৰ হিয়াৰ আমঠু কণ্ঠশিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। চ'ৰাৰ সভানেত্ৰী অনুৰূপা ফুকনে আঁত ধৰা অনুষ্ঠানটিত হেমকান্ত বুঢ়াগোহাঁই, ৰীণা হাজৰিকা, চম্পা সন্দিকৈ, মনোৰূপা চুতীয়া গগৈ, পূৰ্ণিমা ৰাজখোৱা, মদন ফুকন, নিপুলচন্দ্ৰ ফুকন, পদুমী বৰগোহাঁই প্ৰমুখ্যে উপস্থিত সকলো ৰাইজে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাৰে বন্তি, ধূপ, পুষ্প অৰ্পণৰ লগতে এক মিনিট মৌনপ্ৰাৰ্থনা আৰু মাধৱ পুৰুষৰ এজোলোকা ঘোষাৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। ইয়াৰ লগে লগেই চ'ৰাৰ প্ৰধান সম্পাদক ভাস্কৰজিৎ ফুকন আৰু মুখ্য উপদেষ্টা মনোজ কুমাৰ শৰ্মাই জুবিন গাৰ্গৰ জীৱন-কলা, সাংস্কৃতিক পৰিক্ৰমা আৰু জাতীৰ অৱদানৰ বিষয়ে নাতিদীৰ্ঘ বক্তব্য প্ৰদান কৰে। পুতলি বৰুৱা ফুকনে শলাগ লোৱা অনুষ্ঠানটিত বাৰবী মহন্তৰ নেতৃত্বত সকলো ৰাইজে 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি পৰিৱেশন কৰে।

## সম্পাদকীয়

# বিচাৰ নে নাটক ?

অসমৰ সংগীত জগতৰ এক উজ্জ্বল তৰা জুবিন গাৰ্গৰ আকস্মিক বিয়োগে আমাৰ সমাজত এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে। শিল্পীজনৰ প্ৰতি থকা অসীম মৰম-শ্ৰদ্ধাই জনসাধাৰণৰ মনত উথলি উঠা অসংখ্য প্ৰশ্নই এতিয়া চৰকাৰ তথা প্ৰশাসনৰ ওচৰত এক জৰুৰী উত্তৰৰ দাবী জনাইছে। চৰকাৰে এই জটিল পৰিস্থিতিত কেন্দ্ৰীয় অপৰাধ তদন্ত বিভাগ (CID) ক তদন্তৰ দায়িত্ব দিয়াৰ সিদ্ধান্তটোৱে এক ফালৰ পৰা আশাৰ আভাস দিলেও, আনফালে ই সাধাৰণ মানুহৰ মনত তদন্ত প্ৰক্ৰিয়াৰ প্ৰতি থকা দীৰ্ঘদিনীয়া অবিশ্বাসৰ কথাহে পুনৰ উলিয়াই আনিছে। নিঃসন্দেহে CIDক তদন্তৰ দায়িত্ব দিয়াৰ চৰকাৰী সিদ্ধান্তটো হৈছে এক সময়োপযোগী আৰু প্ৰয়োজনীয় পদক্ষেপ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিয়া 'স্বচ্ছ তদন্ত'ৰ আশ্বাসটোৱে এই ট্ৰেজেডিৰ পিছত শোকাকুল জনসাধাৰণক এক নিশ্চয়তা দিবলৈ যথেষ্ট। ইতিমধ্যে CIDয়ে তদন্তৰ কাম-কাজ আৰম্ভ কৰি বিভিন্ন ঠাইত সাক্ষীসকলৰ জবানবন্দী গ্ৰহণ কৰি থকা দেখা গৈছে। সিঙ্গাপুৰৰ পৰা ভিডিঅ' ফুটেজ আদি গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহৰ চেষ্টাও সক্ৰিয় হৈছে। এই দ্ৰুততা আৰু তৎপৰতাই নিশ্চিতভাৱে এক ইতিবাচক বাতাবৰণ সৃষ্টি কৰিছে। কিন্তু, ইয়াৰ বিপৰীত চিত্ৰখনো যে আমাৰ অবিদিত নহয়। সাধাৰণ মানুহৰ মনত এনে এক সংশয়ৰ ভাৱ সদায়ে সক্ৰিয় হৈ থাকে যে গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ গোচৰসমূহত গঠনমূলক তদন্ত কেৱল এখন 'চকুত লগা' নাটক আৰু জনতাক শান্ত কৰাৰ এক পৰিকল্পিত ষ্ট্ৰেটেজীহে। ৰাইজৰ মনত এনে ধাৰণাৰ সৃষ্টি হোৱাটোৱে প্ৰমাণ কৰে যে আমাৰ তদন্ত ব্যৱস্থাই ইতিপূৰ্বে কৰা অসফলতা আৰু অস্বচ্ছতাই সাধাৰণ মানুহৰ মনত কিমান দূৰলৈকে স্থায়ী আসন গঢ়ি পেলাইছে। জুবিন গাৰ্গৰ মৃত্যু কেৱল এখন পৰিয়ালৰ ব্যক্তিগত দুখৰ বিষয়েই নহয়, ই অসমীয়া জাতি-সমাজৰ বাবে এক ৰাষ্ট্ৰীয় ক্ষতি। গতিকে, এই তদন্তৰ ওপৰতেই অসমীয়া জনতাৰ প্ৰশাসনিক ব্যৱস্থাৰ প্ৰতি থকা বিশ্বাসৰ ভেটি বহু পৰিমাণে নিৰ্ভৰ কৰি আছে। চৰকাৰ তথা CIDৰ বাবে এইটো এক প্ৰত্যক্ষ পৰীক্ষাৰ সময়। তেওঁলোকে প্ৰমাণ কৰিবলগীয়া আছে যে এই তদন্ত কেৱল নিয়মীয়া কাগজ-কলমৰ কাম সীমিত নৰখাকৈ ঘটনাৰ প্ৰকৃত ৰহস্য উদঘাটনলৈকে আগবাঢ়িব। সকলো সাক্ষ্য-প্ৰমাণৰ ওপৰত ভিত্তি কৰি যিকোনো উচ্চ-পদস্থ ব্যক্তিৰ সম্পৰ্ক থাকিলেও তেওঁক তদন্তৰ পৰা বাদ দিয়া নহ'ব। তদন্তৰ প্ৰগতি সম্পৰ্কে ৰাইজক নিয়মীয়াকৈ অৱগত কৰি ৰখাটোৱে এই স্বচ্ছতাক আৰু সুদৃঢ় কৰিব।

শেষত, এইটো ক'ব লাগিব যে জুবিন গাৰ্গৰ দৰে এগৰাকী জাতীয় শিল্পীৰ মৃত্যুৰ দায়ী যদি কাৰোবাৰ অসাৱধানতা, অদূৰদৰ্শিতা বা অন্য কোনো কাৰণ থাকে, তেন্তে সেই দায়িত্বশীলসকলক ন্যায়ৰ হাতত সোপা দিয়াটো হ'ব ৰাষ্ট্ৰই শিল্পীৰ প্ৰতি কৰা সৰ্বশ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি। CIDৰ তদন্ত কেৱল চকুত লগা নহয়, সঁচাকৈয়ে ফলপ্ৰসূ হ'ব নে নহয়, সেই কথা সময় আৰু তদন্তৰ চৰম ফলাফলেহে প্ৰমাণ কৰিব। আমাৰ একমাত্ৰ কামনা, এই তদন্তই জুবিন গাৰ্গৰ আত্মাৰ শান্তি আৰু তেওঁৰ লক্ষ লক্ষ ভক্তৰ হৃদয়লৈ ন্যায়ৰ সান্ত্বনা কঢ়িয়াই আনক।



# ইতিহাসৰ পাতত '৪২ৰ বজালীৰ শ্বহীদ যুগল মদন-ৰাউতা




আজি ২৫ ছেপ্তেম্বৰ। ১৯৪২ চনৰ আজিৰ দিনটোতেই বজালীৰ দুপাহ ফুল দেশমাতৃৰ পূজাৰ বেদীত উছৰ্গিত হৈছিল। আজি সেই শ্বহীদ যুগলক শ্ৰদ্ধাৰে স্মৰণ কৰি ২৫ ছেপ্তেম্বৰৰ সেই বৃটিছৰ ভেৰোণীয়া পুলিচ বাহিনীৰ নিৰ্মম অত্যাচাৰত কেনেকৈ বজালীৰ মদন বৰ্মণ আৰু ৰাউতা ৰাম কোঁচ শ্বহীদ হ'ব লগা হৈছিল তাৰ এক জীয়া প্ৰতিচ্ছবিৰ আলেখ-লেখ সমগ্ৰ অসমবাসীক অৱগত কৰাৰ প্ৰয়াস কৰা হ'ল।

"সকলোৰে লগত প্ৰতিবাদ কৰিবলৈ বলীৰাম আৰু আদেৰীৰ আলাসৰ লাড়ু মদন ওলাই গৈছিল ৰিহাবাৰীলৈ আৰু প্ৰতিবাদৰ অ-আ-ক-খ ভালদৰে নজনাকৈয়ে দেশমাতৃৰ মুকুতিৰ বাবে তুলাৰামৰ বন্দুকত নিথৰ হৈ যোৱা মদন নিশা ১২-৪০ বজাত সকলোৰে কান্ধত উঠি উভতি আহিছিল ঘৰলৈ।"

"তাৰ মাজতে ঘৰত এপাক সোমাই আতলৰ পৰা পাৰ এযোৰ উলিয়াই "ৰান্ধি থবি, আহি খাম" বুলি গাঠুৰীপ্ৰিয়াক কৈ গ'ল। যি গ'ল গ'ল। নিশা ১২-৪০ বজাত আনৰ কান্ধত উঠি নিথৰ দেহেৰে সৈতে ঘৰলৈ আহিল ৰাউতা।"

**'৪২ চনৰ ২৫ ছেপ্তেম্বৰৰ ঘটনাৰ পটভূমি ঃ**

'৪২ ৰ আন্দোলনৰ মুল বাণী আছিল - "কৰিম কিম্বা মৰিম" (Do or Die)। এই আন্দোলনৰ জুই বজালীতো লাগিছিল। ১০ আগষ্ট তাৰিখে পাটাছাৰকুছিৰ প্ৰিয়নাথ দেৱচৌধুৰীৰ হোমিওপ্যাথিক চিকিৎসালয়ত নিশা ন বজাত ধৰণীধৰ দাসৰ নিৰ্দ্দেশ মতে প্ৰিয়নাথ চৌধুৰী, হোমেশ্বৰ দেৱচৌধুৰী, ডাঃ উপেন শৰ্মা, ৰজনী কান্ত শৰ্মা, বিশ্বেশ্বৰ দেৱচৌধুৰী আৰু প্ৰভাত শৰ্মাই জ্বলি থকা চাকি হাতত লৈ গান্ধীৰ "কৰিম কিম্বা মৰিম" কাৰ্যসূচী ফলৱতী কৰাৰ কাৰণে প্ৰতিজ্ঞা কৰিলে। পিছলৈ এওঁলোকৰ লগত বিশ্বশ্বৰ শৰ্মা, পূৰ্ণানন্দ কলিতা, গোবিন্দ নাথ শৰ্মা আদিয়েও আন্দোলন কৰি নিৰ্যাতন ভুগিছিল। পাঠশালাত এই দায়িত্ব দিছিল ৰজনী দেৱচৌধুৰী, ধৰ্মকান্ত চৌধুৰী, কেশৱলাল দাস আৰু গৌৰীকান্ত শৰ্মাৰ ওপৰত। কংগ্ৰেছ কমিটি ভংগ কৰি কৰ্ম পৰিষদ ( Council of Action ) গঠনৰ যোগেদি আন্দোলন চলোৱাৰ বাবে ওপৰৰ নেতৃবৰ্গৰ পৰা নিৰ্দ্দেশ অহাত বজালীত ডাঃ কেশৱ চন্দ্ৰ দাসক সৰ্বাধিনায়ক ( Dictator) আৰু নৰকান্ত দাসক সম্পাদক হিচাপে লৈ বজালীত কৰ্ম পৰিষদ গঠন কৰা হৈছিল। পৰিষদৰ আন সদস্য সকল আছিল - ডাঃ জিনাৰাম দাস, মহেন্দ্ৰ নাথ দাস, চন্দ্ৰপ্ৰভা শইকীয়ানী, ধৰণীধৰ দাস, ভবানন্দ দত্ত, মাণিক তালুকদাৰ, সদানন্দ চৌধুৰী, ফটিক ডেকা, ৰামচৰণ তালুকদাৰ, সূৰ্যকান্ত চৌধুৰী, গুণেশ্বৰ দাস, সৰ্বেশ্বৰ পাটগিৰী, জয়ৰাম পাটগিৰী, গুণেশ্বৰ শৰ্মা, গোপীনাথ ডেকা, মণিকান্ত স্বৰ্গীয়াৰী, লক্ষ্মীকান্ত তালুকদাৰ, শান্তিৰাম মেধি, ডাঃ অনন্ত মোহন দাস, নগেন শৰ্মা, গৌৰীকান্ত শৰ্মা, প্ৰভাত শৰ্মা, সিন্ধিৰাম পাটগিৰী আৰু চৈবাৰীৰ গুণেশ্বৰ দাস

'৪২ ৰ আন্দোলন বজালীত মূলত ছাত্ৰ আন্দোলন বুলিব পাৰি। ছাত্ৰসকলে ইয়াত সক্ৰিয় হোৱাত আন্দোলন তীব্ৰতৰ হৈছিল। বজালীৰ ছাত্ৰসকলে ১২ আগষ্ট তাৰিখে পাটাছাৰকুছিত পাটাছাৰকুছি বিদ্যাপীঠৰ ছাত্ৰ একতা সভাৰ সম্পাদক হৰিণ বৰুৱাৰ নেতৃত্বত পাটাছাৰকুছি পুৰণি হাটখোলাত হৰতাল কৰে। ঠিক তেনেকৈ বজালী হাইস্কুলৰ ছাত্ৰসকলেও পাঠশালাত হৰতাল কৰে। পাটাছাৰকুছিত সেই উপলক্ষে হোৱা সভাত সভাপতিত্ব কৰিছিল ডাঃ হোমেশ্বৰ দেৱচৌধুৰীয়ে আৰু সেই অপৰাধত ১৩ আগষ্টত তেওঁক পাটাছাৰকুছি থানাৰ দাৰোগা তুলাৰাম কেওঁটে গ্ৰেপ্তাৰ কৰে। পাটাৰকুছিৰ বিশ্বেশ্বৰ শৰ্মাও গ্ৰেপ্তাৰ হৈছিল। পাঠশালাত কংগ্ৰেছ কৰ্মী ৰজনীকান্ত দেৱচৌধুৰী আৰু কেশৱলাল দাসক পুলিচে গ্ৰেপ্তাৰ কৰে। তেতিয়াৰ কলেজীয়া ছাত্ৰ পিছলৈ পাটাছাৰকুছি বিদ্যাপীঠৰ শিক্ষক মোহন চন্দ্ৰ চৌধুৰীয়ে আন্দোলনত ভাগ লৈ গ্ৰেপ্তাৰ হৈছিল। পাটাছাৰকুছি থানালৈ বজালীৰ ভিন্ন প্ৰান্তৰ ছাত্ৰসকলক যেতিয়া গ্ৰেপ্তাৰ কৰি অনা হৈছিল তেতিয়া সেইসকল ছাত্ৰক খাদ্যৰ ব্যৱস্থা কৰাৰ দায়িত্ব দিয়া হৈছিল পাটাছাৰকুছি বিদ্যাপীঠৰ পৰৱৰ্তী কালত উপাধ্যক্ষ হোৱা গণেশ দেৱচৌধুৰী, অখিল চন্দ্ৰ গোস্বামী আৰু ৰজত চন্দ্ৰ কলিতা আদি ছাত্ৰক। পিছলৈ এইসকলৰ লগতে নলীকুছিৰ প্ৰভাত চন্দ্ৰ কলিতায়ো যোগ দিছিল। ছাত্ৰ সকলক পৰিচালনা কৰাৰ বাবে ভবানন্দ দত্তক অধিনায়ক আৰু সূৰ্যকান্ত চৌধুৰীক সহকাৰী হিচাপে নিয়োগ কৰা হৈছিল।

**২৫ ছেপ্তেম্বৰত কেনেকৈ শ্বহীদ হৈছিল মদন-ৰাউতা ঃ**

'৪২ ৰ গণ আন্দোলন সমগ্ৰ অসমত আগষ্ট-চেপ্তমবৰ মাহত তীব্ৰতৰ হৈ উঠে। ২৫ ছেপ্তেম্বৰত বজালীৰ জালাহ, নিত্যানন্দ, বামুণকুছি আৰু চৌখুটীত চাৰিখন ৰাজহুৱা সভা পাতি নগাঁও দিৱস পালন কৰা হয়। অৱশ্যে বিশেষ কাৰণত বামুণকুছিৰ সভাখন নহ'ল। জালাহৰ সভাত গিৰীশ চন্দ্ৰ চৌধুৰী, নিত্যানন্দত ভাৰত চন্দ্ৰ গোস্বামী আৰু চৌখুটীত নৰকান্ত দাস সভাপতি আছিল। নিত্যানন্দ আৰু চৌখুটীৰ সভা চলি থকা সময়ত জালাহত গুলী চালনা হোৱাৰ খবৰ আহিল। জালাহৰ সভাত কেবাহেজাৰ লোক গোট খাইছিল আৰু বক্তাদ্বয় ক্ৰমে ৰজনীকান্ত শৰ্মা (পাটাছাৰকুছি) আৰু ভদ্ৰেশ্বৰ দাসে নগাঁও দিৱসৰ কথা ৰাইজক বুজাই থকা সময়তে পাটাছাৰকুছি থানাৰ দাৰোগা তুলাৰাম কেওঁট আৰু তেওঁৰ সহযোগী চালামত আৰু সম্ভুই নীৰস্ত্ৰ লোকক প্ৰথমে লাঠী, হাণ্টাৰ আৰু বেয়নেটেৰে আঘাত কৰি অত্যাচাৰ আৰম্ভ কৰে। পিছত ৰাইজক ছত্ৰভংগ দিয়াবলৈ তুলাৰামে গুলীচালনা কৰে। গুলীত পেমেৰাম দাস গুৰুতৰভাৱে আহত হোৱাৰ লগতে খৰ্গেশ্বৰ টটলাই বেয়নেটৰ খোঁচ খায়। জানকী বালা বৈষ্ণৱিনী আৰু আন তিনিজন ডেকা প্ৰতিবাদীয়ে বন্দুকৰ আগত বুকু পাতি দি ভয়াৰ্ত্ত জনতাক সাহস যোগাইছিল। তুলাৰামে সভাপতি গিৰীশ চৌধুৰীক তেওঁৰ ঘোঁৰাত আৰু বক্তাদ্বয়ক ক্ৰমে ৰজনীকান্ত শৰ্মা আৰু ভদ্ৰেশ্বৰ দাসক গ্ৰেপ্তাৰ কৰি কনিষ্টবল দুজনৰ চাইকেলত উঠাই পাটাছাৰকুছি থানা অভিমুখে গতি কৰে।

ই ফালে গুলীচালনাৰ ঘটনা লগে লগে ঘটনা বিকৃত হৈ ৰাষ্ট্ৰ পৰিল এনেদৰে – "গুলীচালনা কৰা তুলাৰামসহ তেওঁৰ সহযোগী দুজনক ৰাইজে আটক কৰি ৰাখিছে, এতিয়া ৰাইজ আহি কি শাস্তি দিয়ে দিব লাগে।" এই বাতৰি পোৱাৰ লগে লগে নিত্যানন্দ আৰু চৌখুটি সভা তৎক্ষণাত ভঙ্গ কৰি সেই সভাৰ সভাপতিসহ ৰাইজ সকলো পিনৰ পৰা জালাহ অভিমুখে ৰাওনা হ'ব ধৰিলে। কিন্তু বাটত ওলোটাহে দেখিলে যে সভাপতি আৰু বক্তা দুজনকহে পুলিচে আনি আছে। ৰাইজ উত্তেজিত হৈ "তুলাৰামৰ মাথা লাগে, তুলাৰামৰ তেজ পিম" আদি ধ্বনিৰে আগবাঢ়ি গৈ থাকোঁতে ৰিহাবাৰীত উত্তেজিত জনতা তুলাৰামৰ মুখামুখি হয়। ৰাইজে বন্দী কৰি অনা নেতা তিনিজনক মোকলাই দিয়াৰ দাবী জনায়। তুলাৰাম এই দাবীত সৈমান নোযোৱাত ৰাইজ উগ্ৰ হৈ পৰিল আৰু অৱশেষত তুলাৰামে জালাহৰ পিছত ৰিহাবাৰীত সন্ধিয়া ৬-৪০ বজাত নিৰ্বিচাৰে ৯ ৰাউণ্ড গুলী চলায়। তুলাৰামৰ গুলীত বজালী হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ভোগপুৰ গাঁৱৰ বলীৰাম বৰ্মনৰ পুত্ৰ মদন বৰ্মন আৰু সাদেৰীৰ হাবেবালা কোঁচৰ পুত্ৰ ৰাউতা ৰাম কোঁচ গুলীবিদ্ধ হৈ নিথৰ হৈ ৰাজপথৰ তেজৰ ডোঙাত পৰি থাকিল নিশা ১২ বজালৈ।

> **দিলীপ কুমাৰ ৰয়**
>
> "গুলীচালনা কৰা তুলাৰামসহ তেওঁৰ সহযোগী দুজনক ৰাইজে আটক কৰি ৰাখিছে, এতিয়া ৰাইজ আহি কি শাস্তি দিয়ে দিব লাগে।" এই বাতৰি পোৱাৰ লগে লগে নিত্যানন্দ আৰু চৌখুটি সভা তৎক্ষণাত ভঙ্গ কৰি সেই সভাৰ সভাপতিসহ ৰাইজ সকলো পিনৰ পৰা জালাহ অভিমুখে ৰাওনা হ'ব ধৰিলে। কিন্তু বাটত ওলোটাহে দেখিলে যে সভাপতি আৰু বক্তা দুজনকহে পুলিচে আনি আছে। ৰাইজ উত্তেজিত হৈ "তুলাৰামৰ মাথা লাগে, তুলাৰামৰ তেজ পিম" আদি ধ্বনিৰে আগবাঢ়ি গৈ থাকোঁতে ৰিহাবাৰীত উত্তেজিত জনতা তুলাৰামৰ মুখামুখি হয়।

চেদেলি -ভেদেলি হোৱা প্ৰতিবাদকাৰীসকল নিশাৰ ভাগত তালৈ গৈ ১২-৪০ বজাত মদন আৰু ৰাউতাক চিনাক্ত কৰি নিজ নিজ ঘৰলৈ লৈ আহে। লগতে অৰ্জুন চন্দ্ৰ শৰ্মা, নৃপেন্দ্ৰ নাথ শৰ্মা, গুণেশ্বৰ শৰ্মা আৰু অভয় শাস্ত্ৰী আদি আন কেবাজনো ছাত্ৰ আহত হয়। গুলী কৰি তুলাৰাম পুনৰ আহি থাকোঁতে এইবাৰ নিত্যানন্দত উত্তেজিত জনতাক দেখা পাই তৃতীয়বাৰৰ বাবে গুলী চলায় আৰু কালজিৰাপাৰাৰ মেমেৰাম ভড়ালীয়ে গুৰুতৰভাৱে আঁঠুত আঘাত পায়।

**ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী ছাদুল্লাই সদনত দিয়া বিবৃতিঃ**

১৯৪২ চনৰ ২৫ চেপ্তেম্বৰত বজালীৰ জালাহ, ৰিহাবাৰী আৰু নিত্যানন্দৰ গুলীচালনা আৰু মদন-ৰাউতা পুলিচৰ নিৰ্বিচাৰ গুলীত নিহত হ'ব লগা হোৱা ঘটনাৰ চৰকাৰী ভাষ্য বিধানসভাত দাবী কৰিছিল নেশ্বনেলিষ্ট দলৰ নেতা ৰোহিনী কুমাৰ চৌধুৰীয়ে আৰু তাৰে উত্তৰত তেতিয়াৰ প্ৰধানমন্ত্ৰী ছাৰ ছাদুল্লাই সদনত চৰকাৰী বিবৃতি দিছিল এইধৰণে -

"১৯৪২ চনৰ ২৫ চেপ্তেম্বৰত জালাহত প্ৰায় এহাজাৰ সশস্ত্ৰ লোক সমবেত হৈছিল। কিছুমানৰ হাতত লাঠী আছিল। তেওঁলোকে পুলিচ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু দুজন সশস্ত্ৰ চিপাহীক জালাহ আৰু নিত্যানন্দ গাঁৱৰ মাজত আক্ৰমণ কৰিছিল। উদ্দেশ্য আছিল তিনিজন বন্দীক উদ্ধাৰ কৰা। পুলিচ বাহিনীক চাৰিওপিনৰ পৰা আগুৰি ধৰিছিল আৰু বন্দী কেইজনৰ মুক্তি দাবী কৰিছিল। ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে এই দাবী অগ্ৰাহ্য কৰাত সমৱেত আক্ৰমণকাৰীসকলে তেওঁক আক্ৰমণ কৰাৰ ভাবুকি দিছিল। ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে বাৰে বাৰে বেআইনী সমাৱেশকাৰীসকলক আঁতৰি যাবলৈ নিৰ্দেশ দিছিল। আনকি এজন চিপাহীৰ পৰা ৰাইফলটো কাঢ়ি নিয়াৰো চেষ্টা চলাইছিল। যেতিয়া ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে দেখিছিল যে তেওঁ দিয়া নিৰ্দেশ কোনেও পালন কৰা নাই তেতিয়া তেওঁ শাৰীৰিক আক্ৰমণৰ ভয়ত আৰু বন্দীসকলক জোৰকৈ মক্ত কৰিব বুলি শংকা কৰি এজন। চিপাহীক মানুহৰ মূৰৰ ওপৰেৰে গুলী চালনা কৰিবলৈ নিৰ্দেশ দিছিল, যাতে তেওঁলোকে ভয় খায়। ইয়াৰ পাছতো কিন্তু সমৱেত জনতাৰ মনত কোনো ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা নাছিল, বৰং তেওঁলোকে বাৰে বাৰে পুলিচ দলৰ ওপৰত আক্ৰমণ অব্যাহত ৰাখে আৰু এনেকুৱা এক জটিল পৰিস্থিতি চম্ভালিবলৈ পুলিচ বিষয়াজনে গুলী চালনাৰ নিৰ্দেশ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ চিপাহী দুজনক এক ৰাউণ্ডকৈ গুলী চলাবলৈ নিৰ্দেশ দিয়ে আৰু সেই নিৰ্দেশ মতে চিপাহী দুজনে গুলী চালনা কৰিছিল। ইয়াৰ পিছত সেই একে পুলিচ থানাৰ অন্তৰ্গত ৰিহাবাৰীত উত্তেজিত জনতাই একেই পুলিচ দলক আগুৰি ধৰে আৰু বন্দী কেইজনক আঁতৰাই নিবলৈ চেষ্টা কৰে। উপায় নাপাই পুলিচ বিষয়াগৰাকীয়ে গুলী চলাবলৈ নিৰ্দেশ দিয়ে।

একেই ঘটনা সংঘটিত হৈছিল নিত্যানন্দতো। তাতো পুলিচ বিষয়াগৰাকীয়ে গুলী চলাবলৈ নিৰ্দেশ দিছিল। এই সকলোবোৰ ঘটনাৰ পিছতো গ্ৰেপ্তাৰ হোৱা লোকসকলক থানালৈ লৈ অনা হৈছিল। এটা সৰু পুলিচ বাহিনীৰ লগত ডাঙৰ আক্ৰমণকাৰীৰ লগত হোৱা সংঘৰ্ষৰ ফলত মাত্ৰ দুজন লোকৰ মৃত্যু হৈছিল, দুজন আঘাতপ্ৰাপ্ত হৈছিল, অথচ তিনিখন বিভিন্ন গাঁৱত তিনিটাকৈ গুলী চালনাৰ ঘটনা সংঘটিত হৈছে। ইয়েই প্ৰমাণ কৰিছে যে পুলিচে সমৱেত জনতাক ইচ্ছাকৃতভাৱে গুলীয়াবলৈ চেষ্টা কৰা নাছিল, কেৱল নিজৰ সুৰক্ষাৰ বাবেহে এই গুলীচালনা কৰিবলৈ বাধ্য হৈছিল। নহ'লে বহু সংখ্যক লোকৰ মৃত্যু হ'লহেঁতেন।"

**মদন আৰু ৰাউতা কোন আছিল ঃ**

বজালীৰ ভোগপুৰ দখলা গাঁৱৰ বলীৰাম বৰ্মণ আৰু আদেৰী বৰ্মণৰ একমাত্ৰ পুত্ৰ মদন বৰ্মণ। বজালী হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ মদন। বয়স তেতিয়া আনুমানিক এঘাৰ বছৰ। সকলোৰে লগত প্ৰতিবাদ কৰিবলৈ ওলাই গৈছিল ৰিহাবাৰীলৈ আৰু জীৱনৰ অ-আ-ক-খ ভালদৰে নজনাকৈয়ে দেশমাতৃৰ নামত নিজকে উছৰ্গা কৰি বজালীবাসীৰ লগতে সমগ্ৰ দেশক গৌৰৱান্বিত কৰি ১৯৪২ চনৰ সন্ধিয়া ৬-৪০ বজাত মাক-পিতাকৰ লগতে আমাক সকলোকে কন্দুৱাই স্বৰ্গগামী হৈছিল।

আনহাতে বজালীৰ সকলো মানুহকে বৰকৈ আদৰ-সাদৰ কৰা গুণে বৰসাদেৰী নামেৰে বিভূষিত গাঁৱৰ কেহোৰাম কোঁচ আৰু হাবেবালা কোঁচৰ সুযোগ্য পুত্ৰ ৰাউতাৰাম কোঁচ। ১৯১৪ চনৰ ১২ এপ্ৰিল তাৰিখে জন্মগ্ৰহণ কৰা ৰাউতাক 'অকাল বোধন" পাতি বিয়া পাতি দিছিল মাক-বাপেকে। ৰাউতাৰ অগ্ৰজ ভাতৃ ধনোৰাম কোঁচ এক অজানিত কাৰণত নিৰুদ্দেশৰ জ্বালা সহিব নোৱাৰি মাক-পিতাকে বন্ধনযুক্ত কৰি ৰখাৰ মনেৰে গাঠুৰী প্ৰিয়া কোঁচৰ লগত বিয়া পাতি দিছিল।

সিদিনা অৰ্থাৎ ২৫ ছেপ্তেম্বৰৰ দিনা ৰাউতাই বৰসাদেৰী গাঁৱৰে অনাদি দত্তৰ ঘৰত তাঁতশালৰ খুটা পুতি আছিল। এনেতে ৰাস্তাত বিপুল জনসমাগমৰ মুখত স্বাধীনতাৰ শ্লোগান শুনি সকলো কাম ঠেকেঁচা মাৰি থৈ চামিল হৈ গৈছুল সেই জনস্ৰোতৰ লগত। লগত পালে তেওঁ পিতৃজ্ঞান কৰা স্বাধীনতাকামী লক্ষ্মীমোহন দত্তক। তাৰ মাজতে ঘৰত এপাক সোমাই আতলৰ পৰা পাৰ এযোৰ উলিয়াই "ৰান্ধি থবি, আহি খাম" বুলি গাঠুৰীপ্ৰিয়াক কৈ গ'ল। যি গ'ল গ'ল। নিশা ১২-৪০ বজাত আনৰ কান্ধত উঠি নিথৰ দেহেৰে সৈতে ঘৰলৈ আহিল ৰাউতা। কণমানি ছোৱালী মোক্ষদাক বুকুত সাবতি গাঠুৰীৰ লগতে বৃদ্ধ পিতাক মাকে হিয়া-আজুৰি কান্দি কান্দি বিদায় দিলে দেশপ্ৰাণ ৰাউতাক।

বজালীবাসী এফালে শোকত ম্ৰিয়মাণ হৈ পৰিল দুগৰাকীকৈ চফল ডেকাক হেৰুওৱাৰ বেদনাত আৰু আনহাতে গৌৰৱত উঠলি উঠিল প্ৰতিজন বজালীবাসী দেশমাতৃৰ পূজাৰ বেদীত দুটি পুষ্প উছৰ্গা হোৱাৰ আনন্দত মদন-ৰাউতাক হত্যা কৰা তুলাৰাম দাৰোগা কিমান অত্যাচাৰী আছিল!

১৯২৪৩ চনৰ ০৯ মাৰ্চত বিধান সভাত ৰোহিনী কুমাৰ চৌধুৰীয়ে বাজেট বিতৰ্কত অংশ গ্ৰহণ কৰি তুলাৰাম কেওট ওৰফে তুলাৰাম দাৰোগাৰ অত্যাচাৰৰ বিৰুদ্ধে অনা অভিযোগ আছিল এনেধৰণৰ -

"মই যেতিয়াই তুলাৰাম কেওটৰ অত্যাচাৰৰ বিৰুদ্ধে অভিযোগ আনো, তেতিয়াই তেওঁ চৰকাৰৰ দ্বাৰা পুৰস্কৃত হয়। হয় তেওঁ পাব কিং ক্ৰছ নতুবা ৰায়বাহাদুৰ উপাধি বা পুৰস্কাৰ। এইবাৰো তেওঁৰ বিৰুদ্ধে মই বিধান সভাত অভিযোগ আনিছোঁ। নিশ্চয় তেওঁ এইবাৰো পুৰস্কৃত হ'ব। তথাপি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ওপৰত কৰা নিৰ্মম অত্যাচাৰৰ বাবে পুনৰ তুলাৰাম কেওটৰ বিৰুদ্ধে অভিযোগ আনিলোঁ বিধান সভাৰ মজিয়াত।"

"১৯৪৩ চনৰ ২৬ জানুৱাৰীৰ দিনা আবেলি পাঠশালা হৰিমন্দিৰৰ সন্মুখত সেই অঞ্চলৰ মহিলাসকলে আয়োজন কৰা নাম-প্ৰসংগস্থলীত উপস্থিত হৈছিল অসমৰ অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানী। হঠাৎ চাৰিজন পুলিচ লগত লৈ পাটাছাৰকুছি থানাৰ সহকাৰী উপ-পৰিদৰ্শক এজন তাত উপস্থিত হয়। সহকাৰী উপ-পৰিদৰ্শকগৰাকীয়ে তেওঁৰ ওপৰৱালা থানাৰ দাৰোগাৰ নিৰ্দেশৰ অপেক্ষাত আছিল। হঠাৎ থানাৰ দাৰোগা তাত উপস্থিত হ'ল। থানাৰ দাৰোগাৰ নাম তুলাৰাম কেওট। গৈয়েই তেওঁ সমৱেত মহিলাসকলৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰে।"

তুলাৰাম কেওটে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ওপৰত কৰা অত্যাচাৰৰ বিষয়ে তেওঁ ল'ৰা তথা প্ৰাক্তন বিধায়ক অতুল শইকীয়াই মোলৈ লিখা চিঠিখন সদনৰ মজিয়াত দাঙি ধৰিলোঁ-

"সম্প্ৰতি ২৬ জানুৱাৰীৰ দিনা আবেলি পাঠশালা দৌলৰ মঠ আৰু পূজা মন্দিৰৰ সন্মুখত তিৰোতাসকলৰ এখন মেলা বহে। তাত মোৰ আই শ্ৰীযুতা শইকীয়ানীও উপস্থিত আছিল। নাম বহাৰ লগে লগে এজন এচিষ্টেণ্ট এছ আইসহ এটা সশস্ত্ৰ পুলিচ দলে নাম পহৰা দি আছিল, শেষত সিহঁতে দাৰোগালৈ কি কৰিব লাগে বুলি সুধি পঠিওৱাৰ আগতে দাৰোগা তুলাৰাম কেওট নিজে আহি হঠাৎ তিৰোতাসকলক আক্ৰমণ কৰে, প্ৰায় এশমান তিৰোতা ঘায়ল হয়। নামৰ মাহ-প্ৰসাদ লণ্ড-ভণ্ড কৰি দিয়ে আৰু আইক নামৰ মাজৰ পৰা টানি নিয়ে। তে ওঁক গ্ৰেপ্তাৰ কৰা হ'ল বুলি নোকোৱাকৈ হঠাৎ তেওঁৰ হাতত ধৰে আৰু কনিষ্টবল এজনে টানি নিয়ে। তিৰোতাসকলে আইক পিছফালৰ পৰা ধৰে। এনে হোৱাত আই বিৱস্ত্ৰাৰ দৰে হয়। তেওঁৰ গাৰ কাপোৰ-কানি খুলি যায় ঘৰু মাত্ৰ পেটিকোটটো থাকে। তেওঁ নিজে যাম বুলি কোৱাৰ পিছতো এৰি নিদি এই অৱস্থাৰেই ঢকিয়াই ঢকিয়াই নি বাছত তোলে। তাৰ পিছত থানালৈ নি দাৰোগাৰ সন্মুখতে এচিষ্টেণ্ট জনে ( মুছলমান ) জামাদাৰ এজনে তেওঁক এটা চৰ মাৰে, এটা খুন্দা মাৰে আৰু লোকাপত বন্দী ইতিহাসৰ পাতত '৪২ ৰ বজালীৰ শ্বহীদ যুগল মদন-ৰাউতা থয়। তেওঁক ৰাতি পেচাপ কৰিবলৈ পাত্ৰ দিয়া নাছিল। এই ঘটনাৰ প্ৰতিবাদত পাঠশালাৰ ৰাইজে আৰু তিৰোতাসকলে এচ ডি অ' আউগুৰ আদালতত গোচৰ তৰিবলৈ যোৱাত তেওঁ মোকৰ্দমা নল'লে। বৰ্তমান তেওঁক বিনা বিচাৰে আটক কৰি ৰাখিছে গুৱাহাটী জে'লত।"

এয়া হৈছে তুলাৰাম কেওট যাৰ অত্যাচাৰৰ দ্বাৰাই বৃটিছে স্বাধীনতাকামী মদন-ৰাউতাক হত্যা কৰাইছিল আৰু সৰ্বভাৰতীয় পৰ্যায়ৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীক বিৱস্ত্ৰা কৰাইছিল।

**শ্বহীদ যুগলৰ সমাধি ঃ**

নিশাই পুণ্য নিথৰ শৰীৰ দুটি লৈ গ'ল "জয় ভাৰত মাতা কি জয়", জয় শ্বহীদ মদন-ৰাউতা কি জয়" ধ্বনিৰে সমাধি ক্ষেত্ৰলৈ। মদনৰ পুণ্য দেহ পঞ্চভূতত বিলীন হ'ল বীৰ সনাতন কোঁচৰ "ধমধমা দুৰ্গ"ত থকা আহোমদিনীয়া "ধমধমা পুখুৰী"ৰ পাৰত আৰু "বৰসাদেৰী বৰপুখুৰী"-ৰ পাৰত সমাধিস্থ হ'ল ৰাউতাৰ পুণ্য মানৱী শৰীৰ। ধমধমা পুখুৰীৰ পাৰত মদনক সমাধিস্থ কৰি স্মৃতি হিচাপে ৰোপণ কৰি থৈ অহা আমগছডালিয়ে আজিও সোঁৱৰায় সেই সোণালী অতীত।

# ধৰ্মীয় উৎসৱ সমূহ সংস্কৃতিৰ বাহক

**গীতাশ্ৰী বৰা**

উৎসৱৰ লগত মানুহৰ জীৱনৰ এক নিবিড় সম্পৰ্ক আছে। এই উৎসৱ সমূহে আমাক নতুনকৈ জীৱনটো জীয়াবলৈ শিকায়। স্বভাৱগতভাৱে মানুহৰ মন উৎসৱ প্ৰিয়। ভাৰতবৰ্ষৰ চুকে-কোণে সকলোৱে উৎসৱ কম বেছি পৰিমাণে উদযাপন কৰে। আধ্যাত্মিক ধ্যান ধাৰণাৰে পুষ্ট হ'বলৈ আমি উৎসৱ উদ্‌যাপন কৰিব লাগে।

ঋতুৰাণী শৰতৰ আগমনৰ লগে-লগে বিভিন্ন দেৱ-দেৱীৰ পূজা আৰম্ভ হয়। গণেশ চতুৰ্থী, বিশ্বকৰ্মা পূজা, মহালয়া, নৱৰাত্ৰি, দুৰ্গা পূজা এই সমূহ পূজা উদ্‌যাপন হয়। নাৰী তত্বৰ পূজা ভাৰতীয় সংস্কৃতিৰ এক অন্যতম বৈশিষ্ট্য। সৃষ্টিৰ আদিম অৱস্থাৰ পৰাই মাতৃ পূজাৰ ওপৰত গুৰুত্ব দিছিল। কৃষি প্ৰধান দেশ বাৱে আমাৰ দেশত শস্য বৃদ্ধিৰ বাবে আৰু মাটিৰ উৰ্বৰতাৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে। আদিম অৱস্থাৰ পৰা জীয়াই থকাৰ বাবে শক্তিৰ উপাসনা কৰি আহিছে। তেতিয়াৰ পূজাৰ উদ্দেশ্য আছিল সন্তান বৃদ্ধি আৰু শস্য বৃদ্ধি। আমাৰ দেশ কৃষি প্ৰধান দেশ বাবে প্ৰায় বিলাক উৎসৱ কৃষিৰ লগত জড়িত।

ধৰ্মীয় উৎসৱ সমূহ সকলো অঞ্চলতে উদযাপন কৰে। অঞ্চলবাসীৰ সহায় সহযোগিতাত ঠাই বিশেষে এনে উৎসৱ উদযাপন কৰি আহিছে। নতুন প্ৰজন্মই এনেদৰে সমূহীয়াভাৱে উৎসৱ উদ্‌যাপন কৰি পৰম্পৰা ধৰি ৰাখিছে। এনে উৎসৱ সমূহৰ উদ্‌যাপনে আমাৰ মাজত সংস্কৃতি ধৰি ৰখাৰ লগতে ইজনে -সিজনৰ মাজত আত্মীয়তা ধৰি ৰাখিছে। আচলতে এনে উৎসৱ সমূহ পৰম্পৰা ৰক্ষা কৰা উৎসৱ বুলি ক'লৈও ভুল কোৱা নহ'ব।

আগৰ তুলনাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰত পূজাৰ সংখ্যা বৃদ্ধি হৈছে। দুৰ্গা পূজা আন আন ধৰ্মীয় উৎসৱত বহুতো লোকে অংশগ্ৰহণ কৰা দেখা যায়। সকলোৱে এনেদৰে অংশগ্ৰহণ কৰিলে আমাৰ মনত ধাৰণা হয় যে ধৰ্মীয় সংকীৰ্ণতা মানুহৰ মনৰ পৰা আতঁৰিছে। পূৰ্ব প্ৰচলিত পূজা আৰু এতিয়াৰ পূজাৰ মাজত পাৰ্থক্য থাকিবই। অত্যধিক জাকজমকতাৰ পৰা আতঁৰি থাকিবলৈ হ'লে আমি আমাৰ প্ৰজন্মক পূৰ্বৰ পূজাস্থলিৰ ৰূপৰ অলপ আভাস দিয়া উচিত। বাজেট অলপ সীমিত কৰি ৰাহি টকাৰে কেনেদৰে এটি স্থায়ী কাম কৰিব পাৰি তাৰ দিহা দিয়া উচিত। উৎসৱে আমাক শৃংখলিত হ'বলৈ শিকায়। ঐতিহ্য আৰু পৰম্পৰা ৰক্ষা কৰি মনবোৰ নিকা কৰি একত্ৰিত হৈ সকলোৱে ধৰ্মীয় উৎসৱসমূহ জীয়াই ৰখা উচিত।

# সমাগত শাৰদীয় দুৰ্গোৎসৱ আৰু পূজা সমিতিৰ ব্যস্ততা

**খগেশ্বৰ দাস**

সমাগত দুৰ্গা পূজা বা শাৰদীয় দুৰ্গোৎসৱৰ বতৰ। হিন্দু ধৰ্মালম্বী লোক সকলৰ মাজত দেৱী দুৰ্গাৰ আৰাধনাক কেন্দ্ৰ কৰি পূজা কৰা হয় আধ্যা শক্তি মহামায়া দেৱী দুৰ্গাক। হিন্দু সম্প্ৰদায়ৰ বৃহত্তৰ ধৰ্মীয়, সামাজিক ৰীতি নীতিৰ পৰম্পৰাগত উৎসৱ দুৰ্গা পূজা বা শাৰদীয় দুৰ্গোৎসৱ। শাস্ত্ৰ অনুসৰি আহিন মাহৰ শুক্ল পক্ষত আৰু চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হয় দেশৰ বহু ৰাজ্যত।



চ'ত অৰ্থাৎ বসন্ত-কালৰ দুৰ্গা পূজাক বাসন্তী পূজা আৰু আহিন অৰ্থাৎ শৰৎ-কালৰ দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজা নামে জনাজাত সমগ্ৰ বিশ্বত। ভাৰতীয় উপ-মহাদেশৰ একাধিক ৰাষ্ট্ৰই দুৰ্গা পূজা পালন কৰে নানা ধৰণে। সমগ্ৰ ভাৰতবৰ্ষৰ লগত সংগতি ৰাখি পশ্চিমবংগ, অসম, ওড়িশা, ত্ৰিপুৰা, বিহাৰ, ঝাৰখণ্ড আদি ৰাজ্যত দুৰ্গা পূজাক সৰ্বাধিক প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে পাঁচদিন-জোৰা কাৰ্যসূচীৰে উযাপিত হয় এই ৰাজ্য সমূহত। জানিব পৰা মতে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলেও দুৰ্গা পূজা পালন কৰে উলহ-মালহেৰে।

আহিনৰ মাহৰ শুক্ল পক্ষৰ ষষ্ঠতম দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ কৰি দশমী পৰ্যন্ত থাকে এই বিশেষ দিনৰ মাদকতা শাৰদীয় দুৰ্গোৎসৱৰ মাহাত্ম্য। ষষ্ঠী পূজা, মহাসপ্তমী পূজা, মহাষ্টমী পূজা, মহানৱমী আৰু বিজয়া দশমী পূজা একচিত্তে, একমনে শাৰদীয় দেৱীক পূজা অৰ্চনা কৰিলে জীৱ কুলৰ মংগলৰ লগতে বহু অপায় অমংগল দূৰ হয় বুলি লোক বিশ্বাস আছে। দেৱী দুৰ্গাৰ মহালয়াৰ পৰা আৰম্ভ কৰি আগমনি যাত্ৰাৰ শুভ সংকেতে জীৱ কুলত বিৰাজ কৰে এক আনন্দৰ।

অসুৰ ৰূপী ঋনাত্মক শক্তিক নাশ কৰি মানৱ সমাজত ধনাত্মক বাৰ্তা বিলাবলৈ স্বৰ্গৰ পৰা মৰ্ত্ত্যলৈ আগমন ঘটে দেৱী দুৰ্গাৰ। ধৰ্মগ্ৰন্থ অনুসৰি দেৱী দুৰ্গাৰ পিতৃ দক্ষ ৰজাৰ গৃহত বিশাল যজ্ঞৰ আয়োজনত উপস্থিত হয় মা দেৱী দুৰ্গা। দেৱী দুৰ্গাই লগত লৈ আনে পুত্ৰ কন্যা কাৰ্তিক, গণেশ, লক্ষ্মী আৰু সৰস্বতী। দেৱী দুৰ্গাৰ পিতৃ গৃহৰ আগমনি যাত্ৰাৰ মাজ বাটত মহিষাসুৰ লগত বহু সংগ্ৰামৰ অন্তত জীৱ কুলৰ মংগলৰ বাবে মাঁ আহে মৰ্ত্ত্যলৈ। এই পাচঁ দিনীয়া বিশেষ দিন কেইটাত ভক্তই বিভিন্ন ধৰণে দেৱী দুৰ্গাক পূজা অৰ্চনাৰে আৰাধনা কৰাৰ লগতে বলি বিধান যেনে - ম'হ, ছাগলী, হাঁহ, পাৰ, আদি মাংগলিক ৰীতি নীতিৰে পূজা অৰ্চনা সম্পন্ন কৰা হয় দেৱী দুৰ্গাৰ শ্ৰীচৰণত। পৌৰাণিক ইতিহাস মতে দেৱী দুৰ্গাক সন্তুতষ্ট কৰাৰ নিমিত্তে নৰ বলি হৈছিল যদিও কিছু ঠাইত এতিয়াও নৰ বলি হয় বুলি অনুমান কৰিব পাৰি। দেৱী দুৰ্গাৰ মহিমা অপাৰ। দেৱী দুৰ্গাৰ নৱদুৰ্গা (৯ ৰূপে) হৈছে শাৰদীয়া নৱৰাত্ৰিত পূজিতা দেৱীৰ নৱ ৰূপ। শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতিদিনে বিশেষ ৰূপে পূজা কৰা হয় দেৱী দুৰ্গাক। এই ৯ ৰূপক নৱ পত্ৰিকা বুলিও জনাজাত। যেনে-

শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু চাৰিধৰ্ম আৰু আঠসিদ্ধিৰ শক্তি দায়িনী, সৰ্বশক্তি পূৰ্ণ, ভক্তক সিদ্ধি, সমৃদ্ধি, মুক্তি প্ৰদায়িনী সিদ্ধিদাত্ৰী। উক্ত নৱ ৰূপে দেৱী দুৰ্গাক পূজা কৰিলে জীৱনত শক্তি, জ্ঞান, সমৃদ্ধি, শান্তি আৰু মুক্তি লাভৰ লগতে জীৱ কুলৰ মংগল সাধন হয় ইত্যাদি। এতিয়া আমি যাও পূজা পৰিচালনা সমিতিৰ মাজলৈ। পূজাৰ দিন চমু চপাৰ লগে-লগেই পূজা সমিতিৰ প্ৰতিজন বিষয়-ববীয়া ব্যস্ত হৈ থাকে নিজ নিজ দ্বায়িত্ব পালন কৰি যাবলৈ। আটক ধুনীয়াকৈ সজাই তোলা হয় নিজ নিজ পূজাৰ মণ্ডপসমূহ। লাখ লাখ টকাৰ বাজেটেৰে প্ৰস্তুত কৰা হয় পূজা মণ্ডপ। নানা ৰঙী আলোক-সজ্জাৰে উজ্জ্বলিত হৈ উঠে পূজাথলী সমূহ।

পূজা সমিতি সমূহৰ বিভিন্ন ধৰণে ব্যস্ত থকাৰ উপৰিও দুই তিনি মাহ আগতে ৰাজহুৱা সভা আহ্বান কৰি পূজা সমিতিয়ে ৰাইজক অৱগত কৰে আগন্তুতক পূজাৰ বিষয় বস্তুৰ ওপৰত। কিছু কিছু ক্ষেত্ৰত পূজা পৰিচালনা সমিতিৰ স্থায়ী সভাপতি-সম্পাদকে বহু বছৰ ধৰি দ্বায়িত্ব পালন কৰা পাছত ৰাজহুৱা সভাত পদত্যাগ কৰি নতুনকৈ আকৌ গঠন হয় পূৰ্ণাংগ পূজা পৰিচালনা সমিতি। পূজা সমিতিয়ে পূজাৰ প্ৰাগ্ মুহূৰ্তত বহু ধৰণৰ ব্যস্ততাৰ মাজত থাকিব লগীয়া হয়। যেনে আৰ্থিক মাননি বিচাৰি ৰাইজৰ ওচৰলৈ যোৱা, নিজ নিজ মণ্ডপ লোক সজ্জাৰে নিৰ্মাণ কৰি তোলা, লগতে অন্যান্য প্ৰস্তুতিৰ কামত ব্যস্ত হৈ থকা আদি। ইফালে - খনিকৰ, মৃণ্ময় শিল্পী, আৰু নিৰ্মাণকৰ্তাসকলেও নিৰ্দিষ্ট ঠাইত মণ্ডপ সজাই তুলিবলৈ দুই-তিনি মাহ আগৰ পৰাই ব্যস্ত হৈ থাকে। এই প্ৰস্তুতি সমূহৰ বাবে প্ৰশাসনেও বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰে পূজা সমিতি সমূহলৈ। পালন কৰি যাবলগীয়া হয় আইনৰ নীতি নিয়মসমূহ।

পূজাৰ প্ৰস্তুতিসমূহ বিশেষকৈ পূজা সমিতিৰ সদস্যসকলে ব্যতিক্ৰমী আৰু আকৰ্ষণীয় মণ্ডপ নিৰ্মাণৰ বাবে ব্যস্ত থাকে কেতিয়াবা মণ্ডপ নিৰ্মাণ ৰূপ সজ্জাত। শিল্পী আৰু খনিকৰ সকলকো প্ৰতিমা নিৰ্মাণৰ আদেশ দিয়াৰ লগতে প্ৰশাসনিক নীতি-নিৰ্দেশনা সমূহ সুচাৰুপে পালন কৰাত ব্যস্ত থাকিব লগীয়া হয় পূজা পৰিচালনা সমিতি। পূজাৰ সময়ছোৱাত ৰাজ্যৰ জিলা প্ৰশাসনেও দুৰ্গা পূজাৰ বাবে বিশেষ কেতবোৰ বান্ধি দিয়াৰ উপৰিও নীতি-নিৰ্দেশনা জাৰি কৰি পূজাৰ বাবে এছ অ' পি (SOP)ৰ লগতে আয়োজক সমিতিসমূহে মানি চলিব লাগে নিৰ্দেশনা। ইয়াৰ ব্যতিক্ৰম নহয় অসমৰ দুৰ্গা পূজা।

অসমৰ বাবে দুৰ্গা পূজা এক ডাঙৰ সামাজিক আৰু ধৰ্মীয় উৎসৱত পৰিণত হৈছে বৰ্তমান সময়ত। অসমৰ বৰ্তমান বিজেপি নেতৃত্বাধিন অসম চৰকাৰে বিগত কেইবা বছৰৰ পৰা পূজা সমিতি সমূহক উদগনিমূলক-ভাৱে কিছু এককালীন আৰ্থিক সহায়ৰ হাত আগবঢ়োৱা পৰিলক্ষিত দেখা যায়। এই সময়ত অসমৰ আকাশ বতাহ শাৰদীয় আকাশত এক বিশেষ পৰিৱেশৰ সৃষ্টি হয়। ভক্তপ্ৰাণ ৰাইজৰ মাজত আনন্দ মুখৰ পৰিবেশে বিৰাজ কৰি ভাতৃত্ববোধৰ লগতে শান্তিৰ বাতা বৰণ সৃষ্টি কৰে।

অসমৰ লগতে পশ্চিমবংগ, ওড়িশা, ত্ৰিপুৰা, বিহাৰ, আৰু ঝাৰখণ্ড আদি ৰাজ্যত বহুলভাৱে দুৰ্গা পূজাৰ মাহাত্ম্য অন্যতম।

চেলেংহাটত আটাছু আৰু আছাৰ গণশিল্পীলৈ শেষ শ্ৰদ্ধাঞ্জলি

# চেলেংহাটত আছুৰ উদ্যোগত স্থাপন হ'ব জুবিন গাৰ্গৰ আৱক্ষ মূৰ্তি

**অসম বাৰ্তা, আমগুৰি, ২৩ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটত স্থাপন হ'ব সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ আৱক্ষ মূৰ্তি। যোৱা সোমবাৰে চেলেংহাটৰ ষ্টেচনৰ চাৰিআলিত চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা "মৃত্যুঞ্জয়ী কিংবদন্তিৰ এটি সন্ধ্যা" শীৰ্ষক এক অনুষ্ঠানত এই কথা ঘোষনা কৰে চেলেংহাটৰ বিশিষ্ট সমাজকৰ্মী তথা নিচামুক্তি অভিযানৰ এজন অক্লান্ত প্ৰহৰী তুষাৰ পালে। উল্লেখ্য যে অসমৰ হিয়াৰ আমঠু হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যৰ লগতে চেলেংহাটটো পৰিছে শোকৰ ছাঁ। বিভিন্ন অঞ্চলত শিল্পী জনাক শ্ৰদ্ধাঞ্জলি জনোৱাৰ মাজতে যোৱা সোমবাৰে চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাই শিল্পী জনাক স্মৰণ কৰাৰ মানসেৰে আয়োজন কৰিছিল গীতৰ এসন্ধ্যা। উক্ত অনুষ্ঠানৰ শোকাকুল পৰিবেশৰ মাজতেই সমাজকৰ্মী পালে চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা চেলেংহাট প্ৰেছ ক্লাবৰ পূৰ্ণ সহযোগিতাত প্ৰাণৰ শিল্পীগৰাকীৰ আৱক্ষ মূৰ্তি নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰে। চেলেংহাটৰ সমাজকৰ্মী তুষাৰ পালৰ এই পদক্ষেপক জুবিন অনুৰাগীৰ লগতে সমগ্ৰ অঞ্চলটোৰ ৰাইজে আদৰনী জনায়। চেলেং আঞ্চলিক শাখা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্তৰ্গত ৩৪২ নং পদুমনি জাপিসজীয়া প্ৰাথমিক শাখাই নামঘৰত একত্ৰিত হৈ শিল্পীজনালৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চেলেংহাটৰ টেঙাবাৰী গাঁৱত অনুষ্ঠিত হবলগীয়া সদৌ অসম ভিত্তিক ভাওনা প্ৰতিযোগিতাস্থলীতো জুবিন গাৰ্গলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধ্যালৈ চেলেং উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা টিয়ক আৰু চেলেংহাট আঞ্চলিক সমিতি, কৰম সন্মিলন উদযাপন সমিতি, চেলেং বাগিছাৰ প্ৰধান পৰিচালক, চেলেং, মাজনৈ আৰু ৰনখাম বাগিচা সংঘৰ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ৱ জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হয়। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি ৰাজু কিস্কু, বিশিষ্ট সমাজকৰ্মী তথা কৰম সন্মিলন উৎযাপন সমিতিৰ সভাপতি নিলোৎপল গগৈ, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক বিকাশজ্যোতি গগৈ, মৰিয়ণীৰ শিক্ষাবিদ বিকাশ নায়ক, মৰিয়ণী মহাবিদ্যালয়ৰ প্ৰৱক্তা কুমাৰ পানতাঁতি, ১৩ নং চেলেং আঞ্চলিক পঞ্চায়তৰ সদস্য মণ্টু চুতীয়া, সমাজকৰ্মী আলতাফ হুছেইনকে ধৰি আদিবাসী ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু বহু গুণমুগ্ধ উপস্থিত থাকে। সেইদৰে আজি চেলেং কলিপানী তিনিআলিত আটাছু চেলেংহাট আঞ্চলিক সমিতিৰ উদ্যোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। যোৰহাট জিলা আটাছুৰ সম্পাদক মণ্টু ফুকনে আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে চেলেংহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া যতীন বৰাই। উল্লেখযোগ্য যে অনুষ্ঠানত চেলেংহাট লোণপুৰীয়া গাঁৱৰ শতাধিক মহিলাই মমবাতি জ্বলাই সমদল কৰি উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰোপৰি আজি সন্ধ্যা চেলেংহাটৰ উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰ্ সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগতো প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। শিল্পীজনৰ প্ৰতিচ্ছবিৰ সন্মুখত উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰ্ সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ পৰম্পৰা অনুসৰি সাত গছ বন্তি প্ৰজ্বলন কৰা হয়। প্ৰথমগছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে সামাজিক সাংস্কৃতিক অনুষ্ঠানটোৰ উপদেষ্টা পবিত্ৰ গগৈয়ে। সম্পাদক অনুপম গগৈয়ে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জেষ্ঠ সাংবাদিক জ্যোতি প্ৰসাদ গগৈ, অসম গ্ৰামীণ বিকাশ বেংকৰ পৰিচালক দিব্যজ্যোতি পেগু, আছুৰ চেলেংহাট আঞ্চলিক সমিতিৰ সভাপতি সুবীৰ নেওগ, চেলেংহাট ব্যৱসায়ী সন্থাৰ সভাপতি উত্তম বৰুৱাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি আৰু ৰাইজ উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰ সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সভাপতি তথা জুবিন গাৰ্গৰ মহাবিদ্যালয়ৰ সতীৰ্থ কাজু গগৈয়ে জুবিনৰ সান্নিধ্যৰ বিষয়ে বৰ্ণনা কৰে।

# টংলাৰ কেউদিশে জুবিন দা অমৰ হওক ধ্বনি

## টংলা চাৰিআলিত সাহিত্য সভা, আক্ৰাছুই জনালে

**ষ্টাফ ৰিপৰ্টাৰ টংলা, ২৩ ছেপ্টেম্বৰ:** অসমীয়া জাতিৰ হৃদস্পন্দন, প্ৰাণৰো প্ৰাণৰ গণশিল্পী, অমৃতকণ্ঠ জুবিন গাৰ্গৰ মহাপ্ৰস্থানত আজিও টংলা চহৰৰ লগতে গাঁৱে গাঁৱে ঘৰে ঘৰে শ্ৰদ্ধাৰ্ঘ্য জনাইছে। মৰমৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহ আজি ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত কৰা উপলক্ষে স্বৎস্ফুৰ্তভাৱে টংলাৰ দোকান পোহাৰৰ লগতে মঙ্গলবৰীয়া বজাৰ বন্ধ হৈ পৰিছে। সন্ধিয়া ওদালগুৰি জিলা সাহিত্য সভা, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই ৰাইজৰ সহযোগত টংলা চাৰি আলিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বৰাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান খনত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ওদালগুৰিৰ জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলি আহমেদ আৰু ওদালগুৰি জিলা আক্ৰাচুৰ সভাপতি মিণ্টু বৰুৱাই। অনুষ্ঠান খনত সহযোগ কৰে জুবিন গাৰ্গ অনুৰাগী ৰাইজৰ লগতে টংলা সাহিত্য সভা, টংলা আঞ্চলিক ছাত্ৰ সন্থা, টংলা লেখিকা সমাৰোহ, টংলা জ্যেষ্ঠ নাগৰিক সন্থা, সদৌ অসম আবৃত্তি সন্থা, সদৌ টংলা ৰঙালী বিহু সন্মিলন, অসম জাতীয়তাবাদী ছাত্ৰ সন্থা টংলা আঞ্চলিক, টংলা মাৰোৱাৰী সমাজ আৰু বহুতো গুণমুগ্ধ সকলে। আজি পুৱা গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ত কণমানি ছাত্ৰ ছাত্ৰী, শিক্ষক -শিক্ষয়িত্ৰী, অভিভাৱকেও জুবিন দাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। জুবিন দা অমৰ হওক ধ্বনিৰে মুখৰিত কৰিছে আকাশ বতাহ। মহাপ্ৰয়াণৰ বাতৰি বিয়পি পৰা দিনাৰ পৰা আজি নশ্বৰ দেহ চিতাত বিলীন হৈ যোৱালৈকে সময়ছোৱা অসমীয়া জাতিৰ হৃদস্পন্দন জুবিন গাৰ্গদেৱৰ মহাপ্ৰয়াণত টংলা চহৰৰ অলিয়ে গলিয়ে, গাঁৱে গাঁৱে, ঘৰে ঘৰে শোকৰ বন্যা বৈছে। টংলা নগৰৰ দোকান পোহাৰ স্বত্স্ফুৰ্তভাৱে স্তব্ধ হৈ পৰিছে। টংলা পৌৰ সভাই জুবিনৰ আলোকচিত্ৰ সম্বলিত বেনাৰ ওখ ওখ ঠাইত আঁৰিছে। টংলা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতি, টংলা আঞ্চলিক সমিতি, টংলা আঞ্চলিক বাদ্য যন্ত্ৰ আৰু কণ্ঠশিল্পী মঞ্চ, জুবিন গাৰ্গ ফেন ক্লাব, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা, টংলা ব্যৱসায়ী সন্থা, টংলা ভেটাৰণ এচোচিয়েছন, পুৰন্দিয়া মৌচুমী সংঘ, ছৈবাৰী আঞ্চলিক বিহু উৎসৱ উদযাপন সমিতি, পূৱ টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চ, নৱ জ্যোতিষ্ক সংঘ, পানেৰী আঞ্চলিক আক্ৰাছু, আছা, টংলা আৰছু, জঙঘলপাৰা গাঁও, মাজগাঁও দীপজ্যোতি সংঘ, ছৈবাৰী, গেৰুৱা, চিত্ৰনগৰ, জলাহ, মিলনপুৰ, সুভাষপল্লী, টংলা তিনি আলি, টংলা হস্পিটেল চক, বনিয়াপাৰা, ব্ৰহ্মহিত সাধিনী সাহিত্য কানন আদি অনেক অনুষ্ঠানৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি জনাইছে। টংলা সাহিত্য সভাই তিনিদিনৰ বাবে অসম সাহিত্য সভাৰ পবিত্ৰ পতাকা অৰ্ধনমিত সন্মান জনাইছে। বিজেপি, বিপিএফ, ইউ পিপিএল, ৰাইজৰ দল, কংগ্ৰেছ দল, নেচনেল পায়নিয়াৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুল, প্ৰেছিডেন্সি চিনিয়ৰ চেকেণ্ডেৰী স্কুল, ভূএগ্ৰাখাট সাহিত্য সভা, পশ্চিম টংলা যুৱ মঞ্চ, টংলা যুৱ মঞ্চ, শিল্পী সমাজ, টংলা, জলাহ যুৱ জ্যোতি সংঘ, এৰাবাৰী দৈমালু সংঘ, আদিয়েও শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাইছে। দাপোন দ্য মিৰৰৰ সঞ্চালক বিশিষ্ট নাট্য যোদ্ধা জুবিনৰ বন্ধু পবিত্ৰ ৰাভা, বিশিষ্ট সাহিত্যিক জয়ন্ত চক্ৰৱৰ্তী, অঞ্জলি চক্ৰৱৰ্তী, জ্যেষ্ঠ সাংবাদিক গৌৰী শংকৰ দাস, জয়ন্ত কুমাৰ দাস, ব্যাস সংগীতাচাৰ্য গুণীৰাম ৰাভা, বিশিষ্ট সাংস্কৃতিক সংগঠক তৰুণ আজাদ ডেকা, শিল্পী প্ৰফুল্ল কুমাৰ বৰুৱা, যুৱ কণ্ঠ শিল্পী ফুকন বড়ো, গিৰিশ গৌতম, বেহেলা বাদক নৱজিৎ দাস, সাংস্কৃতিক কৰ্মী মিঠু বড়ো, কিৰণ ডেকা, কমলেশ্বৰ ৰাভা, জিতু ডেকা, জ্যোতি প্ৰসাদ কলিতা, পাৰ্থ প্ৰতীম পাঠক, ড"ৰ হৰিৰাম দাস, জ্ঞানেন্দ্ৰ কুমাৰ চলিহা, বিশিষ্ট কবি ঘটেশ্বৰ বৰুৱা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বৰা আদিয়েও প্ৰিয় শিল্পীগৰাকীৰ অকাল মৃত্যুত মৰ্মাহত হৈ পৰিছে। টংলা চাৰিআলি, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জ্যেষ্ঠ, কনিষ্ঠই গাইছে ধুমুহাৰ স'তে মোৰ আৰু এহেজাৰগছি বন্তি প্ৰজ্বলন কৰি জনাইছে আন্তৰিক শ্ৰদ্ধাঞ্জলি। টংলা চহৰ আৰু উপকণ্ঠ অঞ্চলৰ প্ৰতিখন ঠাইতে গুণমুগ্ধ আৰু নৱ প্ৰজন্মই শিল্পী গৰাকীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰিছে। আজি অনুষ্ঠান প্ৰতিষ্ঠান সমূহক ফ্লেঁ চাইনৰ স্বত্বাধিকাৰী ধন নাথে অনুষ্ঠান প্ৰতিষ্ঠান সমূহক বিনামূলীয়াকৈ আগবঢ়াইছে প্ৰিয় শিল্পী গৰাকীৰ আলোকচিত্ৰ।

# ডুমডুমাত হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনাৰে মম লৈ ৰাইজৰ সমদল



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৩ ছেপ্টেম্বৰ ঃ** অসমৰ জনসাধাৰণৰ হিয়াৰ আমঠু, নৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰে আজি বিদায় মাগিলে। নিজৰ গুণ-গৰিমাৰে প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত স্থান লাভ কৰা এইগৰাকী মহান শিল্পীয়ে মৃত্যুৰ পাছতো ৰচিলে বিশ্ব অভিলেখ। এই শিল্পীগৰাকীৰ মহাপ্ৰয়াণৰ দিনা সন্ধিয়াৰে পৰা ডুমডুমা চহৰৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি গান্ধী মূৰ্তিৰ সমীপত অনুষ্ঠিত কৰা ৰাজহুৱা শ্ৰদ্ধাঞ্জলিস্থলীত একেলেথাৰিয়ে আজি পঞ্চম দিনাও ৰাইজে শ্ৰদ্ধাঞ্জলি জনোৱাৰ অন্তত সন্ধিয়া চহৰখনত মমবাতি জ্বলাই সমদল কৰি হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনা কৰে। জুবিন গাৰ্গৰ বহুকেইটা চিৰযুগমীয়া গীত এই সমদলত স্থানীয় শিল্পী তথা ৰাইজে পৰিৱেশন কৰে। আনহাতে অসম চাহ জনজাতি ছাত্ৰ সন্থা, ফটিকজান প্ৰাথমিক গোটৰ উদ্যোগত আৰু ফটিকজানবাসী আৰু বিছাকুপি চাহ বাগিছাৰ ৰাইজৰ উদ্যোগতো বাগিচাখনৰ পৰা এক মমবাতি সমদল উলিয়াই ডুমডুমা চহৰখন পৰিভ্ৰমণ কৰি চহৰৰ মাজমজিয়াত অৱস্থিত গান্ধী মূৰ্তিৰ সমীপত অনুষ্ঠিত কৰা শ্ৰদ্ধাঞ্জলি স্থলীত প্ৰায় সহস্ৰাধিক লোক উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰি মায়াবীনি গীতটো সকলোৱে একেলগে পৰিৱেশন কৰে। এই সমদলত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ সহকাৰী সম্পাদক সুৰজিৎ মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, সম্পাদক নিত্যানন্দ দাস, ডুমডুমা আৰক্ষী থানাৰ পৰিদৰ্শক প্ৰাঞ্জল চেতিয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক হিৰকজ্যোতি মৰাণ, সহকাৰী সম্পাদক ছত্ৰপতি মৰাণকে প্ৰমুখ্য কৰি যথেষ্টসংখ্যক বিশিষ্ট ব্যক্তি আৰু সাংস্কৃতিক কৰ্মী উপস্থিত থাকে। আনহাতে ৰূপাই চাইডিঙটো শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই মম জ্বলাই এক সমদল উলিয়ায়।

# মোৰাঝাৰত নিষিদ্ধ গো-মাংসসহ চাৰিজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মোৰাঝাৰ, ২৩ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ মোৰাঝাৰত নিষিদ্ধ গো মাংস সহ চাৰিজনজন লোক মোৰাঝাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোককেইজন ক্ৰমে- আলতাব উদ্দিন, পাৰুল আহমেদ, কমৰুল ইছলাম চাইদুল ইছলাম বুলি জানিব পৰা গৈছে। উল্লেখ্য যে মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিখিল চন্দ্ৰ ৰয়ৰ নেতৃত্বত চলা অভিযানত দক্ষিণ নোৱাবিল আৰু কৰৈয়নিত অভিযান চলাই আটক কৰে চাৰিজনকৈ লোকক। লগতে মুঠ ৩০ কেজি গো মাংস জব্দ কৰিবলৈ সক্ষম হয়। আজি আৰক্ষীয়ে শ্ৰীমন্তশঙ্কৰদেৱৰ নগৰ আদালতৰ যোগেদি আটাইকে নগাঁও জেললৈ প্ৰেৰণ কৰে।

# প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত শোকত বিহ্বল কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ২৩ ছেপ্তেম্বৰঃ** জনতাৰ শিল্পী, যুৱ প্ৰজন্মৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ডিব্ৰুগড় হনুমানব' সূৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্বশাসিত) শিক্ষাৰ্থীসকল শোকত ভাগি পৰিছে। মহাবিদ্যালয়খনৰ



শিক্ষাৰ্থীসকল আবেগিক হৈ চকুপানী টুকিছে। কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে মৰমৰ শিল্পীজন আঁতৰি যোৱাৰ অনুভৱ হয়তো হৃদয়ৰ পৰা গ্ৰহণ কৰিব পৰা নাই। সন্ধিয়া সহস্ৰাধিক মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীয়ে হাতে হাতে মমবাতি জ্বলাই শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে আৰু মহাবিদ্যালয়ৰ চৌহদৰ পৰা থানা চাৰিআলিলৈকে এক মৌন সমদল বাহিৰ কৰে। কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০শশীকান্ত শইকীয়াই। শিল্পীগৰাকীৰ বিয়োগত আবেগিক হৈ মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীয়ে কয়- এটা উজ্জ্বল জ্যোতিষ্ক যেন পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। মৌন সমদল বাহিৰ কৰাৰ পূৰ্বে তেওঁ কয়- জুবিন গাৰ্গে কিশোৰ অৱস্থাত বহুকেইগৰাকী শিল্পীৰ স'তে ডিব্ৰুগড়ত সংগীতৰ চৰ্চা কৰিছিল আৰু মহাবিদ্যালয়খনৰ প্ৰৱেশ দ্বাৰৰ সন্মুখতে তেওঁলোকে সংগীতৰ চৰ্চা কৰিছিল। এই ক্ষেত্ৰত তেওঁ দিগন্ত শৰ্মা, ডনী হাজৰিকা, চবিন কুমাৰ দাস, ভাস্কৰ ৰাজকোঁৱৰ, ভাস্কৰ শইকীয়া, ৰানা ৰয় প্ৰমুখ্যে বহুকেইজন শিল্পীৰ নাম ৰোমন্থন কৰে। তেওঁ শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয়- সকলোৱেই যেন নিজৰ হৃদয়ত মহান শিল্পীগৰাকীক স্থান দি শিল্পীগৰাকীৰ অমৰত্ব ৰাখিবলৈ চেষ্টা কৰে। মৌন সমদল বাহিৰ কৰা অনুষ্ঠানৰ আঁত ধৰে অধ্যাপক ড° বিৰাজ দত্তই। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ১৯ ছেপ্তেম্বৰৰ সন্ধিয়াও অনুৰূপ ধৰণে মমবাতি লৈ মৌন সমদল বাহিৰ কৰিছিল। এই কাৰ্যসূচীৰ উদ্যোগ লয় মহাবিদ্যালয়খনৰ কক্মিণীদেৱী কানৈ ছাত্ৰী নিবাসৰ মনিট্ৰেছ ভাৰ্চি গগৈ আৰু প্ৰণামী সন্দিকৈৰ লগতে ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ জ্যেষ্ঠ আবাসী চিন্ময় কলিতাই।

'মাণিক' উন্মোচন জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাৰ

# বিশিষ্ট লেখক, ইতিহাসবিদ, সমাজ সংগঠক, শিৱনাথ সোণোৱালৰ স্মৃতিচাৰণ সভা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰ ঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক-মুখ্য সম্পাদক, সোণোৱাল কছাৰী জনগোষ্ঠীৰ বিশিষ্ট গৱেষক, সমাজ সংগঠক, সোণোৱাল কছাৰীসকলৰ ভাষা-সংস্কৃতি আৰু সংবিধান প্ৰদত্ত অধিকাৰ সমূহৰ বিষয়ে সদা-সচেতনতাৰে সেৱা আগবঢ়োৱা সফল ব্যক্তি ডিব্ৰুগড় খনিয়াগাঁৱৰ নিবাসী অয়লাসগত শিৱনাথ সোণোৱালৰ স্মৃতিচাৰণ সভাখনি আজি ডিব্ৰুগড় খনিয়াগাঁৱত অনুষ্ঠিত হয়। সদৌ অসম সোণোৱাল কছাৰী নাৰী সন্থাৰ সভানেত্ৰী ৰশ্মিৰেখা সোণোৱাল আৰু উদীয়মান লেখক বিষ্ণু সোণোৱালৰ সম্পাদনাত প্ৰকাশিত স্মৰণিকা 'মাণিক' উন্মোচন কৰে বিশিষ্ট লেখক, জ্যেষ্ঠ সাংবাদিক, অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাই। উন্মোচক বৰাই ভাষণত প্ৰয়াত শিৱনাথ সোণোৱাল প্ৰকৃত এগৰাকী বিশাল প্ৰতিভাধৰ ব্যক্তি বুলি অভিহিত কৰি সোণোৱালৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। নিয়তিৰ পৰিহাসক স্বীকাৰ কৰি প্ৰয়াত শিৱনাথ সোণোৱালৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰ কৰা লগতে তেখেতৰ কৰ্মময়জীৱনৰ ওপৰত আলোক পাঠ কৰে। অনুষ্ঠানত প্ৰয়াত সোনোৱালৰ আত্মীয় কুটুম, শুভাকাংক্ষী- বন্ধুবৰ্গ লগতে স্থানীয় ভকত বৈষ্ণৱে অংশ গ্ৰহণ কৰি আত্মাৰ সদ্গতি কামনাৰে মৌন প্ৰাৰ্থনা কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। সভাত যশস্বী সমাজ সংগঠক গৰাকীৰ বিশাল প্ৰতিভাৰ ব্যক্তিত্ব আৰু ব্যতিক্ৰমী জীৱনশৈলীৰ ওপৰত আলোকপাত কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰাখে। সভাত উপস্থিত থাকে - সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, সোণোৱাল কছাৰী সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱাল, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেবানন্দ চেলেং, দেউৰী সাহিত্য সভাৰ প্ৰধান সম্পাদক অৰন দেউৰী, অৱসৰপ্ৰাপ্ত আয়ুক্ত ভুৱন চন্দ্ৰ বড়া, সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পাৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, ডাঃ জিতেন বড়া, ৰতন সোণোৱাল, অহিন্দ্ৰ শইকীয়া, বলিন দেউৰীকে প্ৰমুখ্য কৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাখনিৰ আতঁধৰে ৰশ্মিৰেখা সোণোৱালে।

# গৌৰীপুৰৰ গণেশ আখৰত জুবিন গাৰ্গক অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, গৌৰীপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু সংগীতৰ সম্ৰাট জুবিন গাৰ্গৰ অকাল প্ৰয়াণত সমগ্ৰ ৰাজ্যই এতিয়াও শোকাভিভূত। দেশবিদেশত থকা লক্ষাধিক অনুৰাগীৰ হৃদয়ত এক গভীৰ শূন্যতা সৃষ্টি কৰি যোৱা এই দুঃখজনক ঘটনাক লৈ শ্ৰদ্ধাঞ্জলিৰ বন্যা আজিও অব্যাহত আছে। তেনে সময়তে, ধুবুৰী জিলাৰ গৌৰীপুৰৰ গণেশ আখৰত আজি সন্ধিয়া ৭ বজাত ভয়েচ অফ কোচৰ উদ্যোগত স্থানীয় ৰাইজে জুবিন গাৰ্গক অশ্ৰুভৰা নয়নেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শতাধিক অনুৰাগী উপস্থিত থকা অনুষ্ঠান খনত প্ৰথমে শিল্পী গৰাকীক মাল্যদান আৰু পুষ্পাঞ্জলি নিবেদন কৰা হয়। তাৰ পিছত জুবিনৰ এক অনুৰাগীয়ে তেওঁৰ জনপ্ৰিয় গীত "মায়া বিনি ৰাতিৰ বুকুত" পৰিৱেশন কৰি সকলো উপস্থিত শ্ৰোতা ৰাইজক অশ্ৰুসিক্ত কৰি তোলে। তাৰ পিছত চহৰৰ মাজেৰে এক শোভাযাত্ৰা উলিয়াই প্ৰয়াত লোকশিল্পী প্ৰতিমা বৰুৱা পাণ্ডে বাইদেউৰ প্ৰতিমূৰ্তিৰ কাষত থমকি ৰয়। শোভাযাত্ৰাত বিভিন্ন স্থানীয় সংগঠন, যুৱসমাজ আৰু সাধাৰণ লোকৰ উপস্থিতিয়ে এক আবেগঘন পৰিৱেশৰ সৃষ্টি কৰে। আকৌ গণেশ আখৰলৈ ঘূৰি আহি, উক্ত অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলে সাংবাদিকৰ আগত জুবিন গাৰ্গৰ সংগীত জগতলৈ অবদানৰ বিষয়ে নিজৰ মতামত প্ৰকাশ কৰে। আৰু স্থানীয় কলাকুশলীয়ে প্ৰয়াত শিল্পী জুবিন গাৰ্গে গোৱা দেহ তত্ত্ব কোচ ৰাজবংশী গীত পৰিৱেশন কৰে আৰু তাৰ ফলত মানুহবোৰে আৰু মৰ্মাহত হয়। পিছত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ অন্তত, সকলো উপস্থিত লোকে ভগৱানৰ ওচৰত ১ মিনিট মৌন প্ৰাৰ্থনা কৰে। ধুবুৰী জিলাৰ গৌৰীপুৰীয়া ৰাইজৰ মাজত এটা স্পষ্ট মত হ'ল যে সংগীতৰ জগতত হিয়াৰ আমঠু জুবিন গাৰ্গে ৰেখাংকিত কৰা স্থান কোনোদিনে পূৰণ হ'ব নোৱাৰে।

# দেওমৰনৈৰ মহলীয়াপাৰাত সহস্ৰাধিক বন্তি প্ৰজ্বলনেৰে হাৰ্টথ্ৰৱলৈ শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, দেওমৰনৈ, ২৪ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাৰ ভিন্ন প্ৰান্তত হিয়াৰ আমঠু, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল বিয়োগত মৰ্মাহত হৈ আজি চতুৰ্থ দিনাও অব্যাহত আছে শ্ৰদ্ধাঞ্জলি আৰু সমদল কাৰ্যসূচী বিগত তিনি দিনৰ দৰে সোমবাৰে পশ্চিম দৰঙৰ মহলীয়াপাৰাত স্থানীয় বনিক সন্থাৰ উদ্যোগত আৰু আঞ্চলিক ৰাইজৰ সহযোগত মহলীয়াপাৰা চকত প্ৰয়াত শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। সন্ধিয়া ছয় বজাত আৰম্ভ কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ প্ৰথমগছি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট যুৱ ব্যৱসায়ী হিৰণ্য বৰুৱাই। অঞ্চলটোৰ প্ৰায়বোৰ অনুষ্ঠান যেনে পদুম পুখুৰী শাখা সাহিত্য সভা, ৰঙ্গতীৰ্থ কলা কেন্দ্ৰ, দৰং, সাংস্কৃতিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদুম পুখুৰী প্ৰাথমিক শাখাই সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমান্তৰালভাবে প্ৰায় এহেজাৰগছি বন্তি প্ৰজ্বলন কৰে বনিক সন্থাৰ সভাপতি, সম্পাদক, সদস্যকে প্ৰমুখ্য কৰি জুবিন অনুৰাগীসহ অঞ্চলটোৰ বিশিষ্ট নাগৰিক সকলে ইয়াৰ পিছতে প্ৰিয় শিল্পী গৰাকীক সন্মান জনাই চাৰি চকীয়া, দুচকীয় বাহনসহ শতাধিক অনুৰাগীৰ এক সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অসম মালাৰ অধীনত নিৰ্মীয়মান পথৰ মহলীয়াপাৰা চকৰ পৰা শিল্পী গৰাকীৰ কালজয়ী গীত "মায়াৱিনী" শীৰ্ষক গীতেৰে আৰম্ভ কৰি বড়িচৌকা, পাথৰিঘাট, বানেইকুছি হৈ পুনৰ মহলীয়াপাৰা চকত সমাপ্ত কৰে। প্ৰায় বিশ কিলমিটাৰজোৰা পথৰ সমদলৰ শুভাৰম্ভ কৰে সমাজকৰ্মী শোভন বৰুৱাই ইপিনে বিগত দিন কেইটাত জিলাখনৰ ভিন্ন অঞ্চলৰ উপৰি বৃহত্তৰ দেওমৰনৈ অঞ্চলৰ সংস্থা-সংগঠন, সংবাদসেৱী, ই-ৰিক্সা সংস্থা, মটৰ বাইক সমদল আদি ৰূপায়ণ কৰি অহাৰ বিপৰীতে অঞ্চল সমূহৰ হাট-ঘাট, দোকান-পোহাৰ সমূহ বন্ধ ৰখা হৈছে।

# গছ থকালৈকে জুবিন জীয়াই থাকিব; ৰূপহীহাটত শ্যামলী চ'ৰাৰ বৃক্ষ ৰোপণ

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ ছেপ্টেম্বৰ ঃ** "পৃথিৱীত গছ থকালৈকে জুবিন গাৰ্গ জীয়াই থাকিব। যোৰহাটৰ ঘৰৰ পাইন গছ জোপাক বাৰে বাৰে সাবটি ধৰাত জুবিনৰ অকৃত্ৰিম প্ৰকৃতি প্ৰেম প্ৰকাশ পাই। সেয়ে আমি যিমান গছপুলি ৰোপণ কৰিম, যিমান গছ জীয়াই ৰাখিম সিমানেই জুবিন গাৰ্গৰ আদৰ্শ জীপাল হৈ থাকিব।" - জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ দিনটোত যেতিয়া শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ পঞ্চভূতত বিলীন হয় তেতিয়া ৰূপহীহাটৰ প্ৰকৃতিপ্ৰেমী সংগঠন শ্যামলী চ'ৰাৰ হৈ শিক্ষক খাইৰুল ইছলামে এই মন্তব্য আগবঢ়ায়। জুবিন গাৰ্গৰ শেষ কৃত্যৰ দিনটোতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই শ্যামলী চ'ৰাই বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। শ্যামলী চ'ৰাৰ উদ্যোগত বিগত ৫টা বছৰে এইদৰে ধাৰাবাহিকভাৱে বিভিন্ন উৎসৱ, জন্মতিথি, মৃত্যুতিথি আদিত বৃক্ষ ৰোপণ কৰি অহাৰ দৰেই জুবিন গাৰ্গৰ বিদায় বেলাত এইদৰে গছপুলি ৰোপণ কৰে। শ্যামলী চ'ৰাই প্ৰতিটো গছপুলি সংৰক্ষণৰ বাবে লোহাৰ তাঁৰৰ বেৰ নিমান কৰি প্ৰতিটো পুলিৰ সৈতে মৰমৰ শিল্পী জুবিন গাৰ্গৰ ফটোসহ নামফলক সংলগ্ন কৰি শ্ৰদ্ধা নিবেদন কৰে। ৰূপহীহাটৰ জ্যেষ্ঠ সাংবাদিক খৰ্গেশ্বৰ বৰুৱাই শুভাৰম্ভ কৰা আৰু ৰিয়াজুল কবিৰ, শ্বামিমুল হক, এম আবু হানিফা, ইকবাল হুছেইন, এনামুল হক আদিৰ অংশগ্ৰহণত ৰূপায়িত কাৰ্যসূচীত পাঞ্জাৱ নেশ্যনেল বেংকৰ ৰূপহীহাট শাখাৰ মেনেজাৰ বিজিত নন্দন শৰ্মাই বৃক্ষ ৰোপণত অংশগ্ৰহণ কৰে।

# সুৰৰ সম্ৰাট জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৩ ছেপ্টেম্বৰ ঃ** নিৰ্ভীক, স্পষ্টবাদী, উচ্চ-নীচ নভবা, পৰোপকাৰী, সৰ্বলোকৰ হিয়াৰ আমঠু, জাতিৰ স্বাভিমান, জাতিৰ আবেগ, জাতিৰ গৌৰৱ, জাতিৰ সম্পদ, জাতিৰ শুভ চিন্তক, জাতিৰ প্ৰাণৰো প্ৰাণৰ শিল্পী, গীতিকাৰ, প্ৰযোজক, পৰিচালক, অভিনেতা জুবিন গাৰ্গ কোনোদিন ঘূৰি নহা ঠাইলৈ মহাপ্ৰস্থানৰ দুঃ-সংবাদত মৰ্মাহত হৈ "মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ"ই গভীৰ শোক প্ৰকাশ কৰি সংবাদ মাধ্যমলৈ আজি এক প্ৰেছ বিবৃতি প্ৰেৰণ কৰিছে। মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ আৰু সাধাৰণ সম্পাদক জ্ঞান বৰুৱাই বিবৃতিটোত কয় "অসম তথা অসমীয়াৰ কৃষ্টিৰ পথাৰখন উকা কৰি, যাওঁ বুলি নোকোৱাকৈয়ে অজান মুলুকলৈ গুচি যোৱা অকল্পনীয় বাৰ্তাই আমাৰ হৃদয়ত বাৰম্বাৰ খুন্দিয়াই আছে। জুবিন গাৰ্গৰ অবৰ্তমানত আমি ভাষাহীন, আমাৰ সংগীত জগতখন আজি আধৰুৱা। অসমৰ উজ্জ্বল নক্ষত্ৰ, স্পষ্টভাষী প্ৰাণৰ শিল্পীগৰাকীক হেৰুৱাই অসমৰ প্ৰতিজন লোক আজি শোকত ম্ৰিয়মাণ। তেখেতৰ সংগীত, তেখেতৰ সৃষ্টিৰাজী, তেখেতৰ উদাৰ মনৰ আদৰ্শবোৰ অসমৰ প্ৰতিজন লোকৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে চিৰদিন প্ৰবাহিত হৈ থাকিব।" লগতে জুবিন গাৰ্গ অমৰ হোৱাৰ কামনা কৰি তেওঁৰ পুণ্য মহাত্মাই জ্যোতি-বিষ্ণু-জংকী- সুধাকণ্ঠ ভূপেন হাজৰিকাই চিৰশান্তিৰে বাস কৰা সৰগৰ প্ৰশান্তিৰ কোণত ঠাই লাভ কৰিবলৈ প্ৰাৰ্থনা জনাইছে আৰু পৰৱৰ্তী মনুষ্য জন্মতো যেন শস্য শ্যামলাৰে ভৰা আই অসমীৰ কোলাতেই জনম পাই তাকে শ্ৰীভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই অশ্ৰুসিক্ত নয়নেৰে শোকবিহ্বল পৰিয়ালবৰ্গৰ লগতে সহস্ৰ-কৌটি গুনমুগ্ধলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত অপ্ৰাদেশীকৃত শিক্ষকৰ সমস্যা সমাধান কৰাৰ আহ্বান

# লোহিতপৰীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ নৱাগত সভা; প্ৰাচীৰ পত্ৰিকা 'বীক্ষণ' উন্মোচন

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ** 'দীৰ্ঘদিন ধৰি শিক্ষকতাৰে সেৱা আগবঢ়াই অহা অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানৰ শিক্ষকসকলক ৰাজ্য চৰকাৰে গুৰুত্ব প্ৰদান কৰি তেওঁলোকক মৰ্যাদা দিব লাগে। মাজুলীৰ দৰে পিছপৰা অঞ্চলৰ অনুসূচিত জাতি আৰু জনজাতি অধ্যুসিত চিলাকলা পঞ্চায়তত অৱস্থিত লোহিতপৰীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ শিক্ষক সকলে সুদীৰ্ঘ ২৪ বছৰে বিনাবেতনে শিক্ষা দান কৰি বহু মানৱ সম্পদ গঢ় দি বৰ্তমানেও সেৱা আগবঢ়াই আছে।



শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত এই অপ্ৰাদেশীকৃত শিক্ষকৰ সমস্যা সমাধান কৰাটো অতীব প্ৰয়োজনীয়।' নামনি মাজুলীৰ চিলাকলা গাঁও পঞ্চায়তত অৱস্থিত লোহিতপৰীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ নবাগত আদৰণি সভাত স্মৃতি তৰ্পন কৰি এইদৰে কয় মাজুলী জিলা ছাত্ৰসন্থাৰ সহকাৰী সম্পাদক পীতাম্বৰ দাসে। কাৰ্যসূচীত পুৱা পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি যাদৱ কৃষ্ণ মহন্তই। গছপুলি ৰোপণ কৰে পৰিচালনা সমিতিৰ জ্যেষ্ঠ সদস্য দেবেন হাজৰিকাই। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'বীক্ষণ' উন্মোচন কৰে খাৰজানপাৰ জনজাতি হাইস্কুলৰ শিক্ষক অনিল পামেগামে। ইয়াৰ পিছতে অধ্যক্ষ নৱজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনি উদ্বোধন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুতুল মহন্তই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰৱক্তা জয়ন্ত দত্তই। সভাত বিশিষ্ট অতিথিৰূপে বিনন্দ কামান, অৰুন গাম, মাণিক হাজৰিকা, উপাধ্যক্ষ প্ৰকাশ ভৰালী উপস্থিত থাকে। ইয়াৰ পিছতে বিয়লি অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে লোকগীতৰ অনাতাঁৰ শিল্পী বিষ্ণু দাসে।

# কামপুৰৰ তেঁতেলীসৰাত নিচামুক্তি কেন্দ্ৰৰ শুভ উদ্বোধন

**অসম বাৰ্তা, কামপুৰ, ২৪ ছেপ্তেম্বৰঃ** আজি এক গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানৰ মাজৰে কামপুৰ তেঁতেলীসৰাৰ নতুন মাজৰআটিত" ৰিবাৰ্থ ওৱেলনেছ হোম "নামৰএটি নিচামুক্তি কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয়। নিচামুক্তি কেন্দ্ৰটো পুৰুহিত কমলেশ তিৱাৰিৰ মন্ত্ৰপাঠৰ মাজৰে ফিতা কাটি শুভউদ্বোধন কৰে তেঁতেলীসৰা গাওঁ পঞ্চায়তৰ সভানেত্ৰী প্ৰীতি দাসে আৰু বন্তি প্ৰজ্বলন কৰে কঠীয়াতলি গাওঁ পঞ্চায়তৰ সভানেত্ৰী অঞ্জনা ভূএগই। লগতে কেক কাটে কেন্দ্ৰটোৰ স্বত্বাধিকাৰী অজয় ডেকাৰজাই। এই সম্পৰ্কত সমাজকৰ্মী কল্যাণ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নিচামুক্তি কেন্দ্ৰটৰ লক্ষ্য উদ্দেশ্য বিষয়ে বহলাই বাখ্য কৰে স্বত্বাধিকাৰী অজয় ডেকাৰজাই। সভাখনত তেঁতেলীসৰা আৰু কঠীয়াতলি গাঁও পঞ্চায়তৰ দুয়োগৰাকী সভানেত্ৰীয়ে কামপুৰ -কঠীয়াতলি অঞ্চলত দিনক দিনে বৃদ্ধি পোৱা মাদক দ্ৰব্যৰ ব্যৱহাৰৰ অবাধভাৱে বৃদ্ধি পোৱাৰ ফলত বহু নৱপ্ৰজন্ম ধ্বংস মুখলৈ গতি কৰাৰ কথা উল্লেখ কৰি নিচামুক্তি কেন্দ্ৰটোৰ দ্বাৰা ৰাইজ উপকৃত হোৱাৰ সম্পৰ্কত বহলাই কয়। মুক্তিকাম লস্কৰে আঁত ধৰা সভাখনত কল্যাণ ৰাজখুৱাই সমাজত মাদকদ্ৰব্যৰ কু-প্ৰভাৱ আৰু নিচামুক্তি কেন্দ্ৰই লব পৰা পদক্ষেপৰ সম্পৰ্কত বহলাই কয়। সভাখনত তেঁতেলীসৰা গাওঁ পঞ্চায়তৰ উপ-সভাপতি অতুল লস্কৰ; সাংবাদিক ৰূপ জ্যোতি ভূএগ আদিয়ে ভাষণ দিয়ে। সভাখনত তেঁতেলীসৰা গাওঁ পঞ্চায়তৰ দুই ৱাৰ্ড সদস্য ৰাখী বৰা আৰু অনুৰাধা পাটৰ কঠীয়াতলি পঞ্চায়তৰ উপ-সভানেত্ৰী; বুলবুলি দেউৰী, সমাজ সেৱক জয়ন্ত ভূএগ, সমীৰ দত্ত, জয়ন্ত ডেকা ৰজা, সুনতি ডেকা ৰজাৰ লগতে আমন্ত্ৰিত অতিথি তথা কেন্দ্ৰটোৰ কৰ্মকৰ্তা সকল।

## পঞ্চভূতত বিলীন যুগনায়কৰ

ছিংগাপুৰ অভিমুখে যাত্ৰা কৰিছিল এইগৰাকী মহান শিল্পীয়ে। কিন্তু সেই যাত্ৰাৰ পৰা ঘূৰি নাহিল তেওঁ; অসুস্থ হৈ পৰি ছিংগাপুৰতে শেষ নিশ্বাস ত্যাগ কৰিলে জুবিন গাৰ্গে। শুকুৰবাৰে বিয়লি এই বেয়া খবৰটো সুদূৰ ছিংগাপুৰৰ পৰা অসমলৈ আহি পায় আৰু সমগ্ৰ ৰাজ্য শোক সাগৰত ডুব গ'ল। শনিবাৰে নিশা তেওঁৰ নশ্বৰ দেহ ছিংগাপুৰৰ পৰা দিল্লীলৈ অনা হয়, আৰু তাৰ পাছত দেওবাৰে পুৱা প্ৰায় সাত বজাত গুৱাহাটী বিমানবন্দৰত উপস্থিত হয়। বিমানবন্দৰৰ পৰা বিশাল সমদলেৰে শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ কাহিলিপাৰাৰ বাসগৃহলৈ অনা হয়, যিটো অসমৰ ইতিহাসত এক বিৰল দৃশ্য আছিল। ৰাজপথবোৰ জনসমুদ্ৰত পৰিণত হৈছিল, কেৱল মানুহ আৰু মানুহেৰে ভৰি পৰিছিল চৌদিশ। ঘৰত কিছু সময় ৰখাৰ পাছত দেওবাৰে দিনৰ প্ৰায় দুই বাজি পঞ্চাশ মিনিটত নশ্বৰ দেহ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পলৈ নিয়া হয়, য'ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ ব্যৱস্থা কৰা হৈছিল। দেওবাৰে বিয়লি তিনি বজাৰ পৰা সোমবাৰে নিশা বাৰ বজালৈ লাখ লাখ লোকে, ৰ'দ-বৰষুণ নেওচি, আবাল-বৃদ্ধ-বনিতাই প্ৰিয় শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰিলে। মঙলবাৰে পুৱতি নিশা প্ৰায় তিনি বাজি ত্ৰিশ মিনিটত জি এম চি এইচত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পুনৰ সৰুসজাইলৈ নিয়া হয় নশ্বৰ দেহ, আৰু তাৰ পৰা পুষ্পসজ্জিত বাহনত সমদল কৰি সোণাপুৰলৈ লৈ যোৱা হয়। সমগ্ৰ পথছোৱাত চৌদিশে জনতাৰ সোঁত বৈ গৈছিল, আৰু সোণাপুৰৰ কমাৰকুছি গাঁৱৰ হাতীমূৰা টিলাত উপস্থিত হোৱাৰ পাছত ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। শিল্পীগৰাকীক তেওঁৰ প্ৰিয় ড্ৰেগণ সাজযোৰ পিন্ধাই দিয়া হয়। ভাৰত চৰকাৰৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰিয়ালৰ লোকসকলে ধৰ্মীয় ৰীতি-নীতি সমাপ্ত কৰাৰ পাছত চিতাৰ কাষলৈ অনা হয় পাৰ্থিৱ শৰীৰ, আৰু লগে লগে আকাশে-বতাহে 'জয় জুবিন দা', 'জুবিন দা অমৰ হওক' ধ্বনিয়ে গুঞ্জৰিত হয়। পিতৃ কপিল বৰঠাকুৰে পুত্ৰক শেষ বিদায় জনায়, পত্নী গৰিমা গাৰ্গে শ্ৰদ্ধা নিবেদন কৰে, আৰু চন্দন কাঠেৰে সজোৱা চিতাত তুলি দিয়া হয় নশ্বৰ দেহ। জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে ধৰ্মীয় ৰীতিৰে মুখাগ্নি কৰে, য'ত সংগ দিয়ে তেওঁৰ অতিকৈ মৰমৰ ৰাহুল গৌতম শৰ্মা, অৰুণ গাৰ্গ আৰু ৰিতু প্ৰয়াগ গাৰ্গে। অসম আৰক্ষীয়ে টোপধ্বনিৰে সন্মান প্ৰদৰ্শন কৰে, মুখ্যমন্ত্ৰীয়ে চিতাত চন্দন কাঠ তুলি দিয়ে, আৰু পত্নী গৰিমা গাৰ্গে চিতাৰ কাষতে বহি শেষ বিদায় দিয়ে। দুপৰীয়া বাৰ বাজি বাইশ মিনিটত মুখাগ্নি কৰা হয়, লগে লগে গুঞ্জৰিত হয় টোপধ্বনি আৰু একুঁইশ জাঁই গুলী ফুটাই ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান কৰা হয়। শেষকৃত্যস্থলীত বেদ পাঠ কৰা হয়, আকাশে-বতাহে গুঞ্জৰিত হয় বেদৰ শ্লোক আৰু শিল্পীগৰাকীৰ কালজয়ী গীত 'মায়াবিনী ৰাতিৰ বুকুত', যিটো তেওঁ নিজৰ মৃত্যুত গোৱাটো বিচাৰিছিল। অগণন জুবিনপ্ৰেমীয়ে একেলগে গাই উঠিল এই গীত, পত্নী গৰিমা গাৰ্গেও কান্দি কান্দি গালে প্ৰিয়জনে বিচৰা সেই সুৰ। এক আবেগিক পৰিৱেশ সৃষ্টি হ'ল, যাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি; চন্দন কাঠৰ আবেশত দপদপাই জ্বলি উঠা জুইকুৰাৰ মাজত বিলীন হৈ পৰিল শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ, আৰু পঞ্চভূতত বিলীন হৈ গ'ল তেওঁৰ নশ্বৰ দেহ। এই মৃত্যুৱে এটা বৰ্ণিল যুগৰ অৱসান ঘটালে, যিটো যুগৰ নেতৃত্ব দিছিল কেৱল জুবিন গাৰ্গে। আজি সমগ্ৰ ৰাজ্য নিতাল-নিস্তব্ধ, শোকস্তব্ধ, আৰু প্ৰতিগৰাকী অসমীয়াই কান্দি উঠিছে, জানি যে এনে এজন অসমীয়া পাবলৈ কিমান যুগ অপেক্ষা কৰিব লাগিব। অন্ত্যেষ্টিক্ৰিয়াৰ পোনপটীয়া সম্প্ৰচাৰ বিভিন্ন মাধ্যমযোগে প্ৰত্যক্ষ কৰি ৰাজ্যবাসীয়ে অশ্ৰুসিক্ত নয়নেৰে শিল্পীগৰাকীক অন্তিম বিদায় দিলে, আৰু চৌদিশে কেৱল তেওঁৰ জয়গান গুঞ্জৰিত হৈ ৰ'ল।

## অসমৰ অনুষ্ঠান-প্ৰতিষ্ঠানে

দেহ পঞ্চভূতত বিলীন হৈছে। তেওঁৰ চিতাভস্ম এতিয়া অসমৰ বিভিন্ন অনুষ্ঠান আৰু প্ৰতিষ্ঠানৰ মাজত বিতৰণৰ বাবে প্ৰস্তুত কৰা হৈছে। এই প্ৰক্ৰিয়াৰ বাবে অসম চৰকাৰে এক শৃংখলিত আৰু স্বচ্ছ ব্যৱস্থা গ্ৰহণ কৰিছে। জুবিন গাৰ্গৰ চিতাভস্ম লাভ কৰিবলৈ আগ্ৰহী প্ৰতিষ্ঠান আৰু সংগঠনৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰেই, অৰ্থাৎ ২৪ বা ২৫ ছেপ্তেম্বৰৰ ভিতৰত, এটি বিশেষ অনলাইন পৰ্টেল মুকলি কৰিব। এই পৰ্টেলৰ জৰিয়তে আবেদনকাৰীসকলে নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ মাধ্যমেৰে চিতাভস্মৰ বাবে আবেদন জনাব পাৰিব। চৰকাৰৰ নিৰ্দেশ অনুসৰি, আবেদনৰ পৰীক্ষাৰ পিছত যোগ্য প্ৰতিষ্ঠানসমূহক চিতাভস্ম প্ৰদান কৰা হ'ব। এই প্ৰক্ৰিয়াৰ জৰিয়তে জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি সন্মান জনোৱাৰ লগতে তেওঁৰ সাংস্কৃতিক অৱদানক চিৰস্থায়ী কৰাৰ প্ৰয়াস কৰা হৈছে। বিশেষভাৱে উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ জন্মস্থান যোৰহাটকো তেওঁৰ চিতাভস্মৰ একাংশ প্ৰদান কৰা হ'ব। যোৰহাটৰ সাংস্কৃতিক আৰু সামাজিক সংগঠনসমূহে এই চিতাভস্ম সংৰক্ষণ কৰি তেওঁৰ স্মৃতি জীয়াই ৰাখিবলৈ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি, অসমৰ অন্যান্য স্থানৰ সংগঠন, ফেন ক্লাব, আৰু সাংস্কৃতিক প্ৰতিষ্ঠানেও এই পৰ্টেলৰ জৰিয়তে আবেদন কৰি চিতাভস্ম লাভ কৰিব পাৰিব। চৰকাৰৰ এই উদ্যোগৰ লক্ষ্য হৈছে জুবিন গাৰ্গৰ অপৰিসীম সাংগীতিক অৱদানৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে তেওঁৰ স্মৃতি সংৰক্ষণৰ বাবে এক সুনিৰ্দিষ্ট ব্যৱস্থা গঢ়ি তোলা। তেওঁৰ গীত, যিয়ে অসমীয়া সংগীতৰ জগতখনক বিশ্বৰ দৰবাৰত উপস্থাপন কৰিছিল, তাৰ স্মৃতি এই প্ৰক্ৰিয়াৰ জৰিয়তে আৰু অধিক চিৰস্থায়ী হৈ ৰ'ব। জুবিন গাৰ্গৰ চিতাভস্ম বিতৰণৰ এই পদক্ষেপে তেওঁৰ ভক্ত আৰু সাংস্কৃতিক প্ৰতিষ্ঠানসমূহৰ মাজত তেওঁক জীয়াই ৰাখিব। এই প্ৰক্ৰিয়াৰ জৰিয়তে অসমৰ জনতাৰ হৃদয়ত চিৰদিনৰ বাবে জীয়াই থকা জুবিন গাৰ্গৰ স্মৃতি আৰু অধিক গভীৰ হ'ব। তেওঁৰ গীতৰ দৰেই তেওঁৰ চিতাভস্মও এতিয়া অসমৰ সাংস্কৃতিক ঐতিহ্যৰ অংশ হৈ পৰিব। ৰাজ্য চৰকাৰৰ এই উদ্যোগে জুবিনৰ প্ৰতি থকা অপাৰ শ্ৰদ্ধা আৰু ভালপোৱাক পুনৰ প্ৰতিফলিত কৰিছে।

## শ্যামকানু মহন্তৰ আগতীয়া

অভিযোগ উঠিছে যে তেওঁ অসুস্থ জুবিন গাৰ্গক ছিংগাপুৰলৈ লৈ গৈ তেওঁৰ মৃত্যুৰ কাৰণ হৈছে। শ্যামকানুৰ বিৰুদ্ধে ৬০টাতকৈও অধিক গোচৰ ৰুজু হৈছে। এই সকলো গোচৰৰ তদন্তৰ বাবে চি আই ডিৰ তৰফৰ পৰা এটা পৃথক গোচৰ ৰুজু কৰা হৈছে, যাৰ নম্বৰ ১৮/২০২৫। চি আই ডি থানাত ৰুজু হোৱা এই গোচৰৰ ভিত্তিত শ্যামকানু মহন্ত যিকোনো মুহূৰ্তত গ্ৰেপ্তাৰ হ'ব পাৰে। গ্ৰেপ্তাৰৰ আশংকাৰ পৰা হাত সাৰিবলৈ শ্যামকানু এতিয়া আগতীয়া জামিনৰ বাবে আদালতত আবেদন জনাবলৈ তৎপৰ হৈছে। তথ্য অনুসৰি, শ্যামকানু মহন্তই ৰাজ্যৰ তিনিজন বিশিষ্ট অধিবক্তাৰ সৈতে যোগাযোগ কৰি তেওঁৰ হৈ আগতীয়া জামিনৰ আবেদন দাখিল কৰিবলৈ অনুৰোধ জনাইছিল। বিনিময়ত তেওঁ যিকোনো পৰিমাণৰ ধন দিবলৈও প্ৰস্তুত আছিল। কিন্তু এই তিনিজন অধিবক্তাই শ্যামকানুৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছে। তেওঁলোকৰ মতে, জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত এনে বিতৰ্কত নাম সাঙোৰ খোৱা শ্যামকানুৰ পক্ষত আদালতত আবেদন জনোৱাটো তেওঁলোকৰ বাবে গ্ৰহণযোগ্য নহয়। অসমৰ জনতাৰ আবেগ আৰু অনুভূতিৰ প্ৰতি সন্মান জনাই এই তিনিজন অধিবক্তাই শ্যামকানুৰ প্ৰস্তাৱ নাকচ কৰিছে। ফলত শ্যামকানু মহন্ত এতিয়া বিকল্প অধিবক্তাৰ সন্ধানত নামি পৰিছে। তেওঁৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্তৰ সৈতে এই পৰিস্থিতিয়ে জনমানসত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে।

## অন্ত্যোষ্টিক্ৰিয়াত উপস্থিত

দাবীও উত্থাপিত হৈছে বিভিন্ন মহলৰ পৰা। এই সকলোবোৰৰ মাজতে এতিয়া আন এটা বিষয়ে সামাজিক মাধ্যমত তুমুল চৰ্চা লাভ কৰিছে— জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ শেষকৃত্যৰ সময়ত উপস্থিত থকাৰ খবৰ। মঙলবাৰে সোণাপুৰৰ কমাৰকুছিত জুবিন গাৰ্গৰ অন্ত্যোষ্টিক্ৰিয়াৰ সময়ত সিদ্ধাৰ্থ শৰ্মাৰ উপস্থিতিৰ বিষয়টোৱে সামাজিক মাধ্যমত ব্যাপক জল্পনা-কল্পনাৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, শিল্পীগৰাকীৰ শেষকৃত্যৰ সময়ত সিদ্ধাৰ্থ শৰ্মা উপস্থিত আছিল বুলি কিছুমান লোকে দাবী কৰিছে। তেওঁৰ নাম শিল্পীৰ মৃত্যুৰ ঘটনাৰ সৈতে জড়িত হৈ পৰাৰ পিছতো তেওঁৰ উপস্থিতিয়ে সকলোকে চমকিত কৰিছে। কিছুমান প্ৰত্যক্ষদৰ্শীৰ মতে, শেষকৃত্যৰ সময়ত সিদ্ধাৰ্থ শৰ্মাক ভি আই পিৰ শাৰীত থিয় হৈ থকা দেখা গৈছিল। তেওঁৰ মুখ গামোচাৰে ঢাকি থোৱা অৱস্থাত কিছুমানে তেওঁক চিনাক্ত কৰা বুলি দাবী কৰিছে। এই ঘটনাই জুবিন গাৰ্গৰ অনুৰাগীসকলৰ লগতে সাধাৰণ জনতাৰ মাজতো তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। এই বিষয়ে সঁচা-মিছা নিৰূপণৰ বাবে বহুতে উপযুক্ত তদন্তৰ দাবী জনাইছে। সিদ্ধাৰ্থ শৰ্মাৰ উপস্থিতিৰ খবৰ যদি সঁচা হয়, তেন্তে ই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ ক্ষেত্ৰত নতুন মাত্ৰা যোগ কৰিব পাৰে। উপযুক্ত তদন্তৰ জৰিয়তে এই বিষয়ৰ সত্যতা পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ

অৰ্পণ কৰিছে। জুবিনৰ শেষকৃত্য গুৱাহাটীৰ সোণাপুৰত ২৩ ছেপ্টেম্বৰত সম্পন্ন হোৱাৰ দিনাই তদন্তৰ কাম আৰম্ভ হৈছে। জুবিন গাৰ্গ সিঙ্গাপুৰত 'নৰ্থ ইষ্ট ইণ্ডিয়া ফেষ্টিভেল'ত অংশগ্ৰহণৰ বাবে গৈছিল। এই উৎসৱৰ আয়োজক শ্যামকানু মহন্তৰ আমন্ত্ৰণত তেওঁ লাজাৰাছ আইলেণ্ডত স্কুবা ডাইভিংৰ বাবে যায়। স্থানীয় সময় অনুসৰি দুপৰীয়া ১: ৩০ৰ সময়ত তেওঁ পানীৰ তলত শ্বাসকষ্টৰ সমস্যাৰ সন্মুখীন হয় আৰু অচেতন হৈ পৰে। সিঙ্গাপুৰ পুলিচে তৎক্ষণাত তেওঁক উদ্ধাৰ কৰি সিঙ্গাপুৰ জেনেৰেল হাস্পতালত ভৰ্তি কৰে, কিন্তু দুপৰীয়া ২: ৩০ত চিকিৎসকসকলে তেওঁক মৃত ঘোষণা কৰে। সিঙ্গাপুৰৰ প্ৰাথমিক তদন্তৰ প্ৰতিবেদনত মৃত্যুৰ কাৰণ হিচাপে 'পানীত ডুবা'বুলি (drowning) উল্লেখ কৰা হৈছে। তেওঁৰ পূৰ্বৰ এপিলেপচিৰ সমস্যাৰ কথাও কিছুমান সূত্ৰই উল্লেখ কৰিছে, যিটো পানীৰ তলত অচেতন হোৱাৰ কাৰণ হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে। জুবিনৰ মৃত্যুৰ পিছত ৰাজ্যৰ বিভিন্ন প্ৰান্তত উত্থাপিত সন্দেহ আৰু অভিযোগে তদন্তৰ প্ৰয়োজনীয়তা বৃদ্ধি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত দাখিল হোৱা প্ৰায় ৫০টাতকৈও অধিক এজাহাৰ CID-লৈ হস্তান্তৰ কৰা হৈছে। এই এজাহাৰসমূহত জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা আৰু উৎসৱৰ আয়োজক শ্যামকানু মহন্তৰ বিৰুদ্ধে অৱহেলাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগকাৰীসকলে দাবী কৰিছে যে জুবিনৰ স্বাস্থ্যৰ অৱস্থা জানিও তেওঁলোকৰ তৰফৰ পৰা স্কুবা ডাইভিংৰ বাবে উৎসাহ প্ৰদান কৰা হৈছিল। মৰিগাঁও থানাত এই দুজনৰ বিৰুদ্ধে এফআইআৰ দিয়া হৈছিল। ২৩ ছেপ্তেম্বৰত জুবিনৰ শেষকৃত্যৰ দিনা CID-ৰ দল তৎপৰতাৰে তদন্তৰ কাম আৰম্ভ কৰে। যোৰহাট আৰু বজালীত দলটোৱে সক্ৰিয়ভাৱে কাম কৰি বিভিন্ন সাক্ষীৰ জবানবন্দী সংগ্ৰহ কৰে। পাঠশালাৰ জুবিন গাৰ্গ ফেন ক্লাবৰ সভাপতি মৃণ্ময় পাঠক, সহ-সম্পাদক চন্দন পাটগিৰীৰ লগতে অন্যান্য সদস্যৰ পৰা পৃথকভাৱে সাক্ষ্য লোৱা হয়। ইয়াৰ সমান্তৰালভাৱে সৰুপেটা জুবিন ফেন ক্লাবৰ সভাপতি আৰু সম্পাদকৰ সাক্ষ্যও গ্ৰহণ কৰা হৈছে। এই সাক্ষ্যসমূহত জুবিনৰ স্বাস্থ্যৰ বিষয়ে আগতীয়াকৈ জনা তথ্যৰ ওপৰত গুৰুত্ব দিয়া হৈছে। আনহাতে, যোৰহাটত এজাহাৰ দাখিল কৰা ব্যক্তিসকলৰ জবানবন্দী সংগ্ৰহ কৰাৰ লগতে স্থানীয় সংগঠন আৰু সংশ্লিষ্ট ব্যক্তিৰ পৰা তথ্য লোৱা হৈছে। অধিবক্তা গোপাল তালুকদাৰৰ সাক্ষ্যও এই তদন্তৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গণ্য কৰা হৈছে। তদন্তৰ প্ৰথম দিনত CID-ৰ দলটোৱে সিঙ্গাপুৰ পুলিচৰ পৰা ঘটনাৰ সময়ৰ ভিডিঅ' ফুটেজ, প্ৰাথমিক তদন্তৰ প্ৰতিবেদন আৰু অন্যান্য তথ্য সংগ্ৰহৰ বাবে যোগাযোগ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আশ্বাস দিছে যে তদন্ত সম্পূৰ্ণ স্বচ্ছ হ'ব আৰু জনসাধাৰণৰ সন্দেহ নিৰাকৰণৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব।

## জুবিন গাৰ্গৰ মেনেজাৰৰ

ছুইটী দাসৰ এক চাঞ্চল্যকৰ ভিডিঅ'। সোমবাৰে নিশা প্ৰকাশিত এই ভিডিঅ'ত ছুইটীয়ে জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁৰ দাবী, শ্যামকানু মহন্তই উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পীসকলক প্লেটফৰ্ম প্ৰদানৰ নামত শোষণ কৰে। ছুইটীয়ে কয়, "জুবিন দাই নিজেও শ্যামকানুক সহ্য কৰিব নোৱাৰিছিল। তেওঁ সদায় কৈছিল, শ্যামকানুৱে শিল্পীসকলক শোষণ কৰি নিজৰ লাভৰ বাট মুকলি কৰে। শিল্পীৰ প্ৰাপ্য ধনো তেওঁ আত্মসাৎ কৰে। এই কাৰণেই জুবিন দাই ৰঙালী অনুষ্ঠানত জানি-বুজি বিশৃংখলাৰ সৃষ্টি কৰিছিল।" ছুইটীয়ে কয়, "ৰঙালীৰ দিনটোত ছাউণ্ড চেকৰ সময়ত মই ভাবিছিলোঁ, যদি জুবিন দাই আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে, তেন্তে নিশ্চিতভাৱে কিবা বিশৃংখলা হ'ব। জুবিন দাই আগতেই কৈছিল যে তেওঁ এইবাৰ শ্যামকানুক শিক্ষা দিব। খণ্ডত তেওঁ প্ৰায়ে উদ্ভগুলি কৰিছিল। সেইদিনা গেটত গোলমাল কৰি তেওঁ প্ৰতিবাদ জনাইছিল। পিছদিনা তেওঁ পুনৰ ৰঙালীলৈ গৈছিল, কাৰণ তেওঁৰ 'বিনালে'ৰ শ্বুটিংৰ কিছু কাম বাকী আছিল আৰু নিজৰ ইমেজ ৰক্ষাৰ কথাও তেওঁৰ মনত আছিল। সেইদিনা তেওঁ এটা গান গাইছিল।" জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ প্ৰতিও ছুইটীয়ে তীব্ৰ সমালোচনা কৰিছে। তেওঁৰ অভিযোগ, "সিদ্ধাৰ্থ শৰ্মা আগৰ পৰাই অভদ্ৰ। তেওঁ আমাক, বিশেষকৈ মহিলা শিল্পীসকলক, ৰাস্তাত পৰি থকা সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰে। তেওঁ স্পষ্টকৈ কৈছিল, 'মই কেৱল জুবিন গাৰ্গক চিনি পাওঁ, তোমালোকে নিজৰ কাম নিজে চোৱা। ' তেওঁ এজন বিফল মেনেজাৰ। আমাক সদায় জুবিন দাই মেনেজ কৰিছিল।" এই বিস্ফোৰক অভিযোগসমূহ ছুইটীয়ে তেওঁৰ সামাজিক মাধ্যমত ভিডিঅ'ৰ জৰিয়তে প্ৰকাশ কৰিছে, যিটো বৰ্তমান ব্যাপকভাৱে চৰ্চিত হৈছে। এই ভিডিঅ'ই জনতাৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু বহুতে তেওঁৰ এই সাহসী পদক্ষেপৰ প্ৰশংসা কৰিছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য আৰু তেওঁৰ মেনেজাৰৰ কাৰ্যকলাপৰ ওপৰত তদন্তৰ দাবী তীব্ৰতৰ হৈ উঠিছে।

## জুবিনৰ চিতাত মুখাগ্নি

আৰু ঋতু প্ৰয়াগ গাৰ্গে একেলগে কৰিলে মুখাগ্নি। পামি জুবিন গাৰ্গৰ সৰু ভগ্নী। পামি ওৰফে মমনে কটন কলেজৰ পৰা ভূগোল বিষয়ত এম এ পাছ কৰে। ২০০৩ চনত বিবাহপাশত আবদ্ধ হৈছিল পামি। ভাৰত নাট্যম আৰু সত্ৰীয়া নৃত্যত পটিয়সী আছিল। কপিল ঠাকুৰৰ তিনি সন্তানৰ ভিতৰত জুবিন আৰু জংকীৰ সংগীতৰ প্ৰতি অত্যন্ত ধাউতি থকাৰ বিপৰীতে পামি কিন্তু শিক্ষাৰ প্ৰতিহে অধিক আগ্ৰহী আছিল। কলাৰ সাধনাৰ বিপৰীতে জ্ঞানৰ অন্বেষণত ব্ৰতী আছিল। মিউজিক'লজীত ড''ৰেড ডিগ্ৰী লাভ কৰ পামিয়ে বৰ্তমান USTMত শিক্ষকতা কৰে। অৱশ্যে পামিৰো আছে এক সংঘৰ্ষৰে ভৰা জীৱন। ইফালে ৰাহুল গৌতম শৰ্মা বৰ্তমান এক চিনাকি নাম। জুবিন গাৰ্গে নিজেই বিভিন্ন অনুষ্ঠানত ৰাহুল গৌতম শৰ্মাক চিনাকি কৰাই দিছে ৰাইজক। নিজৰ প্ৰতিভাৰেও নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে ৰাহুলে। ৰাহুলক খুবেই মৰম কৰিছিল জুবিন গাৰ্গে। একপ্ৰকাৰ নিজৰ পুত্ৰৰ দৰে জ্ঞান কৰিছিল। আচলতে ৰাহুল গৌতম শৰ্মা এগৰাকী ভাল কবি, গীতিকাৰ, সুবক্তা, অভিনেতা। ৰাহুল গৌতম শৰ্মাই লিখা গানসমূহ ইতিমধ্যে অসমৰ ৰাইজে শুনিছে। 'তুমি যেন পপীয়া তৰা...', 'মনৰে কইনা...', 'উভতি চোৱা ধূলিয়ৰি বাটে...' আদি ৰাহুল গৌতম শৰ্মাই লিখা জনপ্ৰিয় গীত। কেইবাখনো অসমীয়া ছবিত অভিনয়ো কৰিছে ৰাহুলে। এজন সুবক্তা হিচাপে টেলিভিশ্যনৰ পৰ্দাত দেখিছে আৰু বাতৰি কাকতো প্ৰকাশ পাইছে ৰাহুলৰ মননশীল প্ৰবন্ধ। 'এতিয়ালৈ ইমানেই' ৰাহুল গৌতম শৰ্মাৰ প্ৰথমখন কবিতা সংকলন। অসম জাতীয় বিদ্যালয়, কটন কলেজত অধ্যয়ন কৰা ৰাহুল দিল্লীৰ আম্বেদকাৰ বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাক্তন ছাত্ৰ। জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মা আৰু শিক্ষয়িত্ৰী চিন্ময়ী গোস্বামীৰ পুত্ৰ যদিও জুবিন আৰু গৰিমাৰ অতিকৈ ঘনিষ্ঠ ৰাহুল গৌতম শৰ্মা। জুবিনৰ বহু কামৰ সৈতে জড়িত তেওঁ। বিভিন্ন সময়ত জুবিন গাৰ্গৰ সৈতে বিভিন্ন অনুষ্ঠানতো দেখা গৈছিল ৰাহুলক। জুবিন গাৰ্গৰ মুখাগ্নি কৰাৰ দৃশ্য প্ৰত্যক্ষ কৰাৰ পিছত চৰ্চালৈ আহিছে অৰুণ গাৰ্গ। জুবিন গাৰ্গৰ মুখাগ্নি কৰাৰ সৌভাগ্য হোৱা অৰুণ গাৰ্গৰ বিষয়ে কৌতুহলৰ সৃষ্টি হৈছে মানুহৰ মনত। জানো আহক এইগৰাকী অৰুণ গাৰ্গৰ বিষয়ে। অৰুণ গাৰ্গৰ ঘৰ শিৱসাগৰৰ দৌলবাগানত। প্ৰকৃত নাম অৰুণ চাচনী। এটা আদিবাসী পৰিয়ালৰ ল'ৰা। সৰুৰে পৰা অৰুণে অত্যন্ত ভাল পাইছিল জুবিনক। স্কুলৰ কিতাপ-বহীৰ কভাৰত লগাই লৈছিল জুবিনৰ ফটো, আঁকিছিল জুবিনৰ ফটো। এবাৰ জুবিন শিৱসাগৰলৈ লৈ যাওঁতে অৰুণক লগ পাই ঘৰলৈ লৈ আহিছিল জুবিন গাৰ্গে। জুবিনৰ ঘৰত তেতিয়াৰে পৰা ব্যক্তিগত কামৰ সহায়ক হিচাপে থাকিল অৰুণ। সি যেন তাৰ ভগৱানক লগ পাইছিল সেইদিনা। কালক্ৰমত জুবিনৰ পৰিয়ালৰ সদস্যৰ দৰে হৈ পৰিল অৰুণ। জুবিন গাৰ্গ আৰ গৰিমা শইকীয়া গাৰ্গৰ সৈতে একেলগে থাকে। জুবিন গাৰ্গেই অৰুণক নিজৰ উপাধিটোৰ সলনি গাৰ্গ লিখিবলৈ ক'লে। তেতিয়াৰ পৰা অৰুণে চাচনীৰ সলনি গাৰ্গ উপাধি লিখিবলৈ ল'লে। অৰুণ গাৰ্গ। যোৱা দুদিন সৰুসজাই জুবিন গাৰ্গক ৰখা গ-ছৰ কফিনটো দিনে-নিশাই মচি থকা হয়তো সকলোৱে দেখিছিল। সেইজনেই জুবিনৰ মৰমৰ অৰুণ গাৰ্গ। অভিভাৱক জুবিন গাৰ্গৰ নশ্বৰ দেহৰ পৰা এক মুহূৰ্তৰ বাবেও আঁতৰি যোৱা নাছিল অৰুণ। বাৰে বাৰে কফিনটো মচি মচি প্ৰিয় মানুহজনলৈ চাই ৰৈছিল অৰুণ। জুবিন-গৰিমাৰ অতিকে প্ৰিয় সেই অৰুণ গাৰ্গেও সহযোগ কৰিলে জুবিনৰ মুখাগ্নিত। অৰুণ গাৰ্গৰ বিষয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো উল্লেখ কৰিছে সামাজিক মাধ্যমত। মুখ্যমন্ত্ৰীগৰাকীয়ে লিখিছে, "জুবিন গাৰ্গ কি আছিল, সেয়া প্ৰত্যেকেই অনুধাৱন কৰিব পাৰিছে। জুবিন আছিল প্ৰকৃত শিল্পী, যিয়ে মাটি আৰু মানুহৰ কথা কৈছিল। খাঁটি খোৱা, দুখীয়া-নিছলা সকলোৰে কথা চিন্তা কৰিছিল। জানিব পাৰিলোঁ, আজি জুবিন গাৰ্গৰ মুখাগ্নি কৰাসকলৰ ভিতৰত আছিল এজন যুৱক। সেই ল'ৰাটিক জুবিনে দান কৰিছিল এটি নতুন জীৱন, দান কৰিছিল জুবিনৰ উপাধিটোও। আদিবাসী চাহ জনগোষ্ঠীৰ ল'ৰাটোৰ নাম আছিল অৰুণ চাচনী। এতিয়া তেওঁৰ নাম অৰুণ গাৰ্গ। এদিন জুবিনে ল'ৰাটিক লৈ আহিছিল গুৱাহাটীলৈ। জুবিনৰ পৰিয়ালৰ এজন সদস্য হৈ পৰিছিল। কাহিলিপাৰাত একেলগে ৰাখিছিল জুবিন-পৰিয়ালে। জুবিনে অৰুণক কিমান মৰম কৰিছিল সেই 'গাৰ্গ' উপাধিটো উপহাৰ হিচাপে প্ৰদান কৰোঁতেই পৰিস্ফুট হৈছিল। তেওঁ জুবিনৰ এক হিয়াৰ টুকুৰা। আজি ল'ৰাজনে মুখাগ্নি কৰোঁতে তেওঁৰ ফালে চাই ৰৈছিলোঁ এপলক। এনেধৰণৰ কৰ্মৰ বাবেও বন্দীত হৈ থাকিব জুবিন, আমাৰ মৰমৰ জুবিন।"

## জুবিন গাৰ্গৰ শেষকৃত্য সহিব

নিজকে শেষ কৰি দিয়াৰ চেষ্টা কৰে। বৰ্তমান তেওঁ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ আই চি ইউত মৃত্যু সৈতে যুঁজিছে। নগাঁৱৰ কঁহুৱাতলীৰ জুবিন অনুৰাগীগৰাকীৰ আত্মীয় তথা স্থানীয় লোকে জনোৱা মতে, জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ পোৱাৰে পৰাই যুৱকজনে গভীৰ মানসিক আঘাত পাইছিল। তেওঁ খোৱা-বোৱা প্ৰায় এৰি দিছিল আৰু শোকত ডুবি আছিল। জুবিনৰ প্ৰতি থকা অপৰিসীম ভক্তিৰ বাবেই এই যুৱকজনে এনে এক চৰম সিদ্ধান্ত গ্ৰহণ কৰে বুলি জনাইছে আত্মীয় তথা স্থানীয় লোকে। বিগত দুই তিনিদিন ধৰি যুৱকজনৰ পৰিয়াল আৰু ওচৰ-চুবুৰীয়াই তেওঁৰ এই মানসিক অৱস্থাৰ কথা লক্ষ্য কৰিছিল, কিন্তু তেওঁৰ এই পদক্ষেপৰ কথা কোনেও আগতীয়াকৈ অনুমান কৰিব পৰা নাছিল। জুবিন গাৰ্গৰ কেৱল গীত ভালপোৱাই নহয়, জুবিন গাৰ্গৰ ষ্টাইলত কাপোৰ পৰিধান কৰাৰ পৰা আদি কৰি জুবিনৰ প্ৰায় সকলো দিশেই অনুসৰণ কৰাৰ চেষ্টা কৰিছিল যুৱকজনে।

## গঙ্গাত বিসৰ্জন দিয়া

অসম এছিয়াচন দিল্লীৰ সম্পাদক সুশুভন তালুকদাৰে। দিল্লীলৈ জুবিন গাৰ্গৰ চিতা ভস্ম লৈ নিয়াৰ বাবে পূৰ্বৰ পৰিকল্পনা কৰা হৈছে। দিল্লীত অৱস্থিত শংকৰদেৱ ভৱনত দিল্লীবাসী জুবিন অনুৰাগীসকলৰ বাবে চিতা ভস্ম ৰখা হ'ব, যাতে সকলোৱে শ্ৰদ্ধাঞ্জলি জনোৱাৰ সুবিধা হয়। এই অনুষ্ঠানৰ মাধ্যমে দিল্লীৰ অসমীয়া সম্প্ৰদায় আৰু অন্যান্য অনুৰাগীসকলে তেওঁলোকৰ প্ৰিয় শিল্পীক শেষ শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। শ্ৰদ্ধাঞ্জলিৰ পিছত চিতা ভস্মৰ বাবে অন্যতম পুণ্যক্ষেত্ৰ হৰিদ্বাৰলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে। তাত গঙ্গা নদীত বিসৰ্জন দিয়া হ'ব, যি হিন্দু ধৰ্মীয় পৰম্পৰা অনুসৰি শিল্পীৰ আত্মাক শান্তি প্ৰদান কৰাৰ এক পদ্ধতি। এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে জুবিন গাৰ্গৰ সমৃদ্ধ সাংস্কৃতিক অৱদানক স্মৰণ কৰি তেওঁলোকৰ অনুৰাগীসকলক এক সুৰক্ষিত আৰু সন্মানজনক বিদায় দিয়াৰ লক্ষ্যে কৰা হৈছে।

## আমগুৰিত ভেন এচ'চিয়েশ্বনৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**অসম বাৰ্তা, আমগুৰি, ২৪ ছেপ্টেম্বৰ ঃ** মহান শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত অসমৰ লগতে সমগ্ৰ ভাৰত তথা বিদেশতো শোকবিহ্বল অনুৰাগীয়ে শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। আজি চৰকাৰীভাৱে বিদ্যালয় আদি খোলা দিয়াৰ পিছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ যাতায়তৰ সৈতে জড়িত আমগুৰি ডনবস্ক' ভেন ড্ৰাইভাৰ্চ এচ'চিয়েশ্বনৰ তৰফৰপৰা জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সীমান্ত খনিকৰে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ভেন ড্ৰাইভাৰ্ছ এচ'চিয়েশ্বনৰ সভাপতি চাজিদ আহমেদ আৰু প্ৰাক্তন সভাপতি ভুপেন গগৈয়ে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত এচ'চিয়েশ্বনৰ সদস্য সকলৰ উপৰিও বহুসংখ্যক শুভাকাংক্ষী আৰু অভিভাৱক অভিভাৱীকাই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

## অন্তৰ্ধান শ্যামকানু !

ফেষ্টিভেলৰ বাবে ছিংগাপুৰলৈ জুবিন গাৰ্গক আমন্ত্ৰণ কৰি নিছিল শ্যামকানু মহন্তই। কিন্তু ১৯ ছেপ্তেম্বৰৰ দিনা দুৰ্ঘটনাত মৃত্যু হয় জুবিন গাৰ্গৰ। জুবিন গাৰ্গৰ মৃত্যুৰ বাবে শ্যামকানু মহন্তক অভিযুক্ত কৰি থানাই থানাই এজাহাৰ দাখিল কৰে জুবিন অনুৰাগী সকলে। ইয়াৰ পিছৰ পৰাই পলাতক শ্যামকানু মহন্ত। ইফালে, ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেল বাতিল হোৱাৰ পিছত অসমলৈ ঘূৰি আহিব পৰা নাই নৰ্থ-ইষ্ট ফেষ্টিভেলৰ কেইবাজনো আয়োজন আৰু কৰ্মী। তেওঁলোকক শ্যামকানু মহন্তই বিমানৰ টিকট কাটি লৈ গৈছিল যদিও ঘূৰি অহাৰ টিকত দিয়া হোৱা নাছিল তেওঁলোকক। যাৰ ফলত তেওঁলোক এতিয়া অসমলৈ ঘূৰি আহিব পৰা নাই। জানিব পৰা মতে, নিজে টিকট কৰি অসমলৈ আহিবলৈও হাতত ধন নাই সেই সাধাৰণ আয়োজক-কৰ্মী সকলৰ। যাৰ বাবে এতিয়া ছিংগাপুৰৰ হোটেলতেই অনিশ্চয়তাত দিন কটাইছে তেওঁলোকে। বাৰে বাৰে ফোন কৰিও ফোনত পোৱা নাই শ্যামকানু মহন্তক।

## জুবিনৰ শেষকৃত্য স্থলীত

গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হয়। প্ৰাপ্ত তথ্য অনুসৰি, জুবিনৰ ঘনিষ্ঠ বন্ধু পাপন আৰু সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই তেওঁক ষ্ট্ৰেচাৰত কঢ়িয়াই এম্বুলেন্সত তুলি হাস্পতাললৈ প্ৰেৰণ কৰে। বিগত কিছুদিন ধৰি বাৰ্ধক্যজনিত কাৰণত শাৰীৰিকভাৱে অসুস্থ হৈ থকা কপিল ঠাকুৰৰ স্বাস্থ্যৰ অৱনতি ঘটে পুত্ৰৰ মৃত্যুৰ শোকৰ প্ৰভাৱত। চিকিৎসকৰ মতে, পুত্ৰৰ মৃত্যুৰ মানসিক আঘাতে তেওঁৰ স্বাস্থ্যৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলোৱাটো স্বাভাৱিক। বৰ্তমান তেওঁ উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ হাস্পতালত ভৰ্তি হৈ আছে। জুবিন গাৰ্গৰ শেষকৃত্যৰ সময়ত এই ঘটনাই সকলোৰে মাজত শোকৰ ছাঁ পেলাইছে। কপিল ঠাকুৰৰ স্বাস্থ্যৰ উন্নতিৰ বাবে সকলোৱে কামনা কৰিছে।

## নতুন দিল্লীত ৭১ সংখ্যক

জগতৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হয়। হিন্দী চলচ্চিত্ৰ টুৱেল্‌ভথ ফে'ললৈ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ হিন্দী চলচ্চিত্ৰ বঁটা কঁঠাললৈ আগবঢ়োৱা হয়। জৱান ছবিত কৰা অভিনয়ৰ বাবে শ্বাহৰুখ খানক আৰু টুৱেল্‌ভথ ফে'লত কৰা অভিনয়ৰ বাবে বিক্ৰান্ত মেচিক যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা প্ৰদান কৰা হয়। মিছেছ চেট্টাৰ্জী বনাম নৰৱে শীৰ্ষক ছবিৰ বাবে ৰাণী মুখাৰ্জীক শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়। শিল্পা ৰাও আৰু পি ভি এন এছ ৰোহিতক সৰ্বশ্ৰেষ্ঠ নেপথ্য গায়ক-গায়িকাৰ বঁটা প্ৰদান কৰা হয়। আনহাতে, বিশিষ্ট চলচ্চিত্ৰ সমালোচক তথা পৰিচালক উৎপল দত্তই অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ বঁটা গ্ৰহণ কৰে। বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যত পৰিকল্পনা সন্দৰ্ভত আলোকপাত কৰাৰ লগতে চৰকাৰে চলচ্চিত্ৰ ক্ষেত্ৰখনৰ বাবে লোৱা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে।



### জিলা সাংগঠনিক সচিব অভিযেক বৰাসহ দুজনক গ্ৰেপ্তাৰ ডুমডুমা আৰক্ষীৰ

# বীৰ লাচিত সেনাৰ ডুমডুমা আঞ্চলিক সমিতি ভংগ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৪ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু তথা হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সম্প্ৰতি সমগ্ৰ ৰাজ্যবাসী মৰ্মাহত, শোকস্তব্ধ। মহান শিল্পীগৰাকীৰ মৃত্যুৰ খবৰে সকলোকে বাকৰুদ্ধ কৰি তোলাৰ লগতে আপোন শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদনৰ বাবে ৰাজ্যৰ অন্যান্য ঠাইৰ দৰে তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ মাজমজিয়াত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত যোৱা ১৯ ছেপ্টেম্বৰৰ সন্ধিয়াৰ পৰা অনুষ্ঠিত হৈ থকা ৰাজহুৱা শ্ৰদ্ধাঞ্জলিস্থলীত চৰম উদ্ভণ্ডালি কৰা বীৰ লাচিত সেনাৰ কৰ্মীক উচতনি দিয়াৰ লগতে বজৰং দলৰ নেতাক প্ৰহাৰ কৰাৰ গোচৰত বীৰ লাচিত সেনা, তিনিচুকীয়া জিলা সমিতিৰ সাংগঠনিক সচিব অভিযেক বৰাক অৱশেষত ডুমডুমা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ঘটনাৰ সন্দৰ্ভত ডুমডুমা আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি, যোৱা ২১ ছেপ্টেম্বৰৰ সন্ধিয়া উল্লিখিত শ্ৰদ্ধাঞ্জলিস্থলীত বীৰ লাচিত সেনাৰ কেইগৰাকীমান সদস্যৰ উক্ত স্থানত থকা কেইগৰাকীমান জুবিন অনুৰাগীৰ সৈতে কোনো এক সামান্য কথাক লৈ বাত-বিতণ্ডাৰ সূত্ৰপাত ঘটে। পৰৱৰ্তী সময়ত বীৰ লাচিত সেনাৰ সদস্য কেইজনে জুবিন গাৰ্গৰ অনুৰাগী কেইগৰাকীক উপৰ্যুপৰি আক্ৰমণ কৰে। বীৰ লাচিত সেনাৰ সদস্য কেইগৰাকীৰ আক্ৰমণত

## হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিস্থলীত উদ্ভণ্ডালি, জুবিন অনুৰাগী আৰু বজৰং দলৰ নেতাক প্ৰহাৰৰ অভিযোগ

জুবিনৰ অনুৰাগীকেইজনে বীৰ লাচিত সেনাৰ নেতা অভিযেক বৰাৰ প্ৰৰোচনাত এই আক্ৰমণৰ ঘটনা সংঘটিত হয় বুলি ডুমডুমা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। লগতে এই ঘটনাৰ লগত জড়িত বীৰ লাচিত সেনাৰ সদস্যসকেইজনকো সেইদিনাৰ নিশাই ডুমডুমাৰ কুমাৰপট্টিত এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়ে। আনহাতে ২২ ছেপ্টেম্বৰৰ দুপৰীয়া বীৰ লাচিত সেনাৰ নেতা অভিযেক বৰাক শ্ৰদ্ধাঞ্জলিস্থলীৰ সমীপত দেখি আগদিনা নিশা ঘটনাৰ সময়ত উপস্থিত থকা জুবিনৰ অনুৰাগীকেইজনৰ বন্ধু কেইজনমানে অভিযেক বৰাক কিছু লপা-থপা দিয়াত অভিযেক বৰাই ডুমডুমাৰ পুৰণি এ. টি. ৰোডেৰে ডুমডুমা আৰক্ষী থানাৰ দিশে দৌৰি থানাত আশ্ৰয় লয়। থানাৰ পৰাই বীৰ লাচিত সেনাৰ বহু সদস্যক ফোনযোগে থানালৈ মাতি আৰক্ষী থানাৰ সন্মুখত এক বিশৃংখল পৰিৱেশ সৃষ্টি কৰে যদিও পিছত আৰক্ষীৰ তৎপৰতাত সকলো নিয়ন্ত্ৰণলৈ আহে। আনহাতে উক্ত দিনা বিয়লি একাংশ সতীৰ্থক লগত লৈ থানাৰ পৰা ওলাই আহিয়েই অভিযেক বৰাই কোনো কাৰণ নোহোৱাকৈ বজৰং দলৰ ডুমডুমা আঞ্চলিক সমিতিৰ সম্পাদকক মাৰপিট কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি দিয়া বুলি এক অভিযোগ উত্থাপন হয়। গুণ্ডাগিৰি দেখুৱাই কোনো কাৰণ নোহোৱাকৈ এজন যুৱকক চহৰৰ মাজতে মাৰপিট কৰাত ক্ৰোধান্বিত হৈ যথেষ্ট সংখ্যক লোকে উক্ত দিনা সন্ধিয়া ডুমডুমা চহৰৰ নেহৰু ৰোডস্থিত অভিযেক বৰাৰ ঘৰ ঘেৰাও কৰাত ডুমডুমা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অভিযেক বৰাক থানালৈ লৈ যায়। পৰৱৰ্তী সময়ত বজৰং দলে বীৰ লাচিত সেনাৰ তিনিচুকীয়া জিলা সমিতিৰ সাংগঠনিক সচিব অভিযেক বৰাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। ডুমডুমা আৰক্ষীয়ে এই এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২)(a)/১০৯(১) ধাৰাৰছিল অধীনত এটা গোচৰ (নং - ১৮৫/২৫) ৰুজু কৰি অভিযেক বৰা(২৩)ক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। লগতে যোৱা ২১ ছেপ্টেম্বৰৰ নিশা ডুমডুমাৰ কুমাৰপট্টিত সংঘটিত মাৰপিটৰ ঘটনাৰ লগত জড়িত সকলৰ বিৰুদ্ধেও ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯(৪)/৭৬/২৯৬(a)/৩৫১(৩)/৩(৫) ধাৰাত আন এটা গোচৰ (নং ১৮৬/২৫) ৰুজু কৰি দেৱজিৎ গগৈ (২৪) নামৰ আন এজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে, গ্ৰেপ্তাৰ হোৱা দেৱজিৎ গগৈ 'আছু'ৰ ডুমডুমা নগৰ গোটৰ সাধাৰণ সম্পাদকৰ দায়িত্বত আছে। ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক প্ৰাঞ্জল চেতিয়াই জানিবলৈ দিয়া অনুসৰি, এই সমগ্ৰ ঘটনাৰ সংক্ৰান্তত ডুমডুমা আৰক্ষী থানাত বিভিন্ন পক্ষৰ পৰা কেইবাখনো এজাহাৰ দাখিল কৰা হৈছে। ডুমডুমা আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। আগন্তুক সময়ত অভিযেক বৰা আৰু অন্যান্যসকলৰ বিৰুদ্ধে আৰু একাধিক গোচৰ ৰুজু হোৱাৰ সম্ভাৱনা আছে। আৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈ আছে। ইফালে উক্ত ঘটনাৰ সন্দৰ্ভত যোৱা ২৩ ছেপ্টেম্বৰত বীৰ লাচিত সেনাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অনুপ মৰাণ আৰু মুখ্য সচিব বিপ্লৱ গগৈয়ে এক জাননী জাৰি কৰি ডুমডুমা আৰক্ষী থানাৰ সন্মুখত আইন হাতত তুলি লোৱাৰ পৰিৱেশ সৃষ্টি কৰা আৰু জিলা সমিতিৰ সভাপতি আৰু মুখ্য সচিবৰ অনুশাসন নমনাৰ অপৰাধত বীৰ লাচিত সেনাৰ ডুমডুমা আঞ্চলিক সমিতিখন তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ ভংগ কৰি দিয়াৰ কথা ঘোষণা কৰিছে। লগতে পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ নকৰালৈকে বীৰ লাচিত সেনা, অসম ডুমডুমাৰ যিকোনো সাংগঠনিক কাম-কাজ জিলা সমিতিৰ তত্ত্বাৱধানত পৰিচালিত হ'ব বুলিও জাননীখনত উল্লেখ কৰে। জাননীৰ প্ৰতিলিপি সংগঠনটোৰ ডুমডুমা আঞ্চলিক সমিতি, তিনিচুকীয়া-ডুমডুমাৰ সংবাদ মহল আৰু সংগঠনৰ জিলা কাৰ্যনিৰ্বাহকলৈ প্ৰেৰণ কৰাৰ কথাও উল্লেখ কৰে। অসমীয়াৰ প্ৰাণৰো আপোন শিল্পী সদ্যপ্ৰয়াত জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সকলোৰে শোকবিহ্বল, শোকাৰ্ত হৈ পৰাৰ সময়তে বীৰ লাচিত সেনাৰ সৈনিক অভিযেক বৰা আৰু বজৰং দলৰ ডুমডুমা আঞ্চলিকৰ সম্পাদকৰ মাজত সংঘটিত মাৰপিটৰ ঘটনাক লৈ চাহ নগৰী ডুমডুমাত উদ্ভৱ হোৱা এনে পৰিৱেশ-পৰিস্থিতিকলৈ মুঠেও সন্তুষ্ট নহয় ডুমডুমাৰ সচেতন মহল। ডুমডুমাৰ একাংশ সমাজ সচেতন ব্যক্তিয়ে উক্ত ঘটনাক তীব্ৰ নিন্দা কৰা পৰিলক্ষিত হৈছে। লগতে ডুমডুমা আৰক্ষীয়ে গ্ৰহণ কৰা ন্যায়সংগত পদক্ষেপক সকলোৰে শলাগ লৈছে।

### পথ অৱৰোধ কৰি দোষীক ফাঁচীৰ দাবী

# দুলীয়াজানত ছাত্ৰীক বলাৎকাৰ কৰি হত্যা

**অসম বাৰ্তা, দুলীয়াজান, ২৪ ছেপ্টেম্বৰ ঃ** দুলীয়াজানত সংঘটিত হৈছে এগৰাকী ছাত্ৰীক বলৎকাৰ কৰি হত্যা কৰা জঘন্য ঘটনা। দুৰ্বৃত্তই এগৰাকী তৃতীয় শ্ৰেণীৰ ছাত্ৰীক বলাৎকাৰ কৰি নিৰ্মমভাৱে হত্যা কৰা ঘটনাই দুলীয়াজানৰ নতুন ডিৰিয়াল চাহ বাগিচাত আজি উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। ২২ ছেপ্তেম্বৰ নিশা দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত নতুন ডিৰিয়াল চাহ বাগিচাত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছিল। উক্ত অনুষ্ঠানত পৰা দুৰ্বৃত্তই কৌশলেৰে এগৰাকী তৃতীয় শ্ৰেণীৰ ছাত্ৰীক অপহৰণ কৰে। পিচত ছাত্ৰী গৰাকী নিশা ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে বিচাৰ-খুঁছাৰ কৰে যদিও ক'তো সম্ভেদ উলিয়াবলৈ সক্ষম নহ'ল। ইফালে কালি পুৱা স্থানীয় ৰাইজে উক্ত চাহ বাগিচাৰ ১৭ নম্বৰ চেকচনৰ এটা নলাত সম্পূৰ্ণ উলংগ অৱস্থাত ছাত্ৰী গৰাকীৰ মৃতদেহটো প্ৰত্যক্ষ কৰি পৰিয়ালৰ লগতে আৰক্ষীক খবৰ দিয়ে। এই খবৰ বিয়পি পৰা লগে লগে বাগিচাৰ শ্ৰমিক সকলৰ লগতে স্থানীয় ৰাইজ ৰাজপথলৈ ওলাই আহি অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰে। অভিযোগ অনুসৰি ছাত্ৰী গৰাকীক দুৰ্বৃত্তই প্ৰথমে বলাৎকাৰ কৰি পিচত নিৰ্মমভাৱে হত্যা কৰি মৃতদেহটো বাগিচাৰ নলাত পেলাই দিয়ে। এই ঘটনাৰ লগত জড়িত অভিযুক্তক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবীত কালি অঞ্চলটোৰ ৰাইজে ছাত্ৰী গৰাকীৰ মৃতদেহটো সন্মুখত লৈ পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ইফালে ডিব্ৰুগড় জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াৰ লগতে কেইবাখনো আৰক্ষীৰ থানাৰ বৃহৎ সংখ্যক আৰক্ষী প্ৰতিবাদস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ চেষ্টা চলাই যদিও ব্যৰ্থ হয়। পিচত প্ৰতিবাদকাৰীৰ সৈতে আৰক্ষীয়ে এক আলোচনাত মিলিত হয় আৰু ছাত্ৰী গৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত দুলীয়াজান আৰক্ষী থানাত প'স্কো ১৬৩ এক গোচৰ ৰুজু কৰি তদন্ত কৰি সুৰ্দশন নায়ক আৰু সুনিল মুণ্ডা নামৰ দুজন লোকক আটক কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। উক্ত ঘটনাকলৈ আজি পুনৰ ছাত্ৰী গৰাকীৰ মৃতদেহ লগত লৈ আজি দেওহাল-টিংৰাই-ডিব্ৰুগড় সংযোগী পথ অৱৰোধ কৰি আটছা, আছা, মহিলা সমিতি, চাহ মজদুৰ সংঘ, আৰু স্থানীয় ৰাইজে ছাত্ৰী গৰাকীক ন্যায় প্ৰদান কৰিবলৈ আৰু দোষীক ফাঁচী দিয়াৰ দাবী জনাই প্ৰশাসনক। এই ঘটনাৰ লগত জড়িত দোষীক ফাষ্ট ট্ৰেক কৰ্টৰ যোগেদি বিচাৰ কৰি শীঘ্ৰে ফাঁচীৰ দৰে কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে আছাৰ ডিব্ৰুগড় জিলা সভাপতি মনোজ ওৰাঙে।

### হত্যাকাণ্ড বুলি অসমৰ হাজাৰ হাজাৰ জনতাৰ সামাজিক মাধ্যমত অভিযোগ

# জুবিন গাৰ্গৰ অকাল মৃত্যুক লৈ মাৰ যোৱা নাই ৰাইজৰ সন্দেহ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু, অসমীয়া সংগীত জগতৰ মহান শিল্পী, কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, অভিনেতা আৰু সমাজকৰ্মী জুবিন গাৰ্গৰ ১৯ ছেপ্তেম্বৰ ২০২৫ তাৰিখে ছিংগাপুৰত সাঁতোৰৰ সময়ত হোৱা এটা দুৰ্ঘটনাত ৰহস্যজনক ভাৱে অকাল মৃত্যু ঘটে। অসমৰ নয়নৰ মণি জুবিন গাৰ্গ ছিংগাপুৰত উত্তৰ-পূব মহাৎসৱত অংশগ্ৰহণৰ বাবে যোৱা সময়ত এই দুঃখজনক ঘটনাটো সংঘটিত হয়। তেওঁৰ মৃত্যুৰ পিছত তেখেতৰ ছিংগাপুৰৰ মেডিকেলত মৰোণোত্তৰ পৰীক্ষা কৰা হয় আৰু এই পৰীক্ষাত তেখেতে পানীত ডুব যোৱাৰ ফলত মৃত্যু হোৱা বুলি উল্লেখ কৰে। ইয়াৰ পিছত ৰবিবাৰে জুবিন গাৰ্গৰ মৃতদেহ ছিংগাপুৰৰ পৰা গুৱাহাটী অনা হয়। জুবিন গাৰ্গৰ মৃতদেহ গুৱাহাটী অনাৰ পিছত তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, অসমৰ মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মা সহিতে বিভিন্নজনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছত উলিওৱা তেখেতৰ অন্তিম যাত্ৰা পৃথিৱীৰ ভিতৰতে চতুৰ্থ বৃহৎ অন্তিম যাত্ৰা হিচাপে পৰিগণিত হয় আৰু সেইটো লিমকা বুক অফ ৰেকৰ্ডছ'ত সন্নিৱিষ্ট কৰা হয়। তেখেতৰ মৃতদেহ পোনপ্ৰথমে তেখেতৰ নিজ বাসগৃহত নিয়া হয় আৰু ইয়াৰ পিছত দুদিনৰ বাবে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি দিয়াৰ উদ্দেশ্যে সৰুসজাই ষ্টেডিয়ামত ৰখা হয় য'ত জাতি বৰ্ণ নিৰ্বিশেষে লাখ লাখ মানুহে তেখেতক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত চাৰি পাঁচদিনলৈ সমগ্ৰ ৰাজ্য স্তব্ধ হৈ পৰে, ৰাজ্যৰ গাৱে ভূঞেঁ, চহৰে নগৰে তেখেতক মানুহে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু ৰাজ্য চৰকাৰে তিনিদিনীয়া শোক ঘোষণা কৰে। জুবিন গাৰ্গৰ মৃত্যু ৰহস্যময় হোৱা বাবে তেখেতৰ অন্তেষ্টিক্ৰিয়াৰ প্ৰাকমুহূৰ্তত অসমৰ ৰাইজৰ দাবীত পুনৰবাৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৰোণোত্তৰ পৰীক্ষা কৰা হয়। ২৩ ছেপ্তেম্বৰ, মঙ্গলবাৰে সোণাপুৰৰ কমাৰকুছিত পূৰ্ণ ৰাজ্যিক সন্মানৰ সৈতে জুবিন গাৰ্গৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন হয়। অনুষ্ঠানত উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিধানসভা অধ্যক্ষ, কেন্দ্ৰীয় মন্ত্ৰী, ৰাজনৈতিক নেতা, দল সংগঠনৰ নেতা শিল্পী-অনুৰাগী, আৰু লক্ষ লক্ষ সাধাৰণ জনতা। 'Mayabini' গানৰ সুৰতে অনুৰাগীয়ে শোক উজাৰি প্ৰাণৰ শিল্পীগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৯৯২ চনত অনামিকা নামৰ অসমীয়া এলবামেৰে জনপ্ৰিয় হোৱা অসমৰ মহান সন্তান জুবিন গাৰ্গে অসম, ভাৰত তথা বিশ্বজুৰি সংগীতত ৪০তকৈ অধিক ভাষাত ৩৮, ০০০তকৈ অধিক গীত গাই ৰেকৰ্ড কৰিছে। 'ইয়া আলি', 'মায়াবিনী', 'অনামিকা', 'শিশু', 'ইকোজ অৱ চাইলেন্স' আৰু 'কাঞ্চনজংঘা' ৰ দৰে অসমীয়া-বাংলা-হিন্দী হিট গানবোৰে বিশেষ স্থান পাইছে। তেওঁ 'কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেশ্যন'ৰ জৰিয়তে বন্যা-দুৰ্যোগ, চিকিৎসা, গৃহ নিৰ্মাণ, শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট কাম কৰিছে



আৰু সামাজিক দায়বদ্ধতাত তেওঁ সদা অগ্ৰণী হিচাপে আছিল। তেখেত ফুটবল-ক্ৰিকেট অনুৰাগী আছিল লগতে দুঃসময়ত সমাজ চেতনাৰ বাতৰি প্ৰকাশ কৰি, ৰাজনৈতিক জীৱনতো ন্যায়-শান্তিৰ বাণী প্ৰচাৰ কৰিছিল মহান শিল্পী জুবিন গাৰ্গে। সামাজিক দায়বদ্ধতা আৰু সমাজকৰ্মীৰ ৰূপত, BAN-CA, APSC ৰ নিয়োগ আন্দোলন, COVID-19 চিকিৎসা সেৱা আৰু বানপীড়িত সহায় কৰাৰ ক্ষেত্ৰত জুবিন গাৰ্গৰ অৱদানে অসমীয়া সমাজক গৰ্বিত কৰি তোলে। অসম চৰকাৰে তেওঁৰ মৃত্যুৰ পিছত ৰাইজৰ বিপুল দাবীত উত্তৰ-পূব মহাৎসৱৰ আয়োজক শ্যামকানু মহন্তক অসমত অনুষ্ঠান কৰাত নিষিদ্ধ ঘোষণা কৰে, যাৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিব যায় শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যু হৈছিল। জুবিন গাৰ্গৰ মৃত্যু সাধাৰণ মৃত্যু নহয় বুলি উল্লেখ কৰি, এয়া এক হত্যাকাণ্ড বুলি অসমৰ হাজাৰ হাজাৰ জনতাই সামাজিক মাধ্যমত অভিযোগ তুলিছে আৰু ইয়াৰ ন্যায় নোহোৱা পৰ্যন্ত অসমবাসী শান্ত নাথাকে বুলি উল্লেখ কৰি একাংশই ইয়াৰ চিবিআইৰ তদন্ত বিচাৰিছে। প্ৰতিজন অসমীয়াই কান্দি কান্দি কৈছে যে জুবিন গাৰ্গৰ মৃত্যুত কেৱল অসমৰে নহয় সমগ্ৰ ভাৰতৰে বিস্তৰ ক্ষতিসাধন হৈছে। সকলোৱে কৈছে যে বিশ্বজুৰি সংগীত, সাহিত্য, সংস্কৃতিত জুবিন গাৰ্গৰ অনন্য অৱদান চিৰকাল স্মৰণীয় হৈ থাকিব। 'জুবিন' নামটো অসমীয়া হৃদয়ৰ ইতিহাসত চিৰস্থায়ী হৈ থাকিব।

### প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চি বি আই তদন্তৰ দাবী

# সোণতলীত অৱস্থান ধৰ্মঘট



**অসম বাৰ্তা, গৰৈমাৰী, ২৪ ছেপ্টেম্বৰঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলীত আজি প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি এঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। জানিব পৰামতে সোণতলীৰ চৰ-চাপৰি যুৱ ঐক্যমঞ্চৰ উদ্যোগত সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত আজি দুপৰীয়া মহাবিদ্যালয়ৰ সন্মুখত যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি এঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে পে-কাৰ্ড প্ৰদৰ্শন কৰি জুবিন দা অমৰ হওক, জুবিন গাৰ্গৰ হত্যাকাৰীক শাস্তি দিয়ক, We want justice আদি শ্ল'গানেৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। ইপিনে প্ৰতিবাদকাৰীসকলে চৰকাৰে উচিত তদন্ত সাপেক্ষে ন্যায় প্ৰদান নকৰিলে পৰৱৰ্তী সময়ত জোৰদাৰ প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱা হুংকাৰ দিয়ে। জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুৰ ঘটনাৰ চি বি আই তদন্তৰ দাবী জনায় সংগঠনটোৱে। প্ৰতিবাদৰ অন্তত ন্যায় বিচাৰি প্ৰতিবাদকাৰীসকলে সোণতলী আৰক্ষীৰ জৰিয়তে আৰক্ষী সঞ্চালক প্ৰধানলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। কাৰ্যসূচীত চৰ-চাপৰি যুৱ ঐক্যমঞ্চৰ সভাপতি ৰেজাউল কবিৰ, সম্পাদক আকতাৰুল হুছেইন, কৰ্ণধাৰ সমিতিৰ সদস্য মিৰ্জা লুৎফৰ ৰহমান, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া ও ছাত্ৰ ছাত্ৰীৰ লগতে চৰ-চাপৰি যুৱ ঐক্যমঞ্চ বিষয়ববীয়া ও ভালেসংখ্যক জুবিন অনুৰাগী ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে ছিংগাপুৰত ১৯ ছেপ্টেম্বৰত অসমীয়াৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ মৃত্যুক সাৱটি লয়। ছিংগাপুৰত প্ৰকৃততে জুবিন গাৰ্গৰ সৈতে কি ঘটিছিল আৰু কি কাৰণত তেখেতৰ মৃত্যু হ'ল, সেই কথাবোৰ স্পষ্ট কৰিবলৈ চৰ-চাপৰি যুৱ ঐক্যমঞ্চই গোটেই বিষয়টোৰ সঠিক তদন্ত হোৱাটো বিচাৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত কৰোতে ইয়াৰ আওতালৈ আহিবলগীয়া যিকোনো ব্যক্তি যাতে সাৰি যাব নোৱাৰে সেই বিষয়টো নিশ্চিত কৰিবলৈ চৰ চাপৰি যুৱ ঐক্যমঞ্চই দাবী জনায়। প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ আঁৰত যদি কিবা ষড়যন্ত্ৰ ধৰা পৰে তেন্তে ইয়াত জড়িত প্ৰত্যেকজন ব্যক্তিয়ে যাতে উচিত শাস্তি পায় আৰু প্ৰয়াত জুবিন গাৰ্গক ন্যায় প্ৰদানৰ মাজেৰে সমগ্ৰ অসমীয়া জাতিটোয়ে যাতে ন্যায় পায় সেইটো নিশ্চিত কৰিবলৈ চৰ-চাপৰি যুৱ ঐক্যমঞ্চই আহ্বান জনাইছে।

# চাৰিগাঁৱৰ মুক্তিযুঁজাৰু বিজয় চন্দ্ৰ বৰুৱাৰ মৃত্যু

**অসম বাৰ্তা, নিমাতীঘাট, ২৪ ছেপ্টেম্বৰ ঃ** ১৯৪২ চনত "স্বাধীন চাৰিগাঁও ৰাষ্ট্ৰ" গঠন কৰি নিজকে 'ৰাষ্ট্ৰপতি' ঘোষণাৰে ভাৰতৰ স্বাধীনতা আন্দোলনত ইতিহাস সৃষ্টি কৰা "চাৰিগাঁৱৰ ৰাষ্ট্ৰপতি" খ্যাত লক্ষেশ্বৰ বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ মুক্তিযুঁজাৰু বিজয় চন্দ্ৰ বৰুৱাৰ কালি নিশা ৮-৩০ বজাত চাৰিগাঁৱৰ নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। শত বছৰ গৰকিবলৈ কিছু দিন থকা মুক্তিযুঁজাৰুজন বিপ্লৱী বীৰ শংকৰ বৰুৱাৰ সহযোগী ৰূপে আন্দোলন কৰিছিল। সকলো সময়তে মুক্তিযোদ্ধাজনে গান্ধী টুপী পৰিধান কৰিছিল। মুক্তিযোদ্ধাজনৰ প্ৰতি আজি পুৱা জিলা প্ৰশাসনে ৰাজ্যিক মৰ্যাদা প্ৰদান কৰে। জিলা প্ৰশাসনৰ তৰফৰ পৰা জিলা আয়ুক্ত জয় শিৱানী আৰু আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰই মুক্তিযোদ্ধাজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পৰিবাৰ, শিক্ষক পুত্ৰ অসীম কুমাৰ বৰুৱা, দুগৰাকী কন্যা, ভাতৃ-ভগ্নী সহ বৃহৎ পৰিয়াল এৰি থৈ গৈছে। উল্লেখ্য, যোৰহাট জিলাৰ জীৱিত থকা পাঁচজন মুক্তিযোদ্ধাৰ ভিতৰৰ বিজয় চন্দ্ৰ বৰুৱাৰ মৃত্যুত যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলন, বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# মাজুলীত জুবিন অনুৰাগীৰ চাইকেল ৰেলী

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকস্তব্ধ সমগ্ৰ ৰাজ্যবাসী। ৰাজ্যৰ লগতে মাজুলীৰ প্ৰতি ঘৰে ঘৰে বৈ উঠিছে চকুলো । মাজুলীৰ ৫০ ৰো অধিক জুবিন অনুৰাগীয়ে তেখেতৰ বিদেহ আত্মাৰ শান্তিৰ বাবে মাজুলীৰ গড়মূৰ পৰা কমলাবাৰী হৈ বনগাঁও চাৰিআলি মাজেৰে সমগ্ৰ মাজুলীতে এক চাইকেল যাত্ৰা কৰে। চাইকেল যাত্ৰাৰ সম্পূৰ্ণ নেতৃত্ব লয় মাজুলী বীৰ লাচিত সেনা সমিতিৰ সদস্য বিজিত কুমাৰ নাথে। অনুৰাগী সকলে মাজুলীত জুবিন গাৰ্গৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰক, যোৰহাট - মাজুলী সংযোগী দলঙৰ নাম জুবিন গাৰ্গ সেতু ৰাখক, শ্যামকানু মহন্তক শাস্তি দিয়ক বিভিন্ন শ্ল'গানেৰে চাইকেল ৰেলী কৰা দেখা যায়। অনুৰাগী সকলে মায়াবিনী গীতেৰে চাইকেল যাত্ৰা আৰম্ভ কৰে।

### আগন্তুক দুৰ্গোৎসৱত সাংস্কৃতিক কাৰ্যসূচী বৰ্জনৰ সিদ্ধান্ত

# মৰিগাঁও আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপন সমিতিৰ জৰুৰী সভা

### জুবিন গাৰ্গক মৰণোত্তৰভাবে ভাৰতৰত্ন প্ৰদানৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গক মৰণোত্তৰ ভাবে ভাৰতৰত্ন প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে মৰিগাঁও আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপন সমিতিয়ে। আনহাতে আপোন শিল্পী গৰাকীৰ অকাল বিয়োগত শোক আৰু শ্ৰদ্ধা জ্ঞাপন কৰি মৰিগাঁও আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপন সমিতিয়ে ২৭ ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত কৰিব ওলোৱা দুৰ্গোৎসৱত সাংস্কৃতিক অনুষ্ঠান বৰ্জন আৰু দেৱী বিসৰ্জনত জাকজমকতা পৰিহাৰ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। সমিতিৰ কালি নিশা অনুষ্ঠিত হোৱা এখন জৰুৰী কাৰ্যনিৰ্বাহক সভাই উক্ত দাবী আৰু সিদ্ধান্তসমূহ গ্ৰহণ কৰে। শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপন সমিতিৰ সভাপতি ধৰ্মকান্ত শৰ্মাৰ সভাপতিত্বত মৰিগাঁও সেৱাশ্ৰম প্ৰাঙ্গনত অনুষ্ঠিত উক্ত সভাখনৰ আঁত ধৰে সম্পাদক সুনীল কুমাৰ শৰ্মাই। সভাত মৰিগাঁও জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, প্ৰতিষ্ঠিত লেখক ড০ ৰবিন শৰ্মা, সেৱাশ্ৰম সমিতিৰ সভাপতি ডিম্বেশ্বৰ শৰ্মা, উপ সভাপতি হিতেশ্বৰ শৰ্মা, অসম ব্ৰাহ্মণ সমাজৰ উপ-সভাপতি ভাৰত চন্দ্ৰ শৰ্মা, মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ কেন্দ্ৰীয় সংঘাধিকৰ্তা ঋতুৰাজ গোস্বামী, মৰিগাঁও নগৰ ব্ৰাহ্মণ সমাজৰ সম্পাদক লৱকান্ত শৰ্মা, পূজা উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰভাত চন্দ্ৰ শৰ্মা, প্ৰাক্তন সম্পাদক কমল চন্দ্ৰ শৰ্মা, সাংস্কৃতিক উপ-সমিতিৰ উপদেষ্টা পুলিন শৰ্মা, সভাপতি মৃনাল শৰ্মা, সম্পাদক প্ৰনৱ চৌধুৰী, বিষয়ববীয়া জগদীশ ভাগৱতী, দুলাল শৰ্মা, জিতেন শৰ্মা, কমলেশ্বৰ কাকতি, পৰেশ চন্দ্ৰ গোস্বামী, কংকন দেৱ শৰ্মা প্ৰমুখ্যে পূজা উদযাপন সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকি জুবিন গাৰ্গৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি তৰ্পণ কৰে। উল্লেখ্য যে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰা মৰিগাঁও আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপন সমিতিয়ে এইবেলি ২৭ সংখ্যক দুৰ্গোৎসৱত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ পূজা অৰ্চনাৰ উপৰিও এলানি বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰিছিল। কিন্তু হিয়াৰ আমঠু, মহান শিল্পী গৰাকীক অকালতে অশ্ৰু-অঞ্জলিৰে বিদায় দি ভাৰাক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত মূৰকত কেৱল নিয়ম তান্তিক ভাবেহে দুৰ্গোৎসৱটি উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে বুলি উদ্যোক্তা সকলে আজি সংবাদ মাধ্যমক জানিবলৈ দিছে। ইপিনে মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজা উৎসৱ উদযাপন সমিতিয়েও ৫৩ সংখ্যক দুৰ্গোৎসৱটিত জাকজমকতা পৰিহাৰ কৰি অনুৰূপ সিদ্ধান্ত গ্ৰহণ কৰিছে। সমিতিৰ সভাপতি বুবুমণি গোস্বামী আৰু সম্পাদক মুকুল হাজৰিকাই এক প্ৰেছ বিবৃতিৰ জৰিয়তে আজি এই কথা সদৰী কৰিছে।

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত গণশিল্পী জুবিন গাৰ্গক সুঁৱৰি 'মহানায়কৰ প্ৰতিধ্বনি' শীৰ্ষক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ বাণিজ্য শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত জ্যোতি প্ৰসাদ আগৰৱালা প্ৰেক্ষাগৃহত সদ্যপ্ৰয়াত গণশিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাবলৈ "মহানায়কৰ প্ৰতিধ্বনি" শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে মাল্যাৰ্পন কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সহযোগ কৰে মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ ছাত্ৰী সকলে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰস্তুত কৰি উলিওৱা গণকণ্ঠ জুবিন গাৰ্গৰ জীৱনৰ ওপৰত আধাৰিত এখনি তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানতে কিংবদন্তি শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা আৰু মৰম প্ৰকাশ কৰি অধ্যক্ষ ড° গগৈয়ে জুবিনৰ আদৰ্শৰে সকলো ছাত্ৰ ছাত্ৰীক অনুপ্ৰাণিতহৈ আগবাঢ়ি যাবলৈ উদ্‌গনি জনায়। প্ৰয়াত শিল্পী গৰাকীক স্মৰণ কৰি অধ্যক্ষ গৰাকীয়ে তেওঁৰ ভাল লগা জুবিনৰ এটা গীতো পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ কেইবাজনো শিক্ষক তথা কৰ্মচাৰীয়ে জুবিনৰ উল্লেখযোগ্য কৰ্মৰাজীৰ খতিয়ান দাঙি ধৰাৰ লগতে কবিতা আৰু গীতেৰে যুৱ প্ৰজন্মৰ স্পন্দন গৰাকীক শ্ৰদ্ধা নিবেদন কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও জুবিনৰ সৃষ্টিৰাজিক সুঁৱৰি নিজৰ বক্তৃতা প্ৰদান কৰাৰ লগতে জুবিনৰ গীতেৰে অশ্ৰুশিক্ত এক পৰিবেশৰ সৃষ্টি কৰে। ছাত্ৰ একতা সভাৰ সদস্যা প্ৰীতি গগৈয়ে আঁতধৰা অনুষ্ঠানটোৰ শেষত মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো সদস্যই জুবিন গাৰ্গক সুঁৱৰি "মায়াবিনি" শীৰ্ষক গীতটো সমস্বৰে পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, কাৰ্য্যালয়ৰ কৰ্মচাৰীসহ দুশৰো অধিক ছাত্ৰ ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটোৰ শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গগৈয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি তথা শ্ৰদ্ধাঞ্জলি জনোৱা ঠাইখিনি সন্মান সহকাৰে ৰাখিবলৈ ছাত্ৰ ছাত্ৰী সকলক আহ্বান জনায়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° নৱজ্যোতি দত্তই মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো সদস্যৰহৈ জুবিন গাৰ্গৰ এক প্ৰতিমূৰ্তি মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত স্থাপন কৰিবৰ কাৰণে অধ্যক্ষক অনুৰোধ জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শেষত ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰকৃতি প্ৰেমী শিল্পী গৰাকীৰ স্মৃতিক জীয়াই ৰাখিবলৈ গছপুলি ৰোপণ কৰা হয়।

# তুলুঙীয়াত তুলুঙীয়া ছাইন ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ তৃতীয় বৰ্ষপূৰ্তি উদ্‌যাপন

**অসম বাৰ্তা, অভয়াপুৰী, ২৪ ছেপ্তেম্বৰঃ** তুলুঙীয়া ছাইন ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ তৃতীয় বৰ্ষপূৰ্তি আজি দিন যোৱা কাৰ্যসূচীৰে তুলুঙীয়া মিলন সংঘত উদযাপন কৰে। সভাৰ আৰম্ভণীতে সদ্য প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰপাছত প্ৰতিষ্ঠানটোৰ সভাপতি অমৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে চি অ শামেচ উদ্দিনে। বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে প্ৰতিষ্ঠানটোৰ চি এ ছাইদুল ইছলামে। উল্লেখ্য যে সৰ্ব ভাৰতীয় পৰ্যায়ত এই ধৰণৰ দহ হেজাৰ প্ৰতিষ্ঠানৰ ভিতৰত বঙাইগাঁও জিলাৰ তুলুঙীয়া ছাইন ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী




লিমিটেডে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ অনুষ্ঠানত প্ৰতিষ্ঠানটোৱে নিজাববীয়াকৈ উৎপাদন কৰা জহা চাউল, কাঠফুলা আৰু সৰিয়হ তেল আদি বিক্ৰীৰ বাবে আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে। চলিত বৰ্ষত ব্যাৱসায়ত সৰ্বমুঠ ৩২ লাখ টকা লাভ কৰিবলৈ সক্ষম হোৱা প্ৰতিষ্ঠানটোত ছয় শতাধিক সদস্য আছে। আজি প্ৰতিষ্ঠানটোৰ সদস্যৰ মাজত লাভ্যাংশৰ কিছু ধন আনুষ্ঠানিক ভাৱে বিতৰণ কৰাৰ লগতে প্ৰতিষ্ঠানটোৰ পৰা প্ৰশিক্ষণ লোৱা কৃষকক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। সভাত মুখ্য অতিথি হিচাপে প্ৰাক্তন বিধায়ক ভূপেন ৰায়ৰ উপৰিও কৃষকক উদ্দেশি ভাষণ আগবঢ়ায় ক্ৰমে - নাবাৰ্ডৰ ডেভলপমেণ্ট মেনেজাৰ আলা ৰাম দেউৰী, এচৈ ডেভলপমেণ্টৰ জেনেৰেল মেনেজাৰ ঋষিকেশ ৰয়, ৰং দে ফাইনেঞ্চৰ জেনেৰেল মেনেজাৰ নৰেশ বাবু কুনচে, জয়ন্ত সৰকাৰ, ডাংতলৰ উৰছুলিন ছোছাইটিৰ এচ এন থেৰেচা কামছোলা খুংগুৰনীলু কুমাৰীয়ে আদিয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন